ASSAM
LEGISLATIVE ASSEMBLY
Debates



OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

(Budget Session)

No. 6

The 23rd March, 1995

CONTENTS

BUDGET SESSION

Vol.—II

Dated, the 23rd March 1995

		Page
1.	Questions And Answers	1
2.	Discussion During Zero Hour	109
3.	Report of the Business Advisory Committee.	119
4.	Call Attention Notice	122
5.	Matter Under Rule 301	125
6.	Laying of Statement and Introduction of Government Bill	127
7.	Debate on Governor's Address	134
8.	Adjournment	202
9.	Annexure— I to XI	204

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Thursday, the 23rd March 1995

The House met at 9 a.m. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakraborty Speaker in the Chair.

STARRED
QUESTIONS AND ANSWERS.
(To which oral Answers were given)

Mr Speaker : The position of Questions both oral and Written for 23.3. 95 are as follows :-

ORAL—Sl. No. 21 to 40

(Defferred Oral Questions from 16.3.95 to 25.3.95 Sl. No. 3, 16 and 18)

Written—Sl. No. 45 to 94.

Now Starred Questions No. 21.

Questioner Hon'ble Member Shri Nazmul Haque.

বিষয় : সন্ত্রাসবাদীয়ে নিহত আৰু আটক কৰা ব্যক্তিৰ সংখ্যা।

শ্রী নজমুল হকে সুধছে,

* ২। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) ১৯৯১ চনৰ পৰা ১৯৯৪ চনৰ ৩১ ডিচেম্বৰলৈকে সন্ত্রাসবাদীৰ হাতত মুঠ কিমানজন ব্যক্তি নিহত হৈছে আৰু কিমানজন ব্যক্তি পনবন্দী হিচাবে আটক আছে জিলাভিত্তিক হিচাব সদনত দাখিল কৰা হবনে ?

খ) বৰ্ত্তমানলৈকে মুঠ কিমানজন আলফা আৰু বি, এচ, এফ সন্ত্রাসবাদীয়ে আত্মসমর্পন কৰিছে আৰু মুঠ কিমানজন চাকৰি আৰু এককালীন টকা উদ্দোগ পুঁজি হিচাবে দিয়া হৈছে ?

গ) সন্ত্রাসবাদীসকলক উদ্দোগ পুঁজি হিচাবে দিয়া টকাৰ পৰিমাণ কিমান ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে,

ক) ১৯৯১ চনৰ পৰা ১৯৯৪ চনৰ ডিচেম্বৰ লৈকে সন্ত্রাসবাদীৰ হাতত মুঠ ৪৫৯ জন ব্যক্তি নিহত আৰু মুঠ ১৫১ জন ব্যক্তি পনবন্দী হিচাবে আটক হৈছে। ইয়াৰ জিলা ভিত্তিক হিচাব অনুসূচী - ১ দিয়া হ'ল।

(See the Annuuer—1)

খ) এডিয়ালৈকে মুঠ, ৪৮০৩ আলফা সদস্য আৰু ৯ জন বি এচ এফৰ সদস্যই আত্মসমর্পন কৰিছে। ইয়াৰ ভিতৰত ৮৬৮ জনক চাকৰি আৰু ৩২০৮ জন আত্মসমর্পনকাৰীক ১০০/- বিশেষ বীজধন আঁচনিৰ দ্বাৰা সংস্থাপন দিয়া হৈছে।

গ) সন্ত্রাসবাদী সকলক (আত্মসমর্পনকাৰী) উদ্দোগ পূঁজি হিচাবে মোকলাই দিয়া মুঠ ধনৰ পৰিমাণ ২৭,৩৫,১০,০০০ টকা।

* শ্রী নজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্রীৰ পৰা জানিব বিচাৰিছো যে আত্মসমর্পনকাৰী সকলক ঋণ দিয়া হৈছিল। সেইবিলাক পাইছে নে নাই। আৰু এই কিমান পৰিমানৰ টকা।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, বেংকৰ হিচাব নাই। বেংকক কোৱা মতে তেওঁলোকে দিছে। ঋণ দিয়াত কমিচন দিয়া হৈছিল। আৰু চোৰ্চৰ পৰা কটাৰ ব্যৱস্থা কৰা হৈছে আৰু সেই হিচাবে ঘুৰাই দিছে।

* শ্রী নজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, আত্মসমর্পণকাৰী সকলক ব্যক্তিগত ভাৱে উদ্দোগ খুলিবলৈ ধন দিয়া হৈছে। ব্যক্তিগত ভাৱে নিদি ৫০-১০০ জনৰ একোটা খোট হিচাবে দিয়াৰ ব্যৱস্থা কৰা হব নেকি? তেনেকৈ উদোগ ৰাজাখনত গঢ়ি নুঠে।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, তেনেকুৱা ব্যৱস্থাও আছে। কেইবাজনেও লগ লাগি একেলগে ঋণ লব পাৰে।

* শ্রী হিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় মুখ্য মন্ত্রীয়ে যি ঋণ বেংকৰ পৰা আত্মেসমর্পনকাৰী সকলক দিয়া হয় তাত এখন এগ্রিমেণ্ট হয়। তাত চৰকাৰক বিপ্রেজেণ্ট কৰে ডেপুটি কমিচনাৰে। চৰকাৰী পক্ষই বেংকত স্বাক্ষৰ কৰে কিন্তু যি জনে ঋণ লয় তেওঁৰ কোনো স্বাক্ষৰ নাথাকে। ইয়াৰ ফলত ঋণ ঘুৰাই দিয়া নহয়। তেখেতসকলক কি কাৰণত স্বাক্ষৰ কৰিবলৈ দিয়া

* Speech not Corrected

হোৱা নাই জনাব নেকি? আগতে যি হৈ গ'ল এতিয় ডি, চিয়ে স্বাক্ষৰ নকৰি যি জনে ঋণ লয় তেওঁ স্বাক্ষৰ কৰাৰ ব্যৱস্থা থাকিলে ঋণ ঘুৰেই পোৱাত সুবিধা হব। এতিয়া হেমৰাম কেওট ক'ত সোমাই আছে আৰু শেহতীয়া স্থিতি কি?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া যি সকল আত্মসমর্পনকাৰীক বেংকৰ পৰা ঋণ দিয়া হৈছে তেওঁলোকে এখন ফর্ম ফিলাপ কৰিব লাগে। ডি, চি তাত গেৰাণ্টাৰ হিচাবে থকাৰ ব্যৱস্থা কৰা হৈছে। যিটো ঋণ দিয়া সেইটো চোৰ্চতে কটাৰ ব্যৱস্থা কৰা হৈছে। যদি কৰবাত ও হোৱা নাই কৰা হব। হেমৰাম কেওঁটৰ কথা বিশেষ কব নোৱাৰিম। পুলিচে খা-খবৰ পাই আছে। তেওঁ এনেকুৱা পৰিস্থিতিত আছে য'ত ৰেইড কৰিলে হত্যাও হব পাৰে। সেই কাৰণে পুলিচে ৰেইড কৰিব পৰা নাই।

* শ্রী মহিবুল হক : মাননীয় অধ্যক্ষ মহোদয়, এ, জি, পি চৰকাৰৰ সময়ত আলফা সদস্য বা বি, এচ, এফৰ সদস্যই আত্মসমর্পন কৰিছিল নেকি? যদি কৰিছিল তাৰ সংখ্যা কিমান আৰু তাৰ কিবা কৰা হৈছে নেকি?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, সেই সময়ৰ আত্মসমার্পন কাৰীৰ মোৰ হাতত ৰেকর্ড নাই।

* শ্রী মুণিণ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, যিসকল আত্মসমর্পনকাৰী আলফাই হওক বা বি, এচ, এফ ই হওক তেখেতসকলক মুকলিকৈ অস্ত্র-শস্ত্র লৈ ফুৰাৰ অনুমতি দিয়া হৈছে নেকি?

* Speech not Corrected.

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, দিয়া হোৱা নাই ?

* শ্রী পানীৰাম ৰাভা : মাননীয় অধ্যক্ষ মহোদয় নলবাৰী জিলাৰ বিভিন্ন ঠাইত উগ্রপন্থি সকলে চৰকাৰৰ ওচৰত আত্মসমর্পণ কৰাৰ পিচত ঋণ দিয়াৰ ব্যৱস্থা গ্রহণ কৰিছিল। কিন্তু এতিয়ালৈকে প্রথম কিস্তি-টিয়ে পোৱা নাই। চেনচন দিয়া হৈছে বুলি কৈছে। পি, জি, ইউকো, পাঞ্জাব বেংকৰ পৰা দিয়া বুলি কৈছে কিন্তু এতিয়ালৈ প্রথম কিস্তি পোৱা নাই। এই ঋণৰ প্রথম কিস্তিটো দিয়াৰ ব্যৱস্থা কৰি খেলিমেলিবোৰ নাইকীয়া কৰাৰ ব্যৱস্থা কৰিব নেকি ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, কিছুমান সমস্যা সমাধান হৈছে। কোকৰাঝাৰত প্রায় দিয়া হৈছে। বাকি জিলা বোৰত ডি, চিক নির্দ্দেশ দিয়া হৈছে। বি, এল, পিৰ লগত কো-অর্ডিনেচন কমিটিৰ মিটিং হৈছে। যিবিলাকক দিয়া হোৱা নাই দিয়াৰ ব্যৱস্থা কৰিবলৈ দিয়া হৈছে।

* শ্রী ৰমেন্দ্র নাৰায়ন কলিতা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা পৰহি 'আজিৰ বাতৰি'ত এটা নিউজ প্লাইছিল ট্রাইবেল ডেভলেপমেণ্ট কর্পোৰেচনৰ সভাপতিয়ে হেমৰাম কেণ্ডেক উলিওৱাৰ বাবে টকা দিয়াৰ কথা কৈছিল। মাননীয় মুখ্যমন্ত্রীয়ে জানে নেকি ?

c শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই তেনে কোনো কাগজ দেখা নাই।

* Speech not Corrected

Mr. Speaker : Now starred question No. 22 Questioner Shri Atul Bora. Chif Minister will reply.

বিষয় : দেহৰক্ষী মোতায়েন

শ্রীঅতুল বৰাই সুধিছে,

• ২২। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) কোন কোন ছাত্র সংগঠনৰ নেতাক বা কর্মীক আৰু কোন কোন মহাবিদ্যালয়ৰ ছাত্রী ইউনিয়নৰ সাধাৰণ সম্পাদক। বিষয়ৱৰীয়া বা সদস্যৰ নিৰাপত্তাৰ খাতিৰত দেহৰক্ষী মোতায়েন কৰা হৈছে তেওঁ-লোকৰ নামবোৰ জনাবনে ?

খ) তেওঁলোকৰ বাবে কিমান দেহৰক্ষী বাৰহ্যত হৈছে জনাবনে ?

গ) ৰাজনৈতিক দল সমূহৰ নেতা কর্মীৰ বাবে কিমান দেহৰক্ষী মোতায়েন কৰা হৈছে জনাবনে ?

ঘ) আটাইতকৈ বেছি কোনটো ৰাজনৈতিক দলৰ নেতা কর্মীৰ বাবে দেহৰক্ষী মোতায়েন হৈছে জনাবনে ?

ঙ) দেহৰক্ষী কাৰ ক্ষেত্রত প্রয়োজন তাক আৰক্ষীৰ দ্বাৰা প্রথমে পৰীক্ষা কৰি চোৱা হৈছেনে ?

চ) সমগ্র ৰাজ্যত কিমান দেহৰক্ষী নিয়োগ হৈছে আৰু তেওঁলোকৰ দৰমহা আৰু সা-সুবিধাৰ বাবদ বছৰি কিমান টকা খৰচ হয়।

শ্রীযুত হিতেশ্বৰ শইকীয়া (মুখ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) ছাত্র আৰু যুৱ নেতা সহলৰ নাম (১) শ্রীজেহিবুল ইচলাম, সাধাৰণ সম্পাদক, সদৌ অসম সংখ্যালঘু ছাত্র ইউনিয়ন (পাচাগোট) (২) মঃ নুৰ জাময়ন আহমেদ, সদৌ অসম সংখ্যালঘু ছাত্র ইউ-নিয়ন (শোনিত পুৰ ইউনিট্) (৩) শ্রী পেবলা বাতা ৰসুমতাৰী, সভাপতি অসম বড়ো ছাত্র ইউনিয়ন, (৪) শ্রীৰাজেন দত্ত, সাধাৰণ সম্পাদক, এন, এচ, ইউ: আই, (৫) শ্রীচিত্ত পাল, সদৌ অসম-বেঙ্গলী যুৱ ছাত্র পৰিষদ।, (৬) শ্রীমুস্তাফা কমল পাচা সভাপতি, এ, এ, এম, এচ ইউ, (পাচাগোট), (৭) শ্রীমনিবুৰ হুছেইন, নগাওঁ জিলা সাধাৰণ সম্পাদক. এন, এচ, ইউ, আই, (৮) শ্রীৰকিবুল হুচেইন নগাওঁ জিলা সভাপতি, এন, এচ, ইউ, আই (৯) শ্রী মঃ আবু বক্কৰ চিদ্দিক, সভাপতি এ, এ, এম, এচ, ইউ (জোত্দাৰ গোট), (১০) শ্রী ঈশ্বৰ প্রসন্ন বৰদলৈ, সভাপতি, চিটি এন, এচ ইউ আই, (১১) শ্রীৰেকিবুদ্দিন আহমেদ, ছাত্র নেতা, বি-বক্কৰা কলেজ, গুৱাহাটী। (১২) শ্রীখলিলুৰ ৰহমান, ৰাজ্যিক সভাপতি এম, এচ, ইউ, আই, (১৩) শ্রীপ্রদীপ শইকীয়া, নেতা, এম, এচ, ইউ, আই।

খ) তেওঁলোকৰ নিৰাপত্তাৰ বাবে মুঠ ১৮ জন দেহৰক্ষী ব্যৱহৃত হৈছে।

গ) ৰাজনৈতিক দল সমুহৰ নেতা, কর্মীৰ বাবে ১১০২ জন দেহৰক্ষী মোতায়েন কৰা হৈছে।

ঘ) কংগ্রেছ (আই) ৰাজনৈতিক দলৰ নেতা, কর্মীৰ বাবে আটাইতকৈ বেছি দেহৰক্ষী মোতায়েন কৰা হৈছে।

ঙ) হয়, তেওঁলোকৰ নিৰাপত্তা দৰকাৰ হয় নে নহয় সেই বিগয়ে আৰ-ক্ষীৰ দ্বাৰা পৰীক্ষা কৰি চোৱা হৈছে।

চ) সমগ্র ৰাজ্যত ১৯৭৬ জন দেহৰক্ষী নিয়োগ কৰা হৈছে আৰু তেওঁলোকৰ দৰমহা আৰু অন্যান্য সা-সুবিধাৰ বাবদ বছৰি প্ৰায় ৮,২৭,৯৯,১২৯·০০ টকা খৰচ হয়।

* শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া প্ৰশ্নটো তুলিব বিচাৰিছো যে দেহৰক্ষী যিবিলাক ছাত্ৰ নেতা বা ৰাজনৈতিক নেতাক দিয়া হৈছে, আচলতে তেওঁলোকৰ নিৰাপত্তাৰ কাৰণেহে দিয়া হয়। কিন্তু তেওঁলোকে আন কাৰোবাক মাৰিবৰ কাৰণেহে এই দেহৰক্ষী বিলাকক প্ৰয়োগ কৰিছে। ইয়াৰ উদাহৰণ স্বৰূপে এজন ৰাজনৈতিক নেতাৰ দুজন দেহ ৰক্ষীয়ে সিং আৰু আগৰৱালা নামৰ দুজন ল'ৰাক ডিঙি চেপি হত্যা কৰিলে। আৰু নিচেই ওচৰতে মহানগৰীৰ সভাপতি শ্ৰীআদিশ সাহে এটা ফেমিলিৰ লগত কাজিয়াৰ অজুহাতত নিজ হাতে ৰিভলভাৰ লৈ গুলি কৰে। তেওঁ সিদিনা কৰ্টত যাওঁতে যিটো ক্ৰিমিনেল হাহি মাৰিছে, ইয়াৰ অৰ্থ এই-এইটোকে বুজায় যে মোৰ লগত গৃহ বিভাগটোৱেই আছে, মোৰ ভয় কিহৰ? মই নিৰাপত্তাটো পামেই। গতিকে তেওঁৰ বেকত গৃহ বিভাগ আছে, তেওঁক কোনে কি কৰিব? এই মনোভাবটো তেওঁ দেখুৱাইছে। গতিকে অধ্যক্ষ মহোদয়, এইবোৰ ক্ৰিমিনেল ৰাজনৈতিক নেতাক বৰ্ত্তমান চৰকাৰে কিয় নিৰাপত্তা দি ৰাখিছে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কবনে? এইটো কম গুৰুত্ব পূৰ্ণ কথা নহয়। তথাপি চৰকাৰে তেনে ক্ৰিমিনেলকেই কিয় নিৰাপত্তা দি ৰাখিছে? আনকি আদিল সাহক হেন্দ কাপ লগোৱা হোৱা নাই।

মাননীয় অধ্যক্ষ : কোনে কেতিয়া কিয় হাহি মাৰে সেইটো আমাৰ বা চৰকাৰৰ বিচাৰ্য্যৰ বিষয় নহয় আৰু তাৰ উত্তৰ দিবও আমি নোৱাৰো।

*Speech not Corrected

* শ্রী অতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা গুৰুত্বপূৰ্ণ কথা যে যিবিলাক ৰাজনৈতিক নেতাই ক্ৰিমিনেল কেচত জেলত গৈছে সেই সকলক নিশ্চয় জামিনত মুক্তি দিবই। কিন্তু মুক্তি দিয়াৰ পিছত তেওঁলোকক পুনৰ দেহৰক্ষী দিয়া হ'বনে নহয়? কিন্তু যদি তেওলোকক পুনৰ চিকিঅৰিটি দিয়া হয়, ভৱিষ্যতে যে তেওঁলোকে পুনৰ আগ্নেয়াস্ত্ৰৰ দ্বাৰা যে কাৰোবাক হত্যা কৰিবলৈ উদ্যোত নহব তাৰ প্ৰতিশ্ৰুতি তেওঁলোকে নিশ্চয় দিব নোৱাৰে। গতিকে মাননীয় অধ্যক্ষৰ জৰিয়তে জানিব বিচাৰিছো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই সকল নেতাক দেহৰক্ষী দিয়া কথাটো বাতিল কৰিব বুলি প্ৰতিশ্ৰুতি দিবনে?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম কথা, যি কেইগৰাকী ছাত্ৰনেতা বা ৰাজনৈতিক নেতাই এনে সন্ত্ৰাসৰ কাৰ্য্য কৰিছিল তেওঁলোক বৰ্ত্তমান জেল হাজোতত আছে। দ্বিতীয়তে, কোনো এজন ব্যক্তিক নিৰাপত্তা দিয়াটো পুলিচ বিভাগেহে বিবেহনা কৰে। তৃতীয়তে, ৰাজনৈতিক নেতা জনক পুনৰ চৰকাৰে নিৰাপত্তা দিয়া বা নিদিয়াতো নেতাজনৰ দোষৰ ওপৰ বা প্ৰমাণ সাপেক্ষেহে নিৰ্ভৰ কৰিব।

* শ্রী অতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, কলেজৰ ছাত্ৰ ইউনিয়নৰ এগৰাকী মুৰব্বীক কিয় দেহৰক্ষী দিবলগীয়া হ'ল? এইটো কি "চিম্বলিক" হৈছে নেকি? যদি এইটোৱেই হয় বৰ দুৰ্ভাগ্যৰ কথা।

* Speech not Corrected

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো' যে প্রয়োজন সাপেক্ষেহে নিৰাপত্তা দিয়া হৈছে।

* শ্রী দিলীপ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক চালফাক কোনোবা নেতা বা বিষয়াৰ লগত বডি গার্ড হিচাবে দিয়া হৈছে। তেওঁলোকৰ লগত প্রায়বিলাকৰে আগ্নেয় ক্ষেপনাস্ত্র আছে। এই বোৰ বাজেয়াপ্ত কৰাৰ কিবা ব্যবস্থা কৰিছেনে? আৰু যিবিলাক পি, এচ, অ', আদি নিযুক্তি দিয়া হৈছে সেই সকলক পুলিচে ভালদৰে স্ক্রিনিং কৰি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছেনে? কাৰণ উত্তৰ লক্ষীমপুৰৰ এজন ৰাজনৈতিক দলৰ নেতাৰ লগত থকা দুজন পি, এচ, অৰে ডিডি চেপি এজনক হত্যা কৰিছে। গতিকে তেওঁলোক আছিল মই জনামতে চালফাৰ সদস্য। গতিকে এইটো এটা অতি গুৰুত্ব পূর্ণ কথা। সেই কাৰণেই মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্রী ডাঙৰীয়াক এই বিষয়ে ভালদৰে স্ক্রুটিনাইজ কৰি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালোঁ।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে বিচৰা প্রশ্নৰ উত্তৰত কব বিচাৰো, চিকিঅৰিটি আদি নিয়োগৰ ক্ষেত্রত সম্পূর্ণ দায়িত্ব পুলিচ বিভাগৰ ওপৰত আছে। পুলিচ চুপাৰিটেন্দেণ্টেহে স্ক্রুটিনাইজ কৰি নিয়োগ কৰে। দ্বিতীয়তে আলফাৰ সদস্য সকলে নিজেই চাবেন্দাৰ হোৱাৰ পিছতহে আৰু অস্ত্র-শস্ত্র সমর্পন কৰাৰ পিছতহে তেওঁলোকক গ্রহণ কৰা হয়। তৃতীয়তে মই অৱশ্যে পোৱা ৰিপর্ট মতে যি সকল ৰাজনৈতিক

• Speech not Corrected

নেতা বা ছাত্র নেতাই আগ্নেয়াস্ত্রৰ দ্বাৰা হত্যা কৰিছে, তেওঁলোকৰ অস্ত্র-সস্ত্র বাজেয়াপ্ত কৰিয়েই এৰা নাই, এৰেষ্টেও কৰা হৈছে।

* শ্রী দেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, আমি জানিব পৰা মতে বহুতো দেহ ৰক্ষীয়ে তেওঁলোকৰ জীৱন বিপন্ন কৰিও ৰাজনৈতিক নেতা বা চৰকাৰী বিষয়াক ৰক্ষা কৰি আহিছে। কিন্তু আমি জনামতে ৰাজনৈতিক নেতাৰ বাহিৰে যি সকল দেহৰক্ষী চৰকাৰী বিষয়াৰ লগত পাছে, তেওঁলোকৰ টি, এ, দি, এ, ৰ কোনো ৰাৱস্থা কৰা হোৱা নাই। গতিকে মাননীয় মুখ্য মন্ত্রী মহোদয়ক এই বিষয়ে ৰাৱস্থা লবলৈ অনুৰোধ জনালো।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে পুলিচ বিভাগেহে ৰাৱস্থা লব। কাৰণ এই সকলোবোৰ ৰাৱস্থা কৰিবলৈ পুলিচ বিভাগৰ নিজা এখন এক্ট আছে।

* শ্রী চন্দন সৰকাৰ : অধ্যক্ষ মহোদয়, বৰ্ত্তমান ৰাজনৈতিক দলৰ চৰকাৰ চলি থকাৰ সময়ত কিমান জনক হত্যা কৰা হৈছে আৰু আগতে আন ৰাজনৈতিক দলৰ চৰকাৰ চলি থকাৰ সময়ত কিমান জনক হত্যা কৰা হৈছিল।

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : আগতে ১৫৩ জনক হত্যা কৰা হৈছিল, এতিয়া ৰিপৰ্ট পোৱা নাই।

* শ্রী অতুল বৰা : আমি পুলিচ বিভাগৰ কথা সুধিব লাগিলে বিভাগীয় মন্ত্রীক নুসুধি এচ-পিক ইয়ালৈ মাতি আনি সুধিম নেকি, শিক্ষা-মন্ত্রীয়ে উত্তৰ দিব নোৱাৰিলে কলেজৰ অধ্যক্ষক মাতি আনিব

লাগিব নেকি বা গড়কাপ্তানী মন্ত্রীয়ে উত্তৰ দিব নোৱাৰিলে কোনোবা ইঞ্জিনিয়াৰক মাতি আনিব লাগিব নেকি ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : আই-পি চি আইনে নির্ণয় কৰিব। টাডা আইনত কাক গ্রেপ্তাৰ কৰিব কাক ৰাখিব সেইটো এচ-পিৰ হাতত চুপ্রীম পাওৰাৰ আছে। আমি কৰিবলৈ একো নাই।

* শ্রী নগেন শর্ম্মা : আগতে ১৫৩ জনক হত্যা কৰা বুলি কৈছে আৰু এতিয়া এজনো খবৰ পোৱা নাই বুলি কৈছে। কিন্তু বৈদ্যগড় আঞ্চলিক সভাপতিক আমাৰ আগতে হত্যা কৰা হৈছে সেই কথাটো সত্য নহয় নেকি ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : এই তথ্য এতিয়ালৈকে অহা নাই।

* শ্রী হিতেন্দ্র নাথ গোস্বামী : অধ্যক্ষ মহোদয়, হেন্দকাপ দিয়া সম্পর্কত সমাজৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত বা সমাজত এখন আসন স্থান থকা সকলক হেন্দকাপ দিয়াৰ ক্ষেত্রত অলপ চাব লাগে কিয়নো কাক হেন্দকাপ দিয়া উচিত হব বা অনুচিত হব সেইটো পুলিচে নির্ণয় কৰাৰ সলনি এতিয়া ৰাজনৈতিক ভাবেনির্ণিত হৈ আছে। হেন্দকাপ দিয়া নিদিয়া সম্পর্কে পুলিচৰ অধিকাৰ আছে। তথাপিও হেন্দকাপ লগাওঁতে সমাজত তেওঁৰ কি স্থান সেইটো চিন্তা কৰা হয়।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : অধ্যক্ষ ডাঙৰীয়া, মই মাননীয় সদস্য গৰাকীৰ মতামতটো তেওঁলোকক জনাম।

* Speech not corrected

Mr. Speaker : Now starred question No. 23।

বিষয় : সাংস্কৃতিক কেন্দ্র।

ডাঃ কমলা কলিতাই সুধিছে,

* ২৩। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) ছয়গাওঁ সমষ্টিৰ অন্তর্গত ছয়গাওঁত এটি সাংস্কৃতিক কেন্দ্র থকাটো সত্য নে ?

খ) উক্ত সাংস্কৃতিকক কেন্দ্রৰ কার্য্যালয় কত চলি আছে ?

গ) উক্ত কার্য্যালয়ত কৰ্ম্মচাৰীৰ সংখ্যা আৰু তেওঁলোকৰ নাম ও পদবী জনাবনে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) য়ে উত্তৰ দিছে।

ক) হয়।

খ) ছয়গাওঁত।

গ) কর্মচাৰীৰ সংখ্যা মুঠ ৩ (তিনি) জন। তেওঁলোকৰ নাম আৰু পদবী তলত দিয়া হ'ল :

১। শ্রী যতীন কুমাৰ, ভাৰপ্রাপ্ত বিষয়া।

২। শ্রী ৰমণী নাথ, নিম্ন ৰগৰ সহায়ক

৩। শ্রী হৰিণ শালৈ, চতুর্থ বর্গৰ কর্মী।

* Speech not Corrected

* ডঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ে যিটো উত্তৰ দিছে সেইটো উত্তৰ বিভাগে সঁচা উত্তৰ দিয়া নাই। আচলতে যোৱা দুবছৰ ধৰি এই সাংস্কৃতিক কেন্দ্রটো বন্ধ হৈ থকা কথাটো মুখ্যমন্ত্রী মহোদয়ে জানেনে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : অধ্যক্ষ ডাঙৰীয়া, মই পৰহি ডিবেক্টৰৰ লগত আলোচনা কৰিছিলো। তেওঁ আছে বুলি কৈছে।

* ডাঃ কমলা কলিতা : এই ছয়গাওঁৰ সাংস্কৃতিক কেন্দ্রটো মই জনাত ঘৰ ভাড়া লৈ আছিল আৰু যোৱা তিনি বছৰ ঘৰ ভাড়া নিদিয়াৰ কাৰণে ঘৰটো বন্ধ কৰি থোৱা আছে। ডিবেক্টৰে যিটো কথা কৈছে সেইটো অনুসন্ধান কৰি যদি ভাড়া নিদিয়াৰ কাৰণে কেন্দ্রটো বন্ধ হৈ আছে তেতিয়াহলে তাৰ ব্যৱস্থা গ্রহণ কৰিবনে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : চাৰ, সাংস্কৃতিক সঞ্চালকায়ৰ অধীনত বৰ্ত্তমান ৩৮ টা সাংস্কৃতিক কেন্দ্র স্থাপন কৰা হৈছে। ছয়গাওঁ সাংস্কৃতিক কেন্দ্রটো যোৱা ১৯৯১ চনত স্থাপন কৰা হৈছে। এই কেন্দ্রটোৰ কাৰ্য্যালয়ৰ বাবে ছয়গাওঁ অঞ্চলত চৰকাৰী ঘৰ নোপোৱাৰ বাবে বৰ্ত্তমান পিঁড়া ঘৰত চলাই থকা হৈছে। এই কেন্দ্রটিৰ বাবে ঘৰভাড়া বাবদ মাহিলী এহাজাৰ টকাকৈ দিয়া হয় আৰু ১৯৯৩ চনৰ অক্টোবৰ মাহলৈ ঘৰ ভাড়া আদায় দিয়া হৈছে। বাকী থকা ঘৰ ভাড়া চলিত বিত্তীয় বছৰৰ ভিতৰত আদায় দিয়াৰ ব্যৱস্থা কৰা হৈছে।

* শ্রী আলাউদ্দিন সৰকাৰ : চাৰ, সাংস্কৃতিক কেন্দ্র বিলাক যি উদ্দেশ্যৰে পতা হৈছিল সেই উদ্দেশ্য সফল হৈছেনে ? আমি জনাত প্রায়

* Speech not Corrected

বিলাক সাংস্কৃতিক কেন্দ্রই নৃত্যগীত থলুৱা গীত মাত সাংস্কৃতিক বিকাশ আৰু সম্প্রসাৰণ কৰাৰ যিটো উদ্দেশ্য আছিল সেইটো উদ্দেশ্য পালন কৰিব পৰা নাই। উদাহৰণ স্বৰূপে গৌৰীপুৰত যিটো আছে সেইটো তলাবদ্ধ হৈ আছে। কেইটামান দিন আছিল যদিও আচলতে গোটেই বিলাক সাংস্কৃতিক কেন্দ্ৰ চৰকাৰে যি ধৰণে পৰিচালনা কৰিব লাগিছিল তাৰ অভাৱৰ কাৰণেই আচল উদ্দেশ্য পালন কৰিব পৰা নাই। এই বিলাকৰ পৰিচালনাৰ দিশত চকু দি কাৰ্য্যাক্ষম কৰি তোলাৰ ব্যৱস্থা কৰিবনে?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : সাংস্কৃতিক কেন্দ্ৰ পতাৰ উদ্দেশ্য হৈছে স্থানীয় ভাবে সেই অঞ্চলৰ গীত মাত, নৃত্য আদি বিকাশ আৰু উদগতি সাধন কৰাৰ উপৰিও অঞ্চল ভিত্তিত এটা সাংস্কৃতিক পৰিবেশ সৃষ্টি কৰা আৰু উঠি অহা চামক তেনেবোৰ কাৰ্যৰ প্রতি ধাউতি প্রদানৰ ৰাবে আলোচনা আদি কৰা। গৌৰীপুৰ সাংস্কৃতিক কেন্দ্রটো এই বিলাক কাৰ্য্যসুচী অব্যাহত আছিল কাৰণেই অসমৰ বিভিন্ন ঠাইৰ উপৰিও ভাৰতৰো বিভিন্ন ঠাইলৈ গৈ তেনে থলুৱা সংস্কৃতি প্রদর্শন কৰিব পাৰিছে। ইয়াৰ উপৰিও মাজুলীতো তেনে উদ্দেশ্যৰে স্থাপন কৰা সাংস্কৃতিক কেন্দ্রই পূৰণা সাংস্কৃতি ৰক্ষা কৰাত যথেষ্ট খিনি কৰি আহিছে।

* শ্রী মহিবুল হক : চাৰ নতুনকৈ সাংস্কৃতিক কেন্দ্ৰ খোলাৰ কথা ভাবিছে নোকি, আৰু যদি ভাবিছে ক'ত ক'ত স্থাপন কৰিব বিচাৰিছে?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : চাৰ, আমাৰ এতিয়ালৈকে অসমৰ পূৰীত কোচবিহাৰৰ মধুপুৰ সত্রত, তাৰ উপৰিও বিজনী,কোকৰাঝাৰ

* Speech not Corrected

ওডালগুৰি, তামোলপুৰ, দুধনৈ, বকো, শদিয়া নাৰায়ণপুৰ ধেমাজি, জাগীৰোড, মাজুলী, সৰুপথাৰ, হাফলং, হামৰেন ডিফু, হাফলং সাংস্কৃতিক যাদুঘৰ, গৌৰীপুৰ, ছয়গাওঁ, ৰৰপেটা, ন-সত্ৰ ৰৰদোৱা, নগাওঁ, গোলাঘাট, তিতাৰৰ, যোৰহাট, তাই সংগ্ৰহালয়, শিমলুগুৰি, সোণাৰি, শিৱসাগৰ, ডিব্ৰুগড, ডুমডুমা, জামুগুৰিহাট, জ্যোতিভাৰতী, তেজপুৰ, ছিপাঝাৰ, হাইলাকান্দি আৰু শিলচৰত আছে।

* শ্ৰী হিতেশ্বৰ ডেকা : চাৰ, সাংস্কৃতিক সঞ্চালকায়ৰ ভালেকেইলাখ টকাৰ দুৰ্নীতিৰ বিষয়ে বাতৰি কাকততে ওলাইছিল আৰু ধাৰাবাহিক ভাবে সেইবিলাক প্ৰকাশ পাইছিল। কিমান টকাৰ দুৰ্নীতি হৈছে আৰু তাৰ ওপৰত কি ব্যৱস্থা লৈছে জনাবনে।

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, টকা হিচাবে কেইবালাখো হব আৰু ডিৰেক্টৰ জনক নিলম্বিত কৰি শাস্তি দিয়াৰ ব্যৱস্থা লোৱাৰ কাৰণে তদন্ত কৰা হৈছে।

* শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা : আমাৰ মাছখোৱাত কেইবছৰ মানৰ আগতে সাংস্কৃতিক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল। চৰকাৰে সোন-কালে এবিটাৰ লগত আলোচনা কৰি কাম আৰম্ভ কৰাৰ ব্যৱস্থা কৰিবনে ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : সেই বিষয়ে যোগাযোগ কৰা হৈছে আৰু তেওঁলোকে জি-এম, ডি-এৰ পৰা পাৰ্মিশ্বন বিচাৰিছে। সেই-টো হলেই এই বছৰতে টেণ্ডাৰ কল কৰিব।

* Speech not Correctcd

* শ্রী মুনীন মহন্ত : চাৰ, মুখ্যমন্ত্রী মহোদয়ে সাংস্কৃতিক কেন্দ্র বিলাকৰ নামৰ তালিকা দিওঁতে আমাৰ মৰিগাওঁৰ নামটো নাপালো। মৰিগাওঁ জিলাতো এটা সাংস্কৃতিক কেন্দ্র দিয়াৰ কাৰণে ব্যৱস্থা কৰিবনে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : কৰিব পৰা হব।

* শ্রী হিতেন্দ্র নাথ গোস্বামী : অধ্যক্ষ ডাঙৰীয়া, মই এটা কথা মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। আচলতে এই সাংস্কৃতিক কেন্দ্র যি বিলাক খোলা হৈছে তাৰ বেছি ভাগৰে অফিচ নাই। উদাহৰণ স্বৰূপে শদিয়াৰ কথাকে কৈছো, কেৱল গুৱাহাটিলৈ আহি দৰমহাটো লৈ থাকে। অন্ততঃ যি কেইটা কেন্দ্র আছে তাৰ এক তৃতীয়াংশ কেন্দ্র কাৰ্য্যাক্ষম কৰিব পাৰিলেও বছৰটোৰ ভিতৰত সেইটো ফলপ্রসু হব। এইটো জব্দ কৰিবনে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : কৰা হব।

* শ্রীপ্রণৰ নাথ : আমাৰ কৰিমগঞ্জ জিলাতো সাংস্কৃতিক কেন্দ্র নাই গতিকে এটা দিয়াৰ কাৰণে ব্যৱস্থা কৰিবনে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : হয় কৰা হব।

* শ্রীমতী বেনুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ে যি কেইটা অনুষ্ঠানৰ কথা উল্লেখ কৰিলে তাৰ পৰিপেক্ষিতত মই তিয়ক সমষ্টিৰ কথা কব বিচাৰিছো। যোৰহাটত জিলাভিত্তিক ভাওনা প্রতিযোগিতা পতা হৈছিল। তিয়কৰ মানুহবিলাক সেই

*Speech not Corrected

ঠাইলৈ যোৱা অসুবিধা। সেইকাৰণে তিয়ক সমষ্টিত এটা সাংস্কৃতিক কেন্দ্ৰ পতাৰ ব্যৱস্থা কৰিব নেকি? বা প্ৰতিষ্ঠা কৰিব নেকি? আজি এই বিধান সভাৰ মজিয়াত মন্ত্ৰী মহোদয়ৰ পৰা প্ৰতিশ্ৰুতি বিচাৰিছো। লগতে মই আৰু এটা প্ৰশ্ন কৰিব বিচাৰিছো যে সাংস্কৃতিক কেন্দ্ৰৰ কাৰণে বৰ্ত্তমান কিমান টকা আগবঢ়াইছে মাননীয় মন্ত্ৰী মহোদয়ে জনাব লাগে।

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী): মাননীয় অধ্যক্ষ ডাঙৰীয়া, যোৰহাট আৰু তিয়কৰ মাজৰ দুৰত্ব মাত্ৰ ১০ কিলোমিটাৰ। সেইকাৰণে তিয়কত সাংস্কৃতিক কেন্দ্ৰ পতাৰ কথা চিন্তা কৰা নাই।

* শ্ৰী বেনু পনা ৰাজখোৱা: মাননীয় অধ্যক্ষ মহোদয়, যোৰহাটৰ পৰা তিয়কৰ মাজৰ দুৰত্ব ১০ কিলোমিটাৰ যদিও ইমান দুৰত্ব অতিক্ৰম কৰি যোৱাটো অসুবিধা। তাৰোপৰি পৰিবহন ব্যৱস্থা ইমান দুৰ্ব্বল যে তাত অহা-যোৱা কৰা অসুবিধা কাৰণে মই গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, এনেকৈ অহা-যোৱা কৰি ৰাইজে সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰিব নোৱাৰে।

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী): মাননীয় অধ্যক্ষ ডাঙৰীয়া, যোৰহাটৰ পৰা তিয়কলৈ যোৱা নেচনেল হাইওৱে ৰাস্তা আছে।

* শ্ৰীমতী বেনুপনা ৰাজখোৱা: মাননীয় অধ্যক্ষ মহোদয়, তাত দলং নাই।

* শ্ৰী নগেন শৰ্ম্মা: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিভিন্ন প্ৰতিষ্ঠানত বহু লাখ টকা দিবলগীয়া হৈ প্ৰাছে। ১৯৯৫-৯৬ চনৰ বিত্তীয় বছৰটোৰ ভিতৰত টকাখিনি দিলে ভাল হয়।

* Speech not Corrected.

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, টকা-খিনি দিয়া হৈছিল কিন্তু ডাইৰেক্টৰে মিচইউজ কৰিলে।

* শ্রী আলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্রীৰ আশ্বাসৰ পৰিপেক্ষিতত মই কব খুজিছো যে সাংস্কৃতিক কেন্দ্র জিলা পর্য্যায়ত কৰাৰ উপৰিও স্থানীয় লোক সকলৰ লগত যোগাযোগ কৰি থলুৱা গীত-মাতবিলাক সংৰক্ষণ কৰি ৰখাৰ ব্যৱস্থা কৰিব লাগে।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, সেইটো কৰা হৈছে আৰু কৰা হব।

Subject : Representation for the Recovery of Smti Swapna Namasudra

Shri Mission Ranjan Das asked.

* 24 Will the Hon'ble Chief Minister be pleased to State ?

a) What action was taken on the representation submitted to the S. P. Karimganj on 9-2-95 with copies to the Secretary Home and the I. G. P, C I. D, Assam for recovery of one Smt. Swapna Namasuda ?

b) Whether the girl has been recovered and handed over to her parent ?

c) If not, State reasons thereof ?

Shri Hiteswar Saikia (Chief Minister) replied

a) The matter has been enquired.

b) The girl could not traced so far.

c) Vigorons efforts are on to recover the girl.

Mr. Speaker : Now Quesion No. 25. Questioner Shri Madhusudan Tewari to be replied by Chief Minister

বিষয় : অগ্নিনির্ব্বাপক কেন্দ্র।

শ্রীমধুসূদন তেওয়াৰীয়ে জিজ্ঞাসা কৰছেন।

* ২৫। মাননীয় মুখ্য মন্ত্রী মহোদয়ে অনুগ্রহ কৰিয়া জনাবনেকি ?

ক) পাথাৰ কান্দিতে অগ্নি নিৰ্ব্বাপক কেন্দ্ৰৰ জন্য বহুদিনেৰ দাবী এবং এই বিষয়ে মুখ্যমন্ত্রী মহোদয়ে পাথাৰ কান্দিতে বলিছিলেন বিবেচনা কৰিবে তা অবগত আছেন কি ?

খ) যদি অবগত তাহা হইলে পাথাৰ কান্দিয়ে জন্য অগ্নি নির্ব্বাপক কেন্দ্ৰ স্থাপনেৰ প্ৰাৰ্থনা মঞ্জুৰ কৰিবেন কি ?

* Speech not Corrected

মাননীয় শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) য়ে উত্তৰ দিছে,

ক) হয়, অৱগত।

খ) বিত্তীয় অৱস্থা টনকীয়াল হলে পাথাৰ কান্দিত অগ্নি নির্ব্বাপক কেন্দ্র খোলাৰ ব্যৱস্থা কৰিব পৰা যাব।

* শ্রী মধুসূদন ডেওয়ারী : মাননীয় অধ্যক্ষ মহোদয়, আমি মাননীয় মুখ্য মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ কৰে বলতে চাই যে পাথারকান্দি জনসাধাৰণের বহুদিনের একটা দাবী হলো যে এখানে একটা অগ্নি নির্ব্বাপক কেন্দ্র স্থাপন হউক। কারন এই শহর করিমগঞ্জ শহর থেকে প্রায় ৪০ কি: মি: দূরে দক্ষিনপ্রান্তে অবস্থিত এবং এই অঞ্চল হলো সীনান্তবর্তী অঞ্চল। এখানে প্রতি বছরই আগুনে বহু সম্পত্তিৰ ক্ষতি হয়ে থাকে। কিছুদিন আগে মুখ্যমন্ত্রী মহোদয় যখন পাথারকান্দি সফরে গিয়েছিলেন তখন তার কাছে এ ব্যাপারে দাবী জানালে তিনি আশ্বাস দিয়েছিলেন যে পাথারকান্দিতে একটা অগ্নি নির্ব্বাপক কেন্দ্র স্থাপন করা হবে। কিন্তু এই কেন্দ্র এখন পর্য্যন্ত হয়নি। তাই আমি পুন:রায় দাবী রাখছি যে পাথার-কান্দির গুরুত্ব উপলব্ধি করে যেন সেখানে অতি শীঘ্র একটা অগ্নি নির্ব্বাপক কেন্দ্র স্থাপন করা হয়।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, পাথাৰ-কান্দি অগ্নি নির্ব্বাপক কেন্দ্রটো বাজেটত অহা বিত্তিয় বছৰ ১৯৯৫-৯৬ চনত স্থাপন কৰাৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

* Speech not Corrected

* শ্রীমতী ৰেনুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, লামডিংত অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ এটা স্থাপন কৰাৰ ব্যৱস্থা মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কৰিব নে ?

* শ্রীমতী ৰেনুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, মই এটা গুৰুত্বপূৰ্ণ কথা কব বিচাৰিছো লামডিংত অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ এটা দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, ব্যৱস্থা লোৱা হব।

* Sri Samarendra Narayan Sen : Hon'ble speaker Sir, will the Hon'ble Chief Minister will be pleased to state whether there is any proposed for giving a bile station at Silchar and whether it will be given in the carrent year ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, অহা বিত্তীয় বছৰত কিছু টকা ধৰা হৈছে। সেয়ে ব্যৱস্থা কৰা হব।

* শ্রীমতী ৰেনুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে পাথাৰ কান্দিত অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ দিয়াৰ কথা উল্লেখ কৰিলে। কিন্তু যোৱা বছৰ তিয়কত এটা অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ দাবী কৰাত মন্ত্ৰী মহোদয়ে বাহিৰত প্ৰতিশ্ৰুতি দিছে কিন্তু সদনত দিয়া নাই। এতিয়া এই সদনত এইটো বিত্তীয়

বছৰত এটা অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে দিয়াৰ ব্যৱস্থা কৰিব নে ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, প্ৰশ্নটো পাথাৰ কান্দিৰহে আছিল ।

* শ্ৰীমতী বেনুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ মজিয়াত প্ৰতিশ্ৰুতি দিব লাগে।

* শ্ৰী নজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, মই কোনো জিলা, মহকুমাৰ অগ্নি নিৰ্ব্বাপক কেন্দ্ৰৰ বিষয়ে কব বিচৰা নাই। মই গোটেই অসমৰ কথা কব বিচাৰিছো। ৪০-৫০ মাইলৰ অন্তৰে অন্তৰে একোখন অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ দিলে কোনো কামত নাহে। জন সংখ্যা অনুসৰি প্ৰত্যেক অঞ্চলতে অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই কৈছো যে অহা দ্বিতীয় বছৰত কিছু টকা ধৰা হৈছে। এতিয়া সেই টকাৰে যিমানখিনি পৰা যায় কৰা হব।

* শ্ৰী পানীৰাম ৰাভা : মাননীয় অধ্যক্ষ মহোদয়, নলবাৰী সমষ্টিৰ বাট-পথৰ অৱস্থা তেনেই শোচনীয়। গাড়ী-মটৰ যাব নোৱাৰে। নলবাৰী উত্তৰ অঞ্চলত কেতিয়াবা জুই লাগিলে জুই নুমোৱাবৰ কাৰণে অগ্নি নিৰ্ব্বাপক বাহিনী নথকাৰ কাৰণে বহুতৰ সম্পত্তি লোকচান হয়। মচলপুৰ, তামুলপুৰ আদিত কোনো সুবিধাই নাই। বৰমাত এটা বেটেলিয়ান আছে। তেখেত সকলে আমাক কৈছে যে অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ এটাৰ কাৰণে বিধান সভাত কথাটো উত্থাপন কৰিব

* Speech not corrected

লাগে। গতিকে মাননীয় মুখ্য মন্ত্রী মহোদয়ে বৰমাত এটা অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ খোলাৰ ব্যৱস্থা কৰিব নেকি ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই কৈছো ব্যৱস্থা কৰা হব।

* শ্ৰী জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা জিলাত যিটো অগ্নিনিৰ্ব্বাপক কেন্দ্ৰ আছে, সেইটো চহৰৰ পৰা বহু নিলগত আছে, গতিকে যেতিয়া চহৰত জুই লাগে তেতিয়া অগ্নি নিৰ্ব্বাপক বাহিনী আহি পাইমানে গোটেই খন ভস্মিভূত হৈ যায়। গতিকে চহৰৰ কাষতে এটা কেন্দ্ৰ খুলিব লাগে নতুবা বৰ্ত্তমান বাপুজীৰ পাৰ্কত নাৰাখি ৰৰপুখুৰীৰ ওচৰতেহে ৰাখিব লাগে আৰু তাত পানীয়ো আছে।

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : সেইটো বিবেচনা কৰা হব।

* শ্ৰী গহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক সকলে অসমৰ বিভিন্ন পুলিশ থানাৰ লগতে ৰাখিব পৰাকৈ একোটাকৈ অগ্নি নিৰ্ব্বাপক বাহিনীৰ কেন্দ্ৰ বিচাৰিছে, সেইটো ভাল কথা কিন্তু চৰকাৰে এইটো কথা জানেনে যে বৰ্ত্তমান যিবিলাক অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ আছে, সেইবিলাক অচল হৈ আছে, বেচিভাগ কেন্দ্ৰৰ অভিযোগ আহিছে যে, যিবিলাক পাইপ মেচিন ইত্যাদি ব্যৱহাৰ কৰা হৈছে সেইবিলাক আপুৰণী হৈছে আৰু পাইপ বিলাকে পানী টানিব নোৱাৰে ফলত জুই লাগিলে সেইবিলাক অগ্নিনিৰ্ব্বাপক বাহিনীৰ দ্বাৰা কোনো কামত নাহে। মই সাধাৰণ উদাহৰণ এটা দিও সিদিনা যেতিয়া নগাওত জুই লাগিল তেতিয়া নগাও কিয় মৰিগাও যোৰহাট আনকি গুৱাহাটিৰ পৰাও

অগ্নিনির্ব্বাপক বাহিনী আহিলে কিন্তু জুই নুমাব নোৱাৰিলে, ৰাতি ১ বজাৰ পৰা ৩ বজালৈ জুই লাগিব, গেছন ভস্মিভূত হৈ গল। গতিকে এই যিবিলাক অগ্নিনির্ব্বাপক গাড়ী আছে সেই বিলাক আৰু আওপূৰণি মামৰে খোৱা মেচিনাৰী আৰু পাইপ বিলাক মেৰামতি কৰি তাক অধিক কার্য্যক্ষম কৰি তোলাৰ কাৰণে ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিব নে, মই মুখ্যমন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় বিধায়ক ডাঙৰীয়াই যিটো কথা কৈছে সেইটো হয় সেই জুইলগা ঠাইলৈ মইয়ো গৈছিলো কিন্তু সেই অগ্নিকান্দ ইমান ভয়ানক আৰু ব্যাপক হৈছিল যে এজিচাটিং অগ্নিনির্ব্বাপকৰ দ্বাৰা সেই অগ্নি কাণ্ডপশমিত কৰাতো সম্ভৱ হৈ উঠা নাছিল। সেয়েহে এতিয়া ইলেকট্রিকেল চিচটেমৰ দ্বাৰা গেচ প্রয়োগ কৰি জুই নুমুৱাৰ পৰাকৈ ব্যৱস্থা লবলৈ চিন্তা কৰা হব।

* মৌলানা আব্দুল জেলিল ৰাগিৰী : অধ্যক্ষ মহোদয়, যমুনামুখ অভয়াপুৰীতো অগ্নিনির্ব্বাপক কেন্দ্র প্রতিষ্ঠা কৰাৰ কথা বিবেচনা কৰিব নে ?

মাননীয় অধ্যক্ষ : আপুনি নিজৰ সমষ্টিৰ কথা কওক।

* মৌলানা আব্দুল জেলীল ৰাগিৰী : বদৰপুৰ, যমুনামুখ আৰু অভয়াপুৰীতো অগ্নিনির্ব্বাপক ৰাহিনীৰ কেন্দ্র খুলিব নে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : বিবেচনা কৰা হব।

Speech not Corrected.

Mr. Speaker :- Now Question No. 26. Questioners Hon'ble Members 1. Sri Badan Baruah 2. Sri Hiteshwar Deka and 3. Sri Zo'i Nath Sarmah, Hon'ble Chief Menister will reply.

শ্রীবদন বরুৱা, শ্রীহীতেশ্বৰ ডেকা আৰু শ্রীজয়নাথ শর্ম্মাই সুধিছে।

বিষয়- টাডা আইনৰ অধীনত গ্রেপ্তাৰ।

* ২৬। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

ক) বর্ত্তমানৰ চৰকাৰৰ মুখ্যমন্ত্রী মাননীয় শইকীয়া ডাঙৰীয়াৰ কার্য্যকালত অর্থাৎ চৰকাৰ গঠন কৰা দিনৰে পৰা ১৯৯৫ চনৰ ২৮ ফেব্রুৱাৰী পর্যান্ত কিমানজন লোকক টাডা আইনৰ অধীনত গ্রেপ্তাৰ কৰা হৈছিল ?

খ) এতিয়ালৈ টাডা বন্দীৰ কিমানজনে গোচৰৰ বায়দানত নির্দোষী বুলি খালাছ পাইছে ?

গ) পুলিচৰ জিম্মাত মৃত্যু হোৱা টাডা বন্দীৰ সংখ্যা কিমান ?

ঘ) বর্ত্তমানে অসমৰ বিভিন্ন কাৰাগাৰত কিমান টাডা বন্দী আছে ? (বন্দী সকলৰ নাম, ঘৰৰ ঠিকনা আৰু কোন কাৰাগাৰত বন্দী হৈ আছে তাৰ এখন তালিকা সদনত দাখিল কৰিব)

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) উত্তৰ দিছে

ক) বর্ত্তমান চৰকাৰে কার্য্যভাৰ গ্রহন কৰাৰ পৰা ২৮-২-৯৫ তাৰিখলৈকে মুঠ ৬৪৮০ জন লোকক টাডা আইনত গ্রেপ্তাৰ কৰা হৈছে।

খ) বৰ্ত্তমান চৰকাৰৰ নিলত মুঠ ১১৯ জন টাডা বন্দীক আদালতে নিৰ্দোষী বুলি ৰায়দান কৰিছে।

গ) উক্ত সময়চোৱাত পুলিচৰ জিম্মাত মৃত্যু হোৱা টাডা বন্দীৰ সংখ্যা হ'ল— ১৯ জন।

ঘ) বৰ্ত্তমানে অসমৰ বিভিন্ন কাৰাগাৰত মুঠ ৪৬৬ জন টাডা বন্দী আছে। (বন্দী সকলৰ এখন তালিকা অনুবন্ধসূচী'ক 'গাঁঠি' দিয়া হৈছে)।

(See the Annexure—II)

* শ্ৰীবদন বড়ৰা : অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত কৈছে যে ৬৭৩৮ জনক টাডা আইনত গ্ৰেপ্তাৰ কৰা হৈছে কিন্তু প্ৰশ্নৰ উত্তৰত দিয়া আছে ৬৪৫০ জন, এতিয়া কোনটো সত্য হ'ব ? তাৰে ১১৯ জনক টাডা বন্দীক আদলতে নিৰ্দোষী বুলি প্ৰমাণিত কৰিছে তাৰোপৰি বিভিন্ন কাৰাগাৰত ৪৬৬ জন টাডা বন্দী আছে। এতিয়া কথা হ'ল পুলিচে এই নিৰ্দোষীলোক সকলক জধেমধে ধৰি নি গ্ৰেপ্তাৰ কৰিছে শাৰেই প্ৰমাণ ১১৯ জনক নিৰ্দোষী বুলি প্ৰমাণিত কৰিছে। এই কাৰ্যৰ দ্বাৰা মানুহৰ ব্যক্তিগত স্বাধীনতা হৰণ কৰা নাই জনো আৰু টাডা আইনৰ অপব্যৱহাৰ হোৱা নাই জানো ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : এই সম্পৰ্কত অভিযোগ মাজে-সময়ে আহি থাকে। তেখেতে যিটো ফিগাৰৰ কথা কৈছে কোনটো সত্য, সদনত মই যিটো পঢ়ি দিছো সেইটোয়েই সত্য শব্দ হ'ব লাগে তথাপিটো যদি শব্দ হোৱা নাই সেইটো। অপব্যৱহাৰ হৈ

থকা বুলি বহুতে অভিযোগ কৰি থাকে, টাডা আইনত কেন্দ্রীয় চৰকাৰে পুলিচৰ ওপৰতেই বেছি কৰ্তিত্ব দিছে, এই সম্পৰ্কত কেন্দ্রীয় চৰকাৰে গভীৰ ভাৱে চিন্তা কৰি আছে, ইয়াৰ পৰা আমি সুফল পাম বুলি আশা কৰি আছো।

* শ্রী দিলীপ শইকীয়া : যিহেতু টাডা আইনৰ অপপ্রয়োগ হৈ আছে তেনে ক্ষেত্রত মুখ্যমন্ত্রী মহোদয়ে কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰি ৰিফৰ্ম কৰাৰ কাৰণে ব্যৱস্থা লৈছে নেকি ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অপপ্রয়োগ হোৱা বুলি মই কোৱা নাই কিন্তু অভিযোগ আহি থাকে তেখেতে কৈছে এই বিষয়ে কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ কেন্দ্রীয় চৰকাৰে নিজেই এই বিষয়ে সুনিশ্চিত বিবেচনা কৰি আছে।

* শ্রী হিতেশ্বৰ ডেকা : এই যে ইমান জনলোক টাডা আইনত গ্রেপ্তাৰ কৰা হৈছে তাৰে কিমান জন লোকক দোষী সাব্যস্ত কৰা হৈছে আৰু যিখিনি পুলিচৰ জিম্মাতয়ুত্য তেওঁলোকৰ তদন্তৰ ব্যৱস্থা কৰিছে নেকি ?

* শ্রী গহীন চন্দ্র দাস : তদন্তৰ কথা কৈছে কিন্তু কেচবিলাকৰ চার্জ-চিট চলি আছে, তদন্তৰ ৰিজাল্টটো সোনকালে দিব লাগে।

* শ্রী চন্দ্র মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, আজি যিটো দেখা গৈছে পুলিশে তেওঁলোকৰ ইস্তোমতে অধে-মধে নির্দ্দোষী লোকক গ্রেপ্তাৰ কৰিছে, গতিকে এই ক্ষেত্রত এটা ইন্সট্রাকশ্যন দিব লাগে। গ্রেপ্তাৰ

* Speech not corrected

কৰাৰ পিছত টাডা বন্দীক আদালতলৈ পঠোৱাৰ ক্ষেত্ৰত পুলিশে কেচ ডায়েৰীটো পঠোৱাৰ ক্ষেত্ৰত নানা ধৰণৰ গাফিলতি কৰা দেখা যায়, পইচা পাতি লৈ আহিলে সোনকালে পঠিয়াই দিয়ে আৰু কেতিয়াবা সৰহকৈ পইচা পাতি লৈ আহিলে কেচটো উজু হোৱাকৈ লিখি দিম বুলি কয় আৰু যিমান পইচা বেচি হয় সিমানকৈ ভাল হব বুলি কয় : গতিকে এই সম্পৰ্কত বিহিত ব্যৱস্থা লোৱাৰ কাৰণে নিৰ্দ্দেশ দিব নেকি ?

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী : আমাৰ ইয়াত ৫ খন টাডা কোৰ্ট আছে, তাৰো জানো সুফল পোৱা যাব ?

* শ্ৰী চন্দন সৰকাৰ : এ জি পি আমোলত কিমান জন টাডা আইনত বন্দী আছিল আৰু এতিয়া কিমান জন আছে সেইটো জনাবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : পাটোৱাৰী ডাঙৰীয়াই যিটো কৈছে কেছ ডাইৰী ক্ষেত্ৰত পুলিছে অসত উপায় অৱলম্বন কৰে, সেইটো নহয়, সকলো পুলিছে অসত বুলি ধৰিব নোৱাৰি। টাদা আইন সম্পৰ্কে গোটেই ভাৰতবৰ্ষতে এটা আলোচনা চলি আছে। কেনেকৈ টাদা আইন আহিল এই বিষয়ে কেন্দ্ৰিয় চৰকাৰে লোক সভাত উত্তৰ দিছে। কি পৰিবেশত, কি পৰিস্থিতিত এই আইন ইয়ালৈ অনা হ'ল, চৰকাৰৰ সংকিৰ্ণ পৰিস্থিতিৰ বাবে এনে হৈছে সকলোৱে জানে। কিন্তু মাননীয় সদস্য মিলন বড়োই কৈছে যে বড়ো সকলক ধৰিবলৈ হে এই আইন অনা হৈছে। সেইটো নহয়। এটা পৰিস্থিতি চাই কাম কৰা হয়। বহুত বিবেচনা কৰি ক্ষমতা ব্যৱহাৰ

* Speech not Corrected

কৰিছিল। পৰিস্থিতিৰ পুনৰ সংগঠন কৰিবলৈ আইনো কৰিবলৈ বাধ্য হয়। মাননীয় সদস্য গৰাকীয়ে কৈছে যে কেন্দ্ৰিয় চৰকাৰৰ আইন খন ৰ'দ কৰিবলৈ জনাব লাগে। কেন্দ্ৰিয় চৰকাৰে এই বিষয়ে ইতিমধ্যে টেক আপ কৰিছে।

* শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, এই আইন খন চেণ্টেল এক্ট। তেওঁলোকে বিভিন্ন পৰিস্থিতিৰ বিবেচনা কৰিছে। কোৱা হৈছে যে মাইনৰিটি ক্ষেত্ৰত এই আইনৰ মিচ উজ হোৱা নাই। তাৰ মানে কোৱা হৈছে মেজৰিটিৰ ক্ষেত্ৰত মিচ ইউজ হৈছে। গতিকে অসমৰ ভিতৰত যাতে এই আইনৰ মিচ ইউজ নহয় তাৰ বাবে মুখ্য মন্ত্ৰীয়ে এটা নিৰ্দ্দেশ দিবনে ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : এই বিষয়ে বহুত বাৰ কোৱা হৈছে। এই ক্ষেত্ৰত কেইটামান প্ৰশ্ন আছে। টাডা আইনৰ ক্ষেত্ৰত গনপৰিষদৰ দিনত ৫০৩৬ জন গ্ৰেপ্তাৰ কৰা হৈছিল। ৰাষ্ট্ৰপতিৰ শাসনত ২২১৯ জন। এতিয়া আছে ৪৬৪ জন। গণপৰিষদৰ সময়ত ৩৪৯৫ জন আছিল। মুঠতে টাদা বন্দী গ্ৰেপ্তাৰ কৰা হৈছিল, হিন্দু ১৩১২৪, মুছলিম হৈছে ৪৮৮ খৃষ্টান ১৯ চিৰ ২ বুদ্ধিষ্ট হৈছে ৩। এতিয়া হৈছে হিন্দু ৪০১, মুছলিম ১৯ আৰু খৃষ্টান ৫৪।

* শ্ৰী আলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, টাদা আইনত যথেষ্ট মিচইউজ হৈছে ৮০ বছৰীয়া মৌলবী এজনক বিলাসী পাৰাৰ এচ, ডি, পিও ই ধৰি লৈ গৈছে। হকালাগোৱা স্কুলৰ কেৰানীৰ ঘৰৰ পৰা ৫ হাজাৰ টকা আনিছে। সেই টকাটো আনি খালাচ

* Speech not Corrected.

কৰি আনিছে। কিন্তু পাছত আকৌ তেওঁক ধৰি লৈ যোৱা হৈছে। কোনোবা আলফাক যদি এনে কৰে কৰক। কিন্তু চালফাৰ নামত ঘৰৰ তাই ককাই, ভনীৰ ওপৰত যদি এনে অত্যাচাৰ হয় তেতিয়ালৈ কি হব ?

* শ্রী হিতেশ্বৰ শইকীয়া : (মুখ্য মন্ত্রী) মই ৰিপোৰ্টটো পাইছো মেডিং কেলত তেওঁক অসুখৰ কাৰণে থোৱা হৈছিল। কিন্তু অসুখ ভাল পোৱাৰ পাচত যিহেতু তেওঁ হত্যাকাণ্ডটোৰ লগত জৰিত আছিল তেওঁক পুনৰ গ্রেপ্তাৰ কৰা হয়। মহিলা এজনক ইণ্টাৰোগেচনৰ কাৰণে নিলে এৰেষ্ট কৰা নহয়। এচ, পি, বিলাসীপাৰাত এই বিষয়ে নির্দ্দেশ দিয়া হৈছে।

* শ্রী শশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, আজি সকলো সদস্যই আনকি ৰুলিং পার্টিৰ সদস্য ও টাদা আইনৰ মিচ ইউজ হোৱা কথাটো কৈছে। এই সম্পর্কত মই মাননীয় মুখ্য মন্ত্রীৰ পৰা এটি আশ্বাস বিচাৰিছো। এই সদনত আমি সকলোৱে মিলি এটা প্রস্তাৱ লৰ নোৱাৰোনে যে অসমৰ পৰা এই আইন খন উঠাই লব লাগে ? মুখ্য মন্ত্রীৰ জৰিয়তে এই প্রস্তাৱ গ্রহণ কৰিলে, অসমৰ বাইজে আৰু জীয়াতু ভোগিব নালাগে।

(Starred Quetion Nos 27 to 40 could not be taken up for disposal as the Quetion hour is over, However the replies the said quetions deemed to have been said on the table of the house.)

* Speech not Corrected

শ্রী ৰামেশ্ৱৰ ধানোৱাৰে সুধিছে,

বিষয় : কার্য্যালয় স্থানান্তৰ।

মাননীয় মূখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

* ২৭। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) তিনিচুকীয়া জিলা গঠন হোৱাৰ পৰা আজিলৈকে কিমানটা বিভাগৰ কার্য্যালয় ইয়ালৈ স্থানান্তৰিত হোৱা নাই, বিভাগৰ নাম সহ জনাবনে ?

খ) বিভাগবোৰ তিনিচুকীয়া জিলালৈ কেতিয়ালৈকে অনাৰ ব্যৱস্থা চৰকাৰে কৰিছে জনাবনে ?

শ্রীহিতেশ্ৱৰ শইকীয়া (মুখ্য মন্ত্রী) য়ে উত্তৰ দিছে :

ক) তিনিচুকীয়া জিলা গঠন হোৱাৰ পৰা আজিলৈকে তলত উল্লেখ কৰা বিভাগৰ কার্য্যালয় তিনিচুকীয়ালৈ স্থানান্তৰিত হোৱা নাই।

১। জিলা পৰিচালক উদ্যোগ বিভাগ।

২। উপ-সঞ্চালক, নগৰ উন্নয়ন পৰিকল্পনা বিভাগ।

৩। জিলা পশুধন আৰু পন্তুপালন বিভাগ।

৪। উপ-পঞ্জীয়ক, সমবায় বিভাগ।

৫। জিলা সমাজ কল্যাণ বিভাগ।

৬। জিলা প্রাপ্ত বয়স্ক শিক্ষা বিষয়াৰ কার্য্যালয়।

৭। সহকাৰী সঞ্চালক, হস্ত-তাৰ্ত শিল্প বিভাগ।

৮। জিলা সামাজিক বননিবাৰণ বিভাগ।

৯। মহকুমা বিষয়া ভুমি সংৰক্ষণ বিভাগ।

১০। জিলা যুব ক্রীয়া উন্নয়ন বিভাগ।

১১। উপসঞ্চালক পৰিসংখ্যা বিভাগ।

১২। কার্য্যবাহী অভিযন্তা, ক্ষুদ্র জলসিঞ্চন বিভাগ।

১৩। জিলা খাদী গ্রামোদ্যোগ বিভাগ।

১৪। জিলা পুথিভৰাল।

১৫। সহকাৰি দুগ্ধ উন্নয়ন বিভাগ।

১৬। কার্য্যবাহী অভিযন্তা (কাৰিকৰি) জলসিঞ্চন বিভাগ।

১৭। কার্য্যবাহী অভিযন্তা বান্ধ নির্ম্মান বিভাগ।

১৮। কার্য্যবাহী অভিযন্তা গড়কাপ্তানি বিভাগ (ৰাষ্ট্রীয় পথ বিভাগ।

ক) সকলো মুৰব্বী বিভাগক তেওঁলোকৰ অধীনত থকা বিভাগ ৰিলাক তিনিচুকীয়ালৈ স্থানান্তৰিত কৰাৰ কাৰণে কোৱা হৈছে। এই সন্দর্ভত নির্দ্দিষ্ট সময় দিয়া সম্ভৱ নহয়।

বিষয় : আলফাৰ সংখ্যা।

শ্রী গহীন চন্দ্র দাস, আৰু শ্রী মুনিন মহন্তই সুধিছে।

* ২৮। মাননীয় মুখ্য মন্ত্রী মহোদয়, অনুগ্রহ কৰি জনাবনে?

ক) অসমত বর্ত্তমান কিমান সংখ্যক আলফা আছে বুলি ভাৱে?

খ) তাৰে কিমান আত্ম সমর্পন কৰিলে?

গ) এই সকলক কেনে ধৰণেৰে সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে?

শ্রীহিতেশ্বৰ শইকীয়া মুখ্য মন্ত্রীয়ে উত্তৰ দিছে,

ক) অনুমান কৰা হৈছে যে অসমত বর্ত্তমান ৪০০ ৰ পৰা ৫০০ জন

সক্রিয় আলোচনা বিৰোধী আলফা সদস্য আছে।

খ) তাৰে ভিতৰত কোনো সদস্যই আত্মসমর্পন কৰা নাই।

গ) এই সকলক অর্থাৎ সক্রিয় আলোচনা বিৰোধী সদস্য সকলক সংস্থাপন দিয়াৰ প্রশ্ন নুঠে।

বিষয় : বাতাবাৰীতে অগ্নিকান্দ

শ্রীৰামপ্যাৰে ৰবি দাসে সুধিছে।

* ১৯। মাননীয় মুখ্যমন্ত্রী মহোদয় অনুগ্রহ কৰিয়া জানাবেন কি?

ক) বিগত ১৭-১-৯৫ ও ১৯-১-৯৫ ইং তারিখে রাতাবাড়ী থানার অন্তর্গত বাজারঘাট, কাজির বাজর ও চর গোলায় চা বাগানের যে ভয়ৱহ অগ্নিকান্দ হয়েছিল সরকার কি এ ব্যাপারে অবগত আছেন? উল্লেখিত অগ্নিকান্দ গুরির কারণ কি ছিলো?

খ) অগ্নিকান্দ ঘটার সময় কোন অগ্নি নির্ব্বাপক বাহিনী (ফায়ার ব্রিগেড) আগুর নিভাতে সাহার্য্য করেছিলো কি? যদি না, কেন?

গ) অগ্নিকান্দ গুলিতে ক্ষতিগ্রস্থদের জন্য সরকার হইতে কোন প্রকার আর্থিক অনুদানের (ফাইনেনচিয়েল এইদচ) ব্যরস্থা করা হয়েছে কি? যদি হ্যা, তবে ক্ষতিগ্রস্তদের নামের তালিকা এবং অনুদানের পরিমান সহ বিবরণ সদনে দাখিল করিবেন? যদি না, কেন?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) য়ে উত্তৰ দিছে,

ক) হয়,

অগ্নিকান্দৰ কাৰণ সমূহ এনেধৰণৰ :—

১। ১৮-১-৯৫ তাৰিখে বজাৰঘাট অগ্নিকান্দ বিজুলী প্ৰবাহৰ বিজুতী (Electrical short circuit) ৰ কামৰ সংঘটিত হৈছিল।

২। ১৯-১-৯৫ তাৰিখে চাহ দোকানৰ ৰান্ধনী ঘৰৰ পৰা হোৱা দুৰ্ঘটনাৰ বাবে কাজিৰ বজাৰৰ অগ্নিকান্দ সংঘটিত হৈছিল।

৩। ২০-১-৯৫ তাৰিখে চৰগোলাত হোৱা অগ্নিকান্দৰ কাৰণো বিজুলী প্ৰবাহৰ বিজুতী (Electrical short circuit) বুলি থাৰৰ কৰা হৈছে।

খ) হয়, যথাসময়ত অগ্নি নিৰ্ব্বাপক বাহিনীয়ে ঘটনা স্থলীত উপস্থিত হৈ জুই নুমোৱাৰ ব্যৱস্থা কৰিছিল।

গ) হয়, সাহাৰ্য্যবিধিৰ নিয়মানুসাৰে অগ্নিকান্দত ক্ষতিগ্ৰস্ত ঘৰৰ মালিক সকলক প্ৰতিজনকে নগদ ৫০০'০০ (পাচ শ) টকাকৈ পুনৰ সংস্থাপনৰ বাবে সাহায্য দিয়া হৈছে। তেওঁলোকৰ নাম যথাক্ৰমে তলত দিয়া হ'ল।

১। মৌলবী জকাৰ আলি।
২। ৰফিক আহমেদ।
৩। আব্দুল মতিন :
৪। মঃ বাৰ আলি।
৫। আব্দুল মান্নান
৬। হাজিব মতাবুদ্দিন।
৭। আচাদুদ্দিন।
৮। মঃ কেৰামত আলি।
৯। মিৰজান আলি।
১০। মঃ চবুদ্দিন।

১১। মঃ বিয়াচদ আলি।

১২। মঃ চনুহৰ আলি।

১৩। মঃ ইছাক আলি।

১৪। মঃ চুনাহৰ আলি।

১৫। আব্দুল মান্নান।

১৬। অনিরুদ্ধ প্রসাদ।

১৭। মঃ ফকক আহমেদ।

১৮। শ্রী মানিক চন্দ্র পাল।

১৯। শ্রী মিন্তু পাল।

২০। মঃ কামালুদ্দিন।

২১। অসীম নাথ।

২২। মঃ হুমায়ুন কবিৰ।

২৩। পৰিমল পুৰাকায়স্থ।

২৪। মঃ ইলাচ আলি।

২৫। শ্রী মানিক হুৰ।

২৬। শ্রী চনু দাস।

২৭। শ্রী ৰাকেশ মহন্ত।

২৮। শ্রী বিৰেন্দ্র ভৌমিক।

২৯। মঃ জুনাব আলি।

বিষয় : টাউন কমিটিৰ অর্থ মঞ্জুরীতে বৈষম্য।

শ্রী প্রনব কুমাৰ নাথ জিজ্ঞাসা কৰছেন,

* ৩১। মাননীয় পৌৰ প্রশাসন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি :

ক) আসাম সরকার ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪, ১৯৯৪-৯৫, ১৯৯৫-৯৬ অর্থ বর্ষ অনুযায়ী রাজ্যের মিউনিচিপালিটি ও টাউন কমিটি গুলিকে কত টাকা করে আর্থিক অনুদান মঞ্জুরী দিয়েছেন প্রতিটি জিলাব অর্থ বর্ষ অনুযায়ী মিউনিচিপালিটি ও টাউন কমিটি গুলিতে প্রদত্ত আর্থিক অনুদানের বিশদ হিসাব সহ পূর্ণ তালিকা সদনের মেজেতে দাখিল করিবেন।

খ) করিমগঞ্জ জিলার একমাত্র মন্ত্রীর নিজের সমষ্টির কেবল বদরপুর টাউন কমিটিকে আর্থিক মঞ্জুরী দেওয়ার ব্যাপারে বর্ত্তমান সরকারের বৈষম্য মূলক আচরণ করার কারণ কি ?

শ্রী দেবানন্দ কোৱৰ (পৌৰ প্রশাসম মন্ত্রী) য়ে উত্তর দিছেন।

ক) ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩, ১৯৯৩-৯৪ সনের সম্পূর্ণ তালিকা এই সঙ্গে সংলগ্ন করিয়া দেওনা হইল।

(See the Annuxure III)

এখন পর্য্যন্ত ১৯৯৪-৯৫, সনের জন্য কোনও আর্থিক অনুদান মঞ্জুরী দেওয়া হয় নাই। ১৯৯৫-৯৬ সনের অর্থ সাহায্যের কোনও প্রশ্নই উঠে না।

খ) একটি নগরের জনসংখ্যা, মাটি কালির পরিমাণ গড়কাপ্তানী বিভাগের পথের দৈর্ঘতা, যানবাহনের কর সাগ্রহ, যাতায়ত ব্যবস্থা ইত্যাদির উপর ভিত্তি করিয়া আর্থিক মঞ্জুরীর পরিমাণ ঠিক করা হয়। কোনও বৈষম্য মুলক আচরনের কোনও প্রশ্ন উঠেনা।

বিষয় : স্কুলীয়া ছাত্রী ধর্ষণ

শ্রী ফণীভুষণ চৌধুৰী আৰু শ্রীপৰিমল শুক্লবৈদ্য ই সুধিছে,

* ৩০। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) যোৱা ৩-১-৯৫ ইংৰাজী তাৰিখে বীৰঝৰা ছোৱালী হাইস্কুলৰ ছাত্রী শ্রীমতী ৰঞ্জিতা দত্তক ধর্ষণ তথা হত্যা কৰি মহাবীৰ স্থানত ৰেল-লাইনত পেলাই থৈ যোৱা কথাটো সচাঁনে ?

খ) যদি সঁচা হয়, উক্ত গোচৰ সংক্রান্তত এতিয়ালৈকে কিমানজনক গ্রেপ্তাৰ কৰা হৈছে ?

গ) গ্রেপ্তাৰ কৰা আচামী কেইজন প্রকৃত দোষীনে ?

ঘ) যদি প্রকৃত দোষী নহয় প্রকৃত দোষী গ্রেপ্তাৰ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্রীযুত হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) য়ে উত্তৰ দিছে :

ক) হয়, ঘটনাটো সচাঁ।

খ) এতিয়ালৈকে ৫ জন ব্যক্তিক গ্রেপ্তাৰ কৰা হৈছে।

গ) গ্রেপ্তাৰ হোৱা ব্যক্তি কেইজন উক্ত ঘটনাৰ লগত জড়িত।

ঘ) প্রকৃত দোষীক চিনাক্ত কৰা হৈছে।

বিষয় : আত্মসমর্পণকাৰীক সংস্থাপন।

শ্রী বীৰেন বৰগয়াৰীয়ে সুধিছে,

* ৩২। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) ১৯৯৩ চনৰ ২০ ফেব্রুৱাৰীত স্বাক্ষৰিত বড়োলেণ্ড চুক্তি অনুসৰি আত্মসমৰ্পণ কৰা Bodo militant সকলৰ কিমান জনক পুনৰ সংস্থাপন দিয়া হ'ল ? (নামৰ তালিকা সদনত দাখিল কৰিবলৈ অনুৰোধ কৰা হ'ল)

খ) এতিয়ালৈকে কিমানজন আত্মসমৰ্পণকাৰীক পুনৰ সংস্থাপন দিবলৈ বাকী আছে ?

গ) পুনৰ সংস্থাপনৰ কাম কেতিয়া সম্পূৰ্ণ হব ?

ঘ) বড়োলেণ্ড আন্দোলনকাৰীৰ কিমানজনৰ গোচৰসমূহ প্ৰত্যাহাৰ কৰা হ'ল ? (নামৰ তালিকা সদনত দাখিল কৰিবলৈ অনুৰোধ কৰা হ'ল)

ঙ) যদি এতিয়ালৈকে গোচৰ প্ৰত্যাহাৰ কৰা হোৱা নাই কিয় হোৱা নাই আৰু কেতিয়া কৰা হব ?

চ) BLP ৰ তিনিজন সদস্যৰ গোচৰ সমূহ প্ৰত্যাহাৰ কৰা হল নেকি ?

ছ) যদি হোৱা নাই কেতিয়া কৰা হব ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :—

ক) আত্মসমৰ্পনকাৰী Bodo militant সকলৰ বৰ্ত্তমানলৈ ৪৬২ জনক পুনৰ সংস্থাপন দিয়া হৈছে। নামৰ তালিকা অনুসুচী- ১ত দিয়া হ'ল।

(See the Annuxure—IV)

খ) তথ্যমতে ১৪১০ জন আত্মসমৰ্পনকাৰীক পূনৰ সংস্থাপন দিবলৈ বাকী আছে ?

গ) ১৯৯৫-৯৬ বিত্তীয় বর্ষৰ ভিতৰত পুনৰ সংস্থাপনৰ কাম সম্পূর্ণ হব বুলি আশা কৰা হৈছে।

ঘ) বড়োলেণ্ড আন্দোলনকাৰীৰ মুঠ ২১০ জন লোকৰ বিৰুদ্ধে থকা গোচৰ সমূহ প্রত্যাহাৰ কৰা হৈছে। নামৰ তালিকা অনুসুচী-২ত দিয়া হ'ল।

ঙ) গোচৰ প্রত্যাহাৰ বিবেচনা সংক্রান্তত চৰকাৰে জিলা ভিত্তিত Screening Committee, State Level Review Committee আৰু এখন Sub-Committee গঠন কৰি দিয়া হৈছে।

চ) BLP ৰ তিনিজন সদস্যৰ বিৰুদ্ধে থকা গোচৰ সমুহ প্রত্যাহাৰ কৰা হোৱা নাই।

ছ) ওপৰৰ উত্তৰ (ঙ)ত উল্লেখ কৰা কলিটীৰোৰক এই সংক্রান্তত বিবেচনাৰ কাৰণে কতৃত্ব দিয়া হৈছে।

বিষয় : হত্যাকাণ্ড অপহৰন ইত্যাদি।

শ্রী দিলীপ কুমাৰ শইকীয়াই সুধিছে,

৩৩। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) বর্ত্তমান চৰকাৰে কার্যভাৰ গ্রহণ কৰাৰ পিছত আজিলৈকে কিমান গৰাকী লোকৰ হত্যা কৰা হ'ল, কিমান গৰাকীৰ অপহৰণ, কিমান গৰাকী মহিলাক ধর্ষণ কৰা হ'ল, কিমানটা বলপূর্ব্বক ধনসংগ্রহৰ ঘটনা সংঘটিত হ'ল জিলাভিত্তিত প্রতিবেদন দাখিল কৰিব ?

খ) সাম্প্রদায়িক সংঘর্ষত সর্বমুঠ কিমান টকাৰ সা-সম্পত্তি লোকচান হ'ল জিলা ভিত্তিত প্রতিবেদন দাখিল কৰিব ?

গ) বর্ত্তমান চৰকাৰৰ দিনত আজি তাৰিখলৈকে কিমানজন সামৰিক বাহিনী অৰ্দ্ধ সামৰিক বাহিনী, কেন্দ্ৰীয় সংৰক্ষিত বাহিনী, পুলিচ বাহিনীৰ লোক নিহত আৰু আহত হ'ল? এই লোক সকলৰ পৰিয়াল বৰ্গলৈ কোনো সাহায্য অথবা কৰ্ম সংস্থাপনৰ ব্যৱস্থা কৰিছে নেকি? জিলা ভিত্তিত প্ৰতিবেদন দাখিল কৰিব?

ঘ) ৰাজ্য চৰকাৰে ঘোষণা কৰি থকা আত্মসমৰ্পণকাৰী উগ্রপন্থীৰ সংখ্যা কিমান? ইয়াৰ ভিতৰত কিমান গৰাকী উচ্চ প্ৰশিক্ষণ প্ৰাপ্ত তেওঁলোকে জমা দিয়া বিদেশী অস্ত্ৰৰ লগতে জিলা ভিত্তিত দলৰ সংখ্যাৰ তালিকা দাখিল কৰিব?

শ্রীযুত হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) য়ে উত্তৰ দিছে:

ক) পৰিশিষ্ট 'ক'ত তথ্যসমূহ দেখুওৱা হ'ল।

(See the Annuxure—V)

খ) পৰিশিষ্ট 'B'ত তথ্যবোৰ দিয়া হ'ল।

(See the Annuxure—VI)

গ) পুলিচ বাহিনীৰ নিহতৰ সংখ্যা — ৯৯ জন

আহতৰ সংখ্যা — ১৭৯ জন

সামৰিক বাহিনীৰ নিহতৰ সংখ্যা — ১৫ জন

আহতৰ সংখ্যা — ৮ জন

কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ নিহতৰ সংখ্যা— ৫ জন

আহতৰ সংখ্যা —— ৩ জন

অৰ্ধসামৰিক বাহিনীৰ নিহতৰ সংখ্যা -- ২৮ জন

আহতৰ সংখ্যা — ২২ জন

৪৫ জনক মুঠ ১৪, ৩০,০০০'০০ টকাৰ সাহায্য এতিয়ালৈকে দিয়া হৈছে। ৮ জন মৃতকৰ পৰিয়ালবলোকক নিম্নবর্গৰ সহায়কৰ পদত মকৰল কৰা হৈছে আৰু কনিষ্টবল পদৰ বাবে ১০ জনৰ নাম বিবেচিত হৈছে (পৰিশিষ্ট গ) ANNEXURE (C)

(See the Annuxure—VII)

খ) আত্মসমর্পনকাৰীৰ সংখ্যা — ৪৮৬১ জন।

আত্মসমর্পনকাৰীৰ সৰহ সংখ্যাকেই কাচিন ইণ্ডিপেনডেণ্ট আর্মি আৰু এম-এছ-চি-এনৰ দুর্ধর্ষ গেৰিলাৰ দ্বাৰা সংগঠিত প্রশিক্ষণ শিবিৰত অত্যাধুনিক অস্ত্র চালনাৰ প্রশিক্ষণ প্রাপ্ত।

আত্মসমর্পনকাৰীয়ে জমা দিয়া অস্ত্র-শস্ত্রৰ জিলা ভিত্তিত তালিকা এনেধৰণৰ : (পৰিশিষ্ট—ঘ) (ANNEXURE (D)

(See the Annuxure—VIII)

বিষয় : নিহত যুৱকৰ পৰিয়াললৈ আর্থিক সাহায্য।

শ্রীৰূপম কুর্ম্মিয়ে সুধিছে,

মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) চৰকাৰ অৱগত যে যোৱা ১৯৯৩ চনত বহাগ মাহত দুজন যুৱকক নগা দুবৃর্ত্তই নির্ম্মম ভাৰে দিছে ভেলীত ৰনাঞ্চলত হত্যা কৰিছিল আৰু নগা ৰাজ্য চৰকাৰে সেই হত্যা হোৱা যুৱক দুজনৰ পৰিয়াল লৈ আর্থিক সাহায্য দিয়াৰ কথা ঘোষণা কৰিছিল ?

খ) যদি অবগত কিয় সাহায্য দিয়া হোৱা নাই আৰু কেতিয়াকৈ সাহায্য দিয়াৰ ব্যৱস্থা কৰিব ?

শ্রীযুত হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী)য়ে উত্তৰ দিছে।

ক) হয়। চৰকাৰ অৱগত। নগালেণ্ড চৰকাৰে এতিয়ালৈ অর্থ সাহার্য্য

দিয়াৰ কথা ঘোষণা কৰা নাই। অসম চৰকাৰে উক্ত মৃত ব্যক্তি দুজনৰ প্ৰত্যেক পৰিয়াললৈ ১৫,০০০'০০ (পোন্ধৰ হাজাৰ) টকাৰ অৰ্থ সাহায্য দিছে।

খ) প্ৰশ্ন নুঠে।

বিষয় ঃ সাধাৰণ প্ৰশাসনীয় সা-সুবিধা।

শ্ৰী আলাউদ্দিন সৰকাৰে সুধিছে,

৩৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) গোলোকগঞ্জ সমষ্টিৰ গঙ্গাধৰ নদীৰ পশ্চিমপাৰৰ গোসাইগাওঁ সমষ্টিৰ ৰাজহ গাওঁ সমূহ ধুবুৰী জিলাৰ অন্তৰ্ভুক্ত কৰি জনসাধাৰণলৈ সাধাৰণ প্ৰশাসনীয় সা সুবিধা আগবঢ়োৱাৰ বাবে চৰকাৰে যি আশ্বাস দিয়া হৈছিল আৰু কাৰ্য্যকৰি কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে নে ?

খ) যদি হৈছে কিমান দিনত উক্ত ব্যৱস্থা কাৰ্য্যকৰী কৰা হব ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) চৰকাৰৰ বিবেচনাধীন হৈ আছে।

খ) নিৰ্দ্দিষ্ট সময় দিয়া সম্ভৱ নহয়।

বিষয় : পাৰপত্ৰ

শ্ৰী মৌলানা আব্দুল জলিল ৰাগিৰীয়ে সুধিছে,

৩৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) পাৰ পত্ৰৰ বাবে আবেদন কৰাৰ ১ (এক) মাহৰ ভিতৰত যদি আৰক্ষীৰ তদন্তৰ প্ৰতিবেদনৰ পাৰ পত্ৰ বিভাগলৈ নাহে তেন্তে পাৰ পত্ৰ দৰ্খাস্তকাৰীয়ে পাই যাব লাগে আৰু আৰক্ষীৰ তদন্ত প্ৰতিবেদনৰ অপেক্ষাত পাৰ পত্ৰ জাৰি কৰা বন্ধ ৰাখিব নালাগে বুলি কেন্দ্ৰীয় চৰকাৰে ইতিপূৰ্ব্বে এহ মৰ্ম্মে সংবিধান সংশোধন কৰাটো সঁচা নে ?

খ) যদি সঁচা হয় সেই পৰিবৰ্ত্তীত নিয়ম অনুযায়ী আমাৰ অসমত পাৰ পত্ৰ বিভাগে কাম কৰিছে নে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) পাৰ পত্ৰ দিয়া বিষয়টো ভাৰত চৰকাৰৰ নিয়ন্ত্ৰনাধীন।

খ) প্ৰশ্ন নুঠে।

Sub : Open cast mining of coal.

Shri Sasha Kamal Handique, asked

* 37. Will the Minister of Mines and Minerals be pleased to state ?

a) Whether it is fact that illegal open cast mining of coal is going on the Tipam Hill and Abheyapuri in the circle of Naharkatia Dist. Dibrugarh ?

Shri Hiteswar Saikia, (Minister, Mines & Minerals Deptt) replied

b) A report was received on illegal mining of coal at Abhoyapuri in the circle of Naharkatia. Dist. Dibrugarh, but there is no report of illegal mining of Coal at Tipam Hill.

বিষয়ঃ বিভাগৰ ষ্টাফ পেটার্ণ।

শ্রীযতীন মালীয়ে সুধিছে,

* ৩৮। মাননীয় মুখ্য মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) ভিজিলেন্স আৰু এণ্টিকৰাপচন বিভাগটো কেতিয়া গঠন কৰিছিল ?

খ) বৰ্ত্তমান তাৰ ষ্টাফ পেটার্ণ সম্পৰ্কে জনাবনে ?

গ) আৰম্ভ হোৱাৰ দিনৰে পৰা ১ জানুৱাৰী '৯৫ পর্য্যন্ত বিভাগটোৱে মুঠ কিমান কেছ লৈছিল আৰু বৰ্ত্তমানলৈ কিমানটা কেছ ডিজ-পোজ কৰিলে জনাবনে ?

ঘ) এতিয়ালৈকে বহু কেছ দীর্ঘদিন ধৰি পেনদিং হৈ থকাটো সঁচানে ? যদি আছে তেন্তে আটাইতকৈ অধিক সময় পেনদিং হৈ থকা ৩০ টা তেনে কেছৰ নাম কবনে ?

চ) কেছবোৰ পেনদিং দীর্ঘদিন ধৰি হৈ থকাৰ কাৰণবোৰ বাৰু কি কি ?

চ) বিভাগটোক 'স্বতন্ত্ৰ' বুলি স্বীকৃতি দি কাম কাজ চলাবলৈ দিব নোৱাৰিনে ?

ছ) বিভাগটোৰ বিষয়া সকলে মুকলি মুৰীয়াকৈ কাম কৰাত পৰোক্ষ বাধা থকা বুলি বহুতে আলোচনা কৰা কথাটোৰ ভিত্তি সম্পৰ্কে কিবা কবনে ?

মাননীয় শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) য়ে উত্তৰ দিছে।

ক) ডি, আই, জি চি, আই, ডি-ৰ অধীনত দুৰ্নীতি নিৰীক্ষণ ও নিৰাৰণ শাখাটো ১৯৪৬ চনৰ জুলাই মাহত স্থাপিত হয় আৰু ১৯৭৫ চনৰ নৱেম্বৰ মাহত পুলিচ থানালৈ ৰূপান্তৰ কৰা হয়।

খ) আৰক্ষী সঞ্চালক প্ৰধান/অতিৰিক্ত আ: সা: প্ৰ: — ১
উপ-আৰক্ষী মহা পৰিদৰ্শক — ১
আৰক্ষী অধীক্ষক — ২
অতিৰিক্ত আৰক্ষী অধীক্ষক — ১
উপ-আৰক্ষী অধীক্ষক — ৫
পৰিদৰ্শক — ১৪
উপ-পৰিদৰ্শক — ৩
সহ: উপ-পৰিদৰ্শক — ৫
আৰক্ষী — ৩৪
আৰক্ষী চালক — ১১

গ) আৰম্ভ হোৱা দিনৰে পৰা ৩১।১।৯৫ ইং তাৰিখলৈ মুঠ ২,৪৩০ টা কেছ নিয়মিত তদন্ত কৰা হৈছে। তাৰ ভিতৰত ২,৩৯৭ টা কেছ নিষ্পত্তি কৰা হৈছে।

গ) গোচৰৰ তদন্ত চলি আছে বৰ্ত্তমান ৩৩ টা।

ঙ) কেছ সমুহ তদন্ত কৰা বাবে বিভিন্ন বিভাগৰ পৰা তথ্য পাতি সংগ্ৰহ আৰু বিভিন্ন জনৰ লগত যোগাযোগ কৰাকে ধৰি অন্য কিছু কাম-কাজৰ পৰিপেক্ষিতত তদন্ত নিষ্পত্তি কৰোঁতে কিছু সময় লাগে।

চ) বিভাগটো স্বতন্ত্র কৰাৰ কোনো প্ৰস্তাৱ নাই।

ছ) বিভাগটোৰ বিষয়া সকলে মুকলি মুৰীয়াকৈ কাম কৰাত পৰোক্ষ বাধা নাই। চৰকাৰৰ অনুমোদন ক্ৰমে নিয়মিত অনুসন্ধান আৰু মোকৰ্দ্দমা কৰু কৰি তদন্ত কৰা হয়।

বিষয় : জিলাৰ সংলগ্ন

শ্ৰী মুজিবৰ ৰহমানে সুধিছে,

* ৩৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) মৰিগাওঁ জিলাৰ অন্তৰ্গত মৈৰাবাৰী মৌজা নগাওঁ জিলাৰ লগত সংলগ্ন কৰাৰ বাবে মৈৰাবাড়ীৰ ৰাইজে দীৰ্ঘদিন ধৰি দাবী কৰি আহিছে, চৰকাৰ অবগত নে ?

খ) যদি অবগত—এই দাবী পুৰণ কৰাৰ বাবে কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) চৰকাৰ অবগত।

খ) এই সম্পৰ্কে সংমণ্ডল আয়ুক্ত আৰু জিলা উপায়ুক্তক পৰীক্ষা কৰি প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে ?

Sub : Water treatment plant for Silchar.

Sri Samarendra Nath Sen, asked,

* 40. Will the Minister of Minicipal Administration be

pleascd to State.

a) It is a fact that for greater Silchar Water Supply a D. P. R. has been prepared and submitted by M/S Stup Consultant, Calcutta ?

b) If so, what step Government would take for starting of the Treatment plant for greater Silchar and when.

Sri Debananda Konwar, (Minister, Municipal Administration) replied,

a) Yes.

b) An amount of Rs. 2,00 lakhs has been provided for the scheme during current Financial year for starting the scheme. Scheme will be started as and when fund is released.

(Defirred starred question Nos 3.16. and 18.)

Sub : Upgradation of Research Centre.

Shri Parameswar Brahma asked

3. Will the Minister of Agriculture be pleased to State ?

a) Whether the Goverment will upgrade the Gosaigaon Agricultural Research Centre to a full fledged Agricultural Universsty ?

Smti Syeda Anowara Taimur (Minister Agriculture) replied.

a) There is no proposed for upgradation of the Gosaigoan Agril. Research Centre to full fledged Agril. University.

বিষয় : কৃষি বীজ বিতৰণ ?

শ্রী চন্দন কুমাৰ সৰকাৰে সুধিছে,

* ১৬। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) অসমত কৃষক সকলক ১৯৯১ চনৰ পৰা আজিলৈকে কিমান বীজ ইত্যাদি বিনা (ৰেহাই) মূল্যত বিতৰণ কৰিছে, তাৰ তালিকা মহকুমাভিত্তিত সদনত দাখিল দিবনে ?

খ) ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈকে অনুসুচীত জাতি আৰু জনজাতি কৃষক সকলক কি কি বস্তু বিনামূলীয়া বিতৰণ কৰিছে তাৰে মহকুমা ভিত্তিত এটি তালিকা সদনত দাখিল দিবনে ?

গ) ৬০ বছৰৰ বৃদ্ধ কৃষক সকলক পেন্সন দিয়াৰ আঁচনি চৰকাৰে লৈছে নেকি আৰু যদি লৈছে কেতিয়াৰ পৰা এই পেন্সন আঁচনি কার্য্যকাৰী হয় ?

চৈয়দা আনোৱাৰা টাইমুৰ (কৃষক বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) তালিকা গাঠি দিয়া হ'ল। তালিকা নং-১

(See the Annuxure IX)

খ) তালিকা গাঠি দিয়া হ'ল। তালিকা নং —২

(See the Annuxure—X)

গ) কৃষি বিভাগৰ পৰা আঁচনি লোৱা হোৱা নাই।

বিষয় . সাৰ আৰু বীজ বিতৰণ।

শ্রী অতুল বৰাই সুধিছে,

* ১৮। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) বৰ্ত্তমান চৰকাৰে খেতিয়ক সকললৈ প্রয়োজনীয় সাৰ আৰু বীজৰ যোগান ধৰিছেনে ?

খ) যদি ধৰিছে কি কি সাৰ আৰু কি কি বীজ কি কি মূল্যত আৰু কিমান পৰিমানে যোগান ধৰিছে ?

গ) প্রতি বিঘা মাটিত কি কি সাৰ, কিমান কিমান পৰিমাণৰ দৰকাৰ হয় ?

ঘ) খেতিয়কৰ স্বার্থত জলসিঞ্চন বিভাগে কৃষি বিভাগৰ সৈতে সম্পূর্ণ সহযোগিতা আগবঢ়াইছেনে ?

চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) হয়, যোগান ধৰি আছে।

খ) ১৯৯৪-৯৫ চনৰ বছৰত বীজ আৰু সাৰ যোগান ধৰা তালিকা ইয়াৰ লগত গাঠি দিয়া হল।

গ) শস্য অনুযায়ী মাটিত সাৰ প্ৰয়োগৰ পৰিমাণ পৃথক পৃথক। সাধাৰণতে জলসিঞ্চন থকা মাটিত যিকোনো শস্যৰ বাবে কমেও উদাহৰণ হিচাবে ধান শস্যৰ বাবে প্ৰতি বিঘাত ইউৰিয়া-১২ কিঃ সুপাৰ ফোস্ফেট ১৭ কিঃ আৰু পটাছ ৪ কিঃ বা ইউৰিয়া ৯ কিঃ ডি, এ, পি ৬ কিঃ আৰু পটাছ ৪ কিঃ ব্যৱহাৰ কৰা হয়। জলসিঞ্চন নথকা মাটিত উক্ত পৰিমাণৰ আধা ব্যৱহাৰ কৰা হয়।

ঘ) হয়, পাৰ্য্যমানে সহায় সহযোগিতা আগবঢ়াই আহিছে।

UNSTARRED QUETION AND ANSWERS 40

বিষয় ঃ সামৰিক অৰ্দ্ধসামৰিক বাহিনীৰ লোক

শ্ৰী হিতেশ ডেকা, আৰু শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই আহিছে,

৪৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ৰাজ্য চৰকাৰৰ নিয়মীয়া পুলিচ বাহিনীৰ ব্যতিৰেকে' ৰাজ্যখনত মুঠতে এতিয়া কিমান সামৰিক, অৰ্দ্ধসামৰিক অথবা আন আন নিৰাপত্তা বাহিনীৰ লোক আছে ? (কোন বাহিনীৰ কিমান আছে সুকীয়া সুকীয়াকৈ উল্লেখ কৰিব)

খ) নিৰাপত্তা বাহিনীৰ এই ব্যক্তিসকলক ভৰণ-পোষণ অথবা অন্যান্য খৰচৰ বাবদ ৰাজ্য চৰকাৰৰ প্ৰতি মাহে গড়ে কিমান ধন ব্যয় হৈ আছে ?

গ) ১৯৯১ চনৰ ১ জুলাইৰ পৰা বৰ্ত্তমানলৈ এই কামত ব্যয় হোৱা মুঠ ধনৰ পৰিমাণ কিমান ?

ঘ) উল্লেখিত ধন অসম চৰকাৰৰ কোন শিতানৰ পৰা খৰচ কৰা হয় আৰু কেন্দ্ৰীয় চৰকাৰে ইয়াৰ বাবদ বিশেষ অনুদান আগবঢ়াইছেনে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) য়ে উত্তৰ দিছে :

ক) মুঠ ৬৩ টা কোম্পানী আছে। ইয়াৰ ৪০ টা কেন্দ্রীয় সংৰক্ষিত, বাহিনীৰ কোম্পানী, তাৰে ভিতৰত ১০ টা অসম নাগালেণ্ড সীমান্তত নিয়োজিত। ১৮ টা সীমান্ত নিৰাপত্তা বাহিনী আৰু ৫ টা পাঞ্জাব কমাণ্ডো বাহিনী আছে।

খ) ভৰণ-পোষণৰ বাবে প্রতি মাহে গড় ৫ (পাচ) লাখ টকাকৈ প্রতি বেটেলিয়ানৰ নামত ব্যয় হৈছে আৰু অন্যান্য খৰচৰ বাবদ প্রতি মাহে গড়ে প্রায় ৪২, ৮০,০০০/- টকা খৰছ হৈছে।

গ) ১৯৯১ চনৰ জুলাই মাহৰ ১ ৰপৰা ১৯৯৫ চনৰ ২৮ ফেব্রুৱাৰী লৈ ব্যয়ৰ মুঠ ধনৰ পৰিমাণ ১৮,৮৩,১৪,৯২৮'০০ টকা ।

ঘ) অসম চৰকাৰৰ 2055 police-109 District Police-29-Deployment of Central and other Police Forces" শিতানৰ পৰা খৰচ কৰা হয়। এই ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ পৰা বৰ্ত্তমান-লৈকে বিশেষ অনুদান পোৱা হোৱা নাই।

বিষয় : সাহায্য পুজিৰ বিতৰণ

শ্রী মুনিন মহন্তই সুধিছে,

৪৬। ক) ১৯৯৪ চনৰ ২১ মাৰ্চত ৩৩৩ নং লিখিত প্রশ্নৰ উত্তৰ সন্দর্ভত দিয়া উত্তৰ মতে ১৯৯২ চনত প্রশ্নকর্তাই চুপাৰিশ কৰা মানয়ীয় মুখ্যমন্ত্রীয়ে সাহায্যৰ নির্দ্দেশ দিয়া আবেদন সমুহৰ আজিলৈকে "পূজিত টকা নাই বুলি" বন্ধ কৰি ৰখা হৈছে এই সম্পর্কে অবগতনে ?

খ) মুখ্যমন্ত্রীয়ে সাহায্য পুজিৰ ধন বিতৰণত যদি ৰাজনৈতিক বিবেচনা কৰা নহয়, তেনেহলে শীঘ্রে বিভিন্ন অনুষ্ঠান আৰু ব্যক্তিলৈ সাহায্য সমুহ বিতৰণ কৰাৰ ব্যৱস্থা লবনে ?

গ) সাহায্য পুজিৰ ধন বিতৰণ কৰাত বেমেজালি কৰা ব্যক্তিক চিনাক্ত কৰি ব্যৱস্থা লোৱা হবনে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে,

ক) হয়।

খ) পুজিৰ ধন সংগ্রহ হলে ব্যৱস্থা লোৱা হব।

গ) ধন বিতৰণত বেমেজালি হোৱা নাই।

বিষয় : গননা কাৰীৰ ধন আদায়।

শ্রী নিজামুদ্দিন খানে সুধিছে,

৪৭। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) অসমত ভোটাৰ তালিকা সংশোধনৰ নামত ১৯৯২ আৰু ১৯৯৩ চনত গননাকাৰী সকলৰ কাৰণে কিমান টকা খৰচ কৰা হৈছে ?

খ) নিৰ্বাচনী কামত নিয়োজিত গননাকাৰী সকলো বিষয়া কৰ্মচাৰীয়ে তেওঁলোকৰ T.A/D.A. ৰ ধন আদায় দিয়া হৈছেনে ?

গ) যদি হৈছে, বৰপেটা জিলাত কিছুমান বিষয়া কৰ্মচাৰীয়ে তেওঁলোকৰ প্রাপ্য ধন নোপোৱাৰ কাৰণ কি ?

ঘ) এই সম্পর্কত তদন্ত কৰি সকলো বিষয়া কৰ্মচাৰীকে তেওঁলোকৰ প্রাপ্য ধন আদায় কৰি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে,

ক) ১৯৯২ আৰু ১৯৯৩ চনৰ ভোটাৰ তালিকা সংশোধনীৰ কামত নিয়োজিত গননাকাৰী সকলোকে ধৰি সকলো বিষয়া কৰ্মচাৰীৰ ক্ষেত্রত ধন খৰছ কৰা হৈছে।

আৰু

খ) T.A/D.A. ৰ ধন সম্পূর্ণ আদায় দিয়া হোৱা নাই। পাবলগীয়া ধন বিত্তীয় পুঁজিৰ প্রাপ্তিৰ ওপৰত নির্ভৰ কৰি সময়ে সময়ে ধন দি থকা হৈছে।

গ) প্রশ্ন নুঠে।

বিষয় ঃ সংখ্যালঘু জনগোষ্ঠিৰ জাতিসমুহ ।

শ্রী জীউৰাম বড়োয়ে সুধিছে,

৪৮। মাননীয় সংখ্যালঘু পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) অসমৰ সংখ্যালঘু কোন কোন জনগোষ্ঠীৰ লোকক সংখ্যালঘুৰ ভিতৰত অন্তভুক্ত কৰা হৈছে ?

খ) অসম চৰকাৰে এই সংখ্যালঘুলোকৰ উন্নয়নৰ বাবে কিবা আচনি গ্রহন কৰিছেনে ? যদি গ্রহন কৰা হৈছে কি কি ?

গ) গ্রহন কৰা আচনি সমুহৰ ভিতৰত দৰং জিলাত কি কি আচনি গ্রহন কৰা হল আৰু ইয়াৰে কালাইগাওঁ সমষ্টিত কোন কোন ঠাইত বা লোকক কি কি আচনি দিয়া হৈছে অনুগ্রহ কৰি জনাবনে ?

শ্রী দিলদাৰ ৰেজ্বা (সংখ্যালঘু পৰিক্রমা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে,

ক) তলত দিয়া জনগোষ্ঠী সমুহ সংখ্যালঘুৰ অন্তভুক্ত কৰা কৰা হৈছে :-

১। মুছলিম সম্পদায়,
২। বৌদ্ধ সম্প্রদায়,
৩। শিখ সম্প্রদায়,
৪। খৃষ্টান সম্প্রদায়।

খ) অসম সংখ্যালঘু উন্নয়ন বৰ্ডে তলত দিয়া আচনি সমুহ ৰূপায়ন কৰিছে ।

১। অসম সংখ্যালঘু সম্প্রদায়ৰ মেধাবী তথা দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ/ বাবে উদ্গনিমূলক জলপানী প্ৰদান ।

২। ঘনবসতি পূৰ্ন সংখ্যালঘু এলেকাত হাইস্কুল হায়াৰ চেকেণ্ডাৰী হাই মাদ্ৰাছা /আৰবী কলেজ আদিত ছাত্ৰীৰ জিৰণী কোঠা নিৰ্মান ।

৩। অসমৰ সংখ্যালঘু সম্প্ৰদায়ৰ দুখীয়া লোকৰ মাজত চিলাই মেচিন বিক্সা আৰু ঠেলা আদি বিতৰণ ।

৪। সংখ্যালঘু সম্প্ৰদায়ৰ দুখীয়া নিবনুৱা যুৱকৰ পাৱাৰটিলাৰ পাৱাৰ পাম্প, টেক্টৰ মটৰ ষ্টাৰ্টাৰ আদি চলোৱা আৰু মেৰামতিৰ প্ৰশিক্ষণ ।

৫। সংখ্যালঘু সম্প্ৰদায়ৰ লোক সকলক আৰ্থ সামাজিক অৱস্থাৰ নমূনা জৰিপকৰন ।

৬। সংখ্যালঘু সম্প্ৰদায়ৰ যুৱতীক নাৰ্চ ও ধাত্ৰীৰ প্ৰশিক্ষন ।

গ) দৰং জিলাত গ্ৰহন কৰা ১৯৯৩-৯৪ চনৰ আচনি সমুহ :—

ক) সংখ্যালঘু সম্প্ৰদায়ৰ মেধাবী ছাত্ৰ-ছাত্ৰীৰ মূঠ ৮৬,৪০০/- টকা ২৪০/- টকাকৈ ৩৬১ জনক দিয়া হৈছে ।

খ) প্ৰাইমাৰী মেধাবী ছাত্ৰ-ছাত্ৰীক মুঠ ৯,১০০/- টকাকৈ ৯১০ জন ছাত্ৰ-ছাত্ৰীক দিয়া হৈছে ।

গ) মাদ্ৰাছা স্কুল আৰু আৰৱী কলেজৰ মেধাবী ছাত্ৰ-ছাত্ৰীক ২৪০.০০ টকাকৈ মুঠ ৪,৮০০.০০ টকা ২০ জনক দিয়া হৈছে ।

ঘ) দৰং জিলাত সংখ্যালঘু মহিলাক ৮ টা চিলাই মেচিন, দুখীয়া নিৰ-নুৱা ১ টা ঠেলা, আৰু ১ টা ৰিক্সা দিয়া হৈছে।

ইয়াৰে কলাইগাওঁ সমষ্টিত গ্ৰহন কৰা আচনি স্থান আৰু লোক সকলৰ নাম তলত উল্লেখ কৰা হল :

১৯৯৩-৯৪ চনৰ সংখ্যালঘুৰ উদ্গনিমুলক বৃত্তি আচনি-

স্কুলৰ নাম	ছাত্ৰ ছাত্ৰীৰ নাম	টকাৰ পৰিমান--
১। বালিপাৰা কৃষক মুক্তি হাইস্কুল ভুৰ্কেলিকান্দা, পোঃ ভুৰ্কেলিকান্দা।	৬	২৪০ টকা হিচাবে প্ৰতিজনক।
২। কলাইগাওঁ হাই-চেকেণ্ডৰী স্কুল, পোঃ অঃ কালাইগাওঁ	৪	২৪০ টকা হিচাবে প্ৰতিজনক।
৩। ৰৰকলা হাইস্কুল, পো. অঃ ৰৰকলা।	৪	২৫০/- টকা হিচাবে প্ৰতিজনক।
৪। কবিৰ আলি হাইস্কুল পো: অঃ কবিৰ আলি	৫	২৪০/-টকা হিচাবে প্ৰতিজনক।
৫। ৰজাপুখুৰী হাইস্কুল, পো: অ: ৰজাপুখুৰী	৫	২৪৪/- টকা হিচাৰে প্ৰতিজনক।
৬। কনকলতা স্মৃতি ছোৱালী হাইস্কুল, পো: অ: কালাইগাওঁ।	৬	২৪০/- টকা হিচাবে প্ৰতিজনক।
৭। দক্ষিণ চিনাকনা হাইস্কুল	৫	২৪০/- টকা হিচাবে প্ৰতিজনক।

খ) ঠেলা—

১। মহঃ ফকিৰ আলি পিতা—বাহাৰ আলি ১ খন

গাছ ঃ দেকাৰগাওঁ

পোঃ বৰকালাচৌকা।

চিলাই মেচিন —

১। মিচ শ্যামলি নোচা পিতা গেলা বুৰা ১ টা

গাওঁ বাগপুৰী, পোঃ মঙ্গলদৈ

২। মিচ জানোৰাৰা বেগম পিঃ চাজৰ আলি ১ টা

গাওঁ শান্তিপুখুৰী, পোঃ শান্তিপুখুৰী।

ৰিক্সা :—

মহঃ কেৰামত আলী পিতা : মুনাহৰ আলী ১ খন।

গাওঁ বাগপুৰী, পোঃ মঙ্গলদৈ।

ৰিষয় : হাইকোৰ্টৰ সীমা।

শ্রী হিতেন্দ্র নাথ গোস্বামীয়ে সুধিছে,

৪৯। মাননীয় আইন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) বর্ত্তমানৰ গুৱাহাটি হাইকোৰ্ট খনৰ সীমা কেৱল অসমৰ বাবে প্রযোজ্য কৰাৰ নিমিত্তে চৰকাৰে উপযুক্ত স্থানত দাবী উৎস্থাপন কৰিছেনে, যদি নাই কৰা কিয় আৰু যদি কৰিছে এই ক্ষেত্রত কেনে সহাৰি ৰাজ্য চৰকাৰে লাভ কৰিছে ?

খ) গুৱাহাটী হাইকোৰ্টৰ মাননীয় বিচাৰপতি সকলে অৱসৰ গ্রহনৰ পাছত পেঞ্চনকে ধৰি পাবলগা সা-সুবিধা সমূহ কেৱল অসম চৰকাৰৰ বিত্তকোষৰ পৰাই বহন কৰিব লগা হয় নেকি ? যদি নহয় এই ব্যয় কি দৰে কৰা হয় ?

গ) গুৱাহাটী হাইকোর্টৰ শিতানত খৰছ হোৱা পুঁজি উত্তৰ পূৰ্ব্বাঞ্চলৰ বাকী ৰাজ্য সমূহেও বহন কৰিব লাগে নেকি, যদি লাগে, কি দৰে এই ভাৰ উক্ত ৰাজ্য কেইখনে বহন কৰে ?

ঘ) ১৯৯১-৯২, ১৯৯২-৯৩ ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ বিত্তীয় বৰ্ষত গুৱাহাটী হাইকোর্টৰ বাবে কিমান পুঁজি ব্যয় হৈছে আৰু উত্তৰ পূৰ্ব্বাঞ্চলৰ বাকী ছখন ৰাজ্যই গুৱাহাটী হাইকোর্টৰ বাবে এই সময় ছোৱাত কিমান পৰিমাৰ বিত্ত অসম চৰকাৰক ইতিমধ্যে আদায় দিছে বিতং তথ্য সদনত দাখিল কৰিব ?

শ্রী দেৱানন্দ কোঁৰৰ (আইন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) নাই কৰা। North-Eastern Areas (Re-organisation) Act, 1971 ৰ ৩৩ নং ধাৰা অনুসৰি গুৱাহাটী একত্রিত উচ্চ ন্যায়লৰ ন্যায়ধীশ সকলৰ দৰমহা আৰু ভাট্টা অৰুনাচল প্রদেশ অসম, মনিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড আৰু ত্রিপুৰা ৰাজ্য সমূহৰ কাৰণে ভাৰতৰ ৰাষ্ট্রপতিয়ে নির্দ্ধাৰন কৰা অনুসৰি বণ্টন কৰা হৈ থাকে। সেইবাবে অসম ৰাজ্যৰ পৰা দাবী জনোৱা হোৱা নাই।

খ) নহয়। গুৱাহাটী উচ্চ ন্যায়লয়ৰ বিচাৰপতি সকলৰ অৱসৰ গ্রহনৰ পিছত পেঞ্চনকে ধৰি পাবলগা সা-সুবিধা অসম চৰকাৰে বহন কৰি থাকে।

গ) লাগে। এই সংক্রান্তত ভাৰত চৰকাৰৰ আইন আৰু ন্যায় বিভাগে সময়ে সময়ে জাৰি কৰা নির্দ্দেশ মৰ্ম্মে উক্ত ৰাজ্য সমূহৰ বেঞ্চ বিলাকৰ প্রাৰম্ভিক ব্যয় অসম চৰকাৰে বহন কৰি থাকে আৰু পৰিশেষত উক্ত ৰাজ্য সমূহৰ পৰা পৰিশোধ কৰা হয়।

ঘ) তলত উল্লেখিত পূঁজি গুৱাহাটী হাইকোর্টৰ বাবে ২৮।২।৯৫ লৈ ব্যয় কৰা হৈছে।

১৯৯১-৯২	—	২,১৪,৬৮,২৯৬'০০
১৯৯২-৯৩	—	২,১৬,২৫,৩৩৬'০০
১৯৯৩-৯৪	—	২,৪১,৩১,১১২'০০
১৯৯৪-৯৫	—	২,৪০,৬৭,৫৮১'০০

এই সময় ছোৱাত উৰ্ত্তৰ পূৰ্বাঞ্চলৰ বাকী ৰাজ্য সমূহে কোনো পৰিমানৰ বিত্ত পৰিশোধ কৰা নাই। অৱশ্যে অসম চৰকাৰৰ তৰফৰ পৰা ব্যৱস্থা লোৱা হৈছে।

বিষয় : টাডা আইন বলাৎ।

শ্রী বদ্রীনাৰায়ন সিং য়ে সুধিছে,

৫০। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) TADA আইন বলবৎ হোৱাৰ পৰা আজিলৈকে ৰাজ্যখনত কিমান Custodial Death হৈছে আৰু TADA আইনৰ অন্তর্গত এই চৰকাৰৰ দিনত গ্রেপ্তাৰ কৰা লোক সকলৰ ভিতৰত কিমান জনৰ বিৰুদ্ধে Charge Sheet তৈয়াৰ কৰিব পৰা গৈছে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে,

ক) টাডা আইন বলবৎ হোৱাৰ পৰা ২৮/২/৯৫ তাৰিখ পর্য্যন্ত পুলিচৰ জিম্মাত মৃত্যু হোৱা লোকৰ সংখ্যা হ'ল ৭৬ জন।

টাডা আইনৰ অন্তর্গত বর্ত্তমান চৰকাৰৰ দিনত মুঠ ৫৪৩ জন লোকৰ বিৰুদ্ধে Charge Sheet তৈয়াৰ কৰিব পৰা হৈছে।

বিষয় : ডেজিগনেটেডৰ আদালত।

শ্রী ৰমেন্দ্র নাৰায়ন কলিতাই সুধিছে,

৫১। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) চৰকাৰে টাডা আইনখনৰ অপপ্রয়োগ হোৱা অভিযোগ সম্বন্ধে চৰকাৰ জ্ঞাতনে ?

খ) যদি জ্ঞাত তেনেহলে এই ক'লা আইনখন উঠাই লোৱাৰ বাবে বাজ্য চৰকাৰে কেন্দ্রীয় চৰকাৰলৈ পৰামর্শ আগবঢ়াইছেনে ?

গ) প্রত্যেক জিলাতেই একোখনকৈ ডেজিগনেটেড আদালত স্থাপন কৰাৰ সিদ্ধান্ত কেতিয়াৰ পৰা কার্য্যকৰী কৰিব ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে,

ক) অসমত টাডা আইনখনৰ অপপ্রয়োগ হোৱা নাই।

খ) প্রশ্ন নুঠে।

গ) সদ্যহতে ডিব্রুগড়, যোৰহাট, যোৰহাট, তেজপুৰ, শিলচৰ আৰু কোকৰাঝাৰতে একোখনকৈ ডেজিগনেটেড আদালত স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে। তাৰোপৰি গুৱাহাটীত এখন ডেজিগনেটেড আদালত আছে।

বিষয় : মহানগৰ উম্মীতকৰন আচুনি।

শ্রী পৰিমল শুক্লবৈদাই সুধিছে,

৫২। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) গুৱাহাটী "মেট্রোপলিটান ডেভেলপমেণ্ট কমিটীয়ে গুৱাহাটী মহানগৰ সুন্দৰ কৰা আচনি হাতত লৈছে সেই আচনিত মহানগৰৰ দক্ষিনাঞ্চলৰ কালাপাহাৰ, লালগনেশ আৰু লখৰা অঞ্চল সুন্দৰ কৰাৰ কিৰা ব্যৱস্থা আছে নেকি ?

খ) যদি আছে কেনেকুৱা ব্যৱস্থা লৈছে ?

গ) যদি নাই কেতিয়া লব ?

শ্রী হিতেশ্বৰ (শইকীয়া মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে,

ক) কালাপাহাৰ, লালগনেশ আৰু লখৰা অঞ্চল সমূহৰ জন সাধাৰণৰ সুবিধাৰ কাৰণে কিছুমান আচনি গ্রহন কৰা হৈছে ।

খ) বৃহত্তৰ কালাপাহাৰ আৰু ফটাশিল আমবাৰী অঞ্চলত সামৰি এখন বজাৰ উন্নয়ন আচনি । লখৰা অঞ্চলত ৰাষ্ট্রীয় ঘাইপথত গধুৰ যান-বাহন জমা নহবৰ কাৰণে গোটানগৰত এটা 'ট্রাক টার্মিনাচ, নির্ম্মান ইত্যাদি ।

গ) প্রশ্ন নুঠে ।

বিষয় : পুলিচৰ নিযুক্তি

শ্রী চন্দন কুমাৰ সৰকাৰে সুধিছে,

৫৩। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) অসমত ১৯৯১ চনৰ পৰা পুলিচ বিভাগত কিমানজন নিযুক্তি হৈছে তাৰ বিতং তালিতা এটি সদনত দিবনে ?

খ) পুলিচ বিভাগত নিযুক্তিৰ ক্ষেত্ৰত জনসংখ্যা অনুপাতে নিযুক্তি হৈছেনে ?

গ) অনুসুচীত জাতি আৰু জনজাতিৰ কিমানজন যুৱক ১৯৯১ চনৰ পৰা আজিলৈকে পুলিচ বিভাগত নিযুক্তি হৈছে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীযুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ৬০০৮ জন শিক্ষিত যুৱকক চিপাহী পদত নিযুক্তি দিয়া হৈছে।

খ) হয় ।

গ) অনুসুচিত জাতিৰ ৫০১ জন
অনুসুচিত (ভৈয়াম) জনজাতিৰ ৬৩৬ জন
অনুসুচিত (পাহাৰী) জনজাতিৰ ২২৯ জন ।

Subject : MURDERED CASES.

Shri Borgoram Deuri, aksed

54. Will the Chief Minister be pleased to state ?

a) Whether main accused Mr. Nurul Haque Choudhuri of brutel killing of Mr. Dipak Agarwal and Mr. Indrajit Sing Chetai recently has been arrested ?

b) If so, whether he has been produced to North Lakhimpur Police ?

c) If not, why ?

Sri Hiteswar Saikia (Chief Minister) replied,

a) Yes, Nurul Haque Choudhury, son of Hazi Moijuddin Choudhury of Daulatpur P. S., Bihpuria was arrested by the Guwahati Police on 9-2-95.

b) Yes. He was produced before North Lakhimpur's Hon'ble Court on 25.2.95.

c) Dose not arise.

Subject : PUNJAB COMMANDO.

Smti, Pramila Rani Brahma, asked

55. Will the Chief Minister be pleased to State.

a) In how may districts the Punjub Commandoes have been deputed ?

b) What are these districts ?

c) What is the function of Puujab Commandoes and why it has been deputed specially in these districts only but not in other parts of Assam ?

Sri Hiteswar Saikia (Chief Minister) replied.

a) 2 (two) districts Police (Commando) Bn. till date

a) i) Kokrajhar District – 2 coys,

ii) N. C. Hills District – 3 coys.

c) At present, Kokrajhar and N. C. Hills Districts are very much extremist-prone areas for which

deployment of these Coys are made only in these two Districts for operation against extremists.

বিষয় : সাত হাজাৰ টকাৰ ঋণ।

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই সুধিছে,

56. মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম চৰকাৰে অলপতে ফৰাচীকৃত প্ৰবাসী ভাৰতীয়ৰ পৰা সাত হাজাৰ কোটি টকাৰ ঋণ লব বিচৰাতো সত্য নে ?

খ) উক্ত সাত হাজাৰ কোটি টকাৰ দুহাজাৰ কোটি টকা অসম নিৰ্ম্মাণ নিগমৰ জৰিয়তে আৰু পাচ হাজাৰ কোটি টকা ষ্টেটফেদৰ যোগেদি লব বিচৰাতো হয়নে ?

গ) উক্ত ঋণ লব বিচৰা চুক্তি পত্ৰত বিটো পাৰ্টিয়ে ছিক কৰি দিছে তেওঁলোকক শতকৰা ১২ টকা হাৰত "চাৰ্ভিচ কমিচন" আৰু বাকী থকা ৬১৬০ কোটি টকাৰ আধা অংশ বেংকত ফ্ৰিজ্ড ডিপজিত থাকিব আৰু আৰু আধা অংশহে চৰকাৰে পাব, এই কথা সঁচানে ?

ঘ) উক্ত ঋণ সংক্ৰান্তৰ চুক্তি পত্ৰৰ প্ৰতিলিপি সদনৰ মজিলিপি সদনৰ মজিয়াত আৰু সদস্য সকলৰ মেজত দাখিল কৰিবনে ?

ঙ) উক্ত ঋণ কি কি আঁচনিৰ বিপৰীতে বিচাৰিছে তাক জনাবনে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দি'ছ,

ক) সত্য নহয়।

খ) প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

ঘ) প্ৰশ্ন নুটে।

ঙ) প্ৰশ্ন নুঠে।

Sub : Operations against ULFA & BSF.

Shri Promode Gogoi, replied

57. Will the Chief Minister be pleased to state :-

a) Whether operation against ULFA & Bodo Security Force have been able to solve the problem ?

b) And, how many people have been arrested, killed, injured and tortured during the operations since 1991 and till February, 1995 ?

Shri Hiteswar Saikia (Chif Minister) replied.

a) It has been successful to a great extent.

b) Since 1991 and till February, 1995, 7545 persons were arrested, 723 persons were killed out of whlch 279 persons were killed by ULFA extremits; 327 persons were killed by Bodo Security Force's extremists, and 83 ULFA activists. 3 Bodo Security Force activists, 13 civilian and 18 Police personnel were killed in encounters in between ULFA/Bodo Security Force and Poliec/Para/military Forces/Army 37 persons were also injured in encounters.

বিষয় : পৌৰ প্ৰশাসনৰ বাজেট

শ্ৰী চিত্তৰঞ্জন পাটোৱাৰীয়ে সুধিছে,

৫৮। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

ক) গুৱাহাটী পৌৰ প্ৰশাসনৰ নিজস্ব বাজেট আছেনে ?

খ) যদি আছে, যোৱা তিনি বছৰৰ বাজেটত নিৰ্দ্ধাৰিত ধনৰ পৰিমাণ কিমান আছিল ?

গ) যদি নাই; কিহৰ ভিত্তিত ধন খৰছ কৰা হৈছে ?

ঘ) যোৱা তিনি বছৰত Assigned tax ৰ ধন চৰকাৰৰ পৰা কিমান পোৱা হৈছিল ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) হয়, আছে ।

খ) যোৱা তিনি বছৰৰ বাজেটৰ ধনৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল—

১৯৯১-৯২ - ২৭,০৪,০০,০০০'০০ টকা

১৯৯২-৯৩ — ২৭,৩৩,৮৩,০০০'০০ টকা

১৯৯৩-৯৪ — ২৯,৪৯,৯২,৯৬০'০০ টকা

গ) উপৰোক্ত (ক) প্ৰশ্নৰ উত্তৰ মতে প্ৰশ্ন নুঠে ।

ঘ) ১৯৯১-৯২ — ৫,৩৩,০৮,০০০'০০ টকা

১৯৯২-৯৩ — ৪,১৬,০৬,৮৯৬'০০ টকা

১৯৯৩-৯৪ — ৫,৪০,২১,২৬১'০০ টকা

বিষয় : বাছ ট্ৰাক আদিৰ পৰা কৰ সংগ্ৰহ।

শ্ৰী নগেন শৰ্ম্মাই সুধিছে,

৫৯। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৯১ চনৰ পৰা বৰ্ত্তমানলৈ নলবাৰী পৌৰসভাৰ এলেকাৰ ভিতৰলৈ সোমোৱা বাবদ বাছ ট্ৰাক আদিৰ পৰা কৰ সংগ্ৰহ কৰাৰ বাবে চেকগেট বহুৱা ব্যৱস্থা কৰা হৈছে নেকি ?

খ) যদি হৈছে ১৯৯১.১৯৯২,,১৯৯৩ আৰু চনত ১৯৯৪ চনত কিমান টকা কৰ সংগ্ৰহ কৰা হৈছে ?

শ্ৰী দেৱানন্দ কোৰৰ (পৌৰ প্ৰশাসন মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) হয়, কৰা হৈছে, । কিন্তু ১০/৩/৯২ৰ তাৰিখৰ পৰাহে কৰা হৈছে।

খ) সংগ্ৰহ কৰা কৰৰ পৰিমাণ এনে ধৰণৰ :

১৯৯২-৯৩-৫,১৩,৪৭৯/-

১৯৯৩-৯৪-৪,২১,১০১/-

১৯৯৪-৯৫-৫,২৭,৬০৬/-

২৮/২/৯৫ তাৰিখ পৰ্যান্ত ।

বিষয় : পুলিচ চকী স্থাপন

শ্ৰী পানীৰাম বাভা

৬০। মাননীয় মুখ্যমন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বৰমা সমষ্টিৰ নিকাচিত পুলিচ চকী স্থাপনৰ বাবে S. P, ৰ পৰা Report বিচাৰিছিল নেকি ?

খ) যদি বিচাৰিছিল Report আহিল নে আৰু যদি আহিছে কি ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে

ক) হয়। বৰমা সমষ্টিৰ নিকাচিত আৰক্ষী চকী স্থাপনৰ বাবে আৰক্ষী মহানিদেশকৰ দ্বাৰা নলবাৰী জিলাৰ আৰক্ষী অধীক্ষকৰ পৰা প্ৰতিবেদন বিচৰা হৈছিল।

খ) এই প্ৰতিবেদনৰ ভিত্তিত আৰক্ষী সঞ্চালক প্ৰধানে প্ৰস্তাৱ প্ৰস্তুত কৰি বিবেচনাৰ বাবে চৰকাৰলৈ গ্ৰেৰণ কৰাৰ ব্যৱস্থা কৰিছে।

বিষয় : ধুবুৰী পৌৰ সভাৰ কৰ।

শ্রীধ্রুৱ কুমাৰ সেনে সুধিছে,

৬১। মাননীয় পৌৰ প্রশাসন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) ধুবুৰী পৌৰ সভাৰ এলেকাত থকা অসম চৰকাৰৰ যিবিলাক অফিচ আছে, যেনে D. C. Office, S. P. office, District Jail আৰু আন আন অফিচৰ পৰা পৌৰ সভা ক (Tax) পাবলগীয়া আছে নেকি ?

খ) যদি আছে, তেনেহলে সেই অফিচ বিলাকৰ পৰা সৰ্ব্বমুঠ কিমান টকা পাবলগীয়া আছে জনাবনে ?

গ) যদি আছে সেই কৰ (Tax) অতি সোনকালে আদায় কৰাৰ ব্যৱস্থা লবনে ?

শ্রী দেৱানন্দ কোৱৰ (পৌৰ প্রশাসন মন্ত্রী) য়ে উত্তৰ দিছে,

ক) হয় আছে।

খ) অসম চৰকাৰৰ চৰকাৰৰ চৰকাৰী/বেচৰকাৰী কার্য্যালয়ৰ পৰা পাবলগীয়া পৌৰ কৰ (Tax) প্রায় ২৪,৮২,১৯৭'০০ (চব্বিছ লাখ, বিৰাশী হাজাৰ একশ সাতানব্বৈ) টকা ধুবুৰী পৌৰ সভাই পাবলগীয়া আছে।

গ) পৌৰ সভাৰ সভাপতি/কার্য্যকৰী বিষয়াই পৌৰ সভাৰ আইনৰ বিধি অনুসৰি পাবলগীয়া কৰ আদায় কৰিবলৈ ব্যৱস্থা লৈ আছে।

বিষয় : আইন শৃংখলাৰ ব্যয় ।

শ্রী ভৃগু কুমাৰ ফুকনে সুধিছে,

৬২। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) ৰাজ্যখনৰ আইন শৃংখলা ৰক্ষাৰ বাবে বছৰি চৰকাৰে কিমান টকা ব্যয় কৰিব লগা হয় ?

খ) এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা বৰ্ত্তমান চৰকাৰে কিবা অনুদান পাইছে নেকি ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) য়ে উত্তৰ দিছে,

ক) গড় হিচাপত ২২৩,০৭,৪৩,০০০'০০ টকা

খ) কেন্দ্রীয় চৰকাৰৰ পৰা ১৯৯১-৯২ চনত ১০ (দহ) কৌটি টকা আৰু ১৯৯৩-৯৪ চনত ১৪.৭০ কৌটি টকা অনুদান হিচাপে পোৱা হৈছে ।

Sub : Five youth killing cases.

Shri Holiram Terang, asked

63. Will the Chief Minister be pleased to state :

a) Whether it is a fact that five youths had been killed in Dangari last year and Mr. P. K. Goswami was appointed to enquire into the incident ?

b) What about the enquiry report and why the report has not been made public ?

c) If any compensession has been offered to the victims families ?

d) What are the step Government have taken already in that behalf

Shri Hiteswar Saikia (Chief Minister) replied.

a) Yes.

b) The report has not been aceepted by the Government because the findings were not clear.

c) No.

d) Hou'ble Gauhati High Court has taken a case in this regard and hence the matter is subjudica.

বিষয় : হত্যা; অপহৰণ; ধৰ্ষণ ইত্যাদি

শ্ৰী হিতেশ ডেকা,, শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু

শ্ৰী নিজামুদ্দিন খানে, সুধিছে,

৬৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা ৰাজ্যখনভ মুঠতে কিমানটা (১) হত্যা ২) অপহৰণ (৩) ধৰ্ষণ (৪) সাম্প্ৰদায়িক সংঘৰ্ষ আৰু (৫) চুৰি ডকাইতিৰ ঘটনা সংঘটিত হৈছে ? (বিচৰা তথ্য চন অনুযায়ী পৃথক পৃথককৈ দিব) উক্ত ঘটনা সমূহৰ কিমানটা গোচৰ আৰক্ষী চকীত পঞ্জীয়নভুক্ত কৰা হৈছে (বিশেষকৈ গুৱাহাটী মহানগৰীত) আৰু

কিমানটা গোচৰ এতিয়ালৈ পঞ্জীয়ন কৰা নাই তাৰ এখন সুস্পষ্ট প্ৰতিবেদন জিলা ভিত্তিত দাখিল কৰিব।

খ) এই সময়ছোৱাত হত্যাৰ বলি হোৱা সকলৰ কিমানজন (১) উগ্রপন্থীৰ হাতত (২) কিমানজন আৰক্ষী সামৰিক অথবা অৰ্দ্ধ সামৰিক বাহিনীৰ হাতত নিহত হৈছে ?

গ) এই সময়ছোৱাত সাম্প্রদায়িক সংঘৰ্ষত নিহত হোৱা লোকৰ সংখ্যা কিমান ?

ঘ) এই সময়ছোৱাত অপহৰণ হোৱা সকলৰ (১) কিমানজনক অপহৰণ কাৰীয়ে মুকলি কৰি দিছে (২) কিমানজনক হত্যা কৰা হৈছে (৩) কিমানজনক আৰক্ষী বাহিনীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে আৰু (৪) এতিয়াও কিমানজন অপহৰণকাৰীয়ে কবলত আবদ্ধ হৈ আছে ?

শ্রীযুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে,

ক) চন - হত্যা - অপহৰণ - ধৰ্ষণ - সাম্প্রদায়িক সংঘৰ্ষ চুৰি - ডকাইতি

১/৭/১৯৯৩ৰ ৬০২- ৫৫৯ - ২৩৩ - ১৮ ৩৯৫৩ - ২৭৭
পৰা

১৯৯২ — ১১০১ — ১১২৯ — ৪৪৩— ২২৪১ — ৮৫০৮ — ৬৪৯

১৯৯৩ — ১০৫৫ — ১১২৮ — ৫০৮— ১১৪ — ৭৫৫৭ — ৬৯৬

১৯৯৪ — ১১৩৮ — ১১০২ — ৪৫৯— ৯৩ — ৭০৩৫ — ৭৮০

২৮/২/৯৫ ১৫৬ — ১৬৩ — ৬৬ — নাই — ১২৩৭ — ১০৯
পৰ্য্যন্ত

গুৱাহাটী মহানগৰ সম্পৰ্কত পঞ্চীয়নভুক্ত গোচৰৰ তথ্য এনে ধৰণৰ :

চন — হত্যা — অপহৰণ — ধৰ্ষণ — সাঃ সংঘর্ষ — চুৰি — ডকাইতি

১-৭-৯১ ৰ ২২ — ৫৯ — ১২ — নাই — ৬৮৭ — ৩১

পৰা

১৯৯২ — ২৭ — ৮৪ — ২১ — নাই — ৯৭৯ — ৫২

১৯৯৩ — ৩৮ — ৮৭ — ২০ — নাই — ৯৬১ — ৩১

১৯৯৪ — ৪৩ — ৮৪ — ৩৩ — নাই — ৯৯০ — ১৬

২৮/২/৯৫ লৈকে ৭ ১৩ — ৫ — নাই — ২০৩ — ২

খ) আৰক্ষীৰ হাতত নিহতৰ সংখ্যা ——— ১৫০ জন

সামৰিক বাহিনীৰ হাতত নিহতৰ সংখ্যা — ১৮ জন

অৰ্দ্ধ সামৰিক বাহিনীৰ হাতত নিহতৰ সংখ্যা — ৩৭ জন

গ) ১৯৯১ ত — ৩ জন

১৯৯২ ত — ১০৫ জন

১৯৯৩ ত — ৪৬ জন

১৯৯৪ ত — ৮৭ জন

১৯৯৫ ৰ

২৮/২ তাৰিখলৈকে — নাই।

ঘ) ১৭৩ জনক মুকলি কৰি দিছে।

৪৪ জনক হত্যা কৰা হৈছে।

৩ জনক উদ্ধাৰ কৰিবলৈ সমর্থ হৈছে।

৮ জন আবদ্ধ হৈ আছে।

Sub : FIRE SERVICE STATION AT RAMKRISHNAGAR.

Sri Rampyare Rabi Das aksed

65. Will the Chief Minister be pleased to State :

a) Whether provisions has already been made in the budget for 1995-96 for setting up a Fire Service Station at Ramkrishna Nagar as assured in reply to unstarred Question 49 of 12.9.94.

b) If yes, what is the amount earmarked (estimated for the purpose ?

c) How ma-ny vehicles (Fire fighting van) wlll be provided at the proposed R. K. Nagar Fire Service Station ?

d) When the long expected Fire Station will be set up ?

Shri Hiteswar Saikia (Chief Minister) replied.

a) Provision for setting up a Fire Station nt R. K. Nagar in the budget for the year 1995-96 has been proposed.

b) Rs. 25, 79,606.

c) Following Fire Fighting vehicles are proposed to be provided.

(i) Water tender pump——2 nos

(ii) Jeep—— 1 nos

(iii) portable pump 1 no

d) It wil be set up as soon as the fund for the purpose proposed in the budget for 1995-96 is made available.

বিষয় : ষ্টেডিয়াম নির্ম্মাণ ।

শ্রী মুনিন মহন্ত ই সুধিছে,

৬৬। মাননীয় ক্রীড়া আৰু যুৱকল্যান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) মৰিগাওঁ নির্ম্মানৰত অৱস্থাত থকা ক্ষীৰোদ বৰুৱা ষ্টেডিয়াম নির্ম্মান সম্পুর্ণ কৰি পূর্ণাঙ্গ ষ্টেডিয়াম ৰূপে গঢ়ি তুলিবলৈ কেন্দ্রীয় মানৱ সম্পদ উন্নয়ণ বিভাগৰ ওচৰত প্রস্তাৱ উৎখাপন কৰাৰ বিষয়ে ব্যৱস্থা গ্রহন কৰিবৰ বাবে বিবেচনা কৰিবনে ?

খ) যদি বিবেচনা কৰে, কেন্দ্রীয় চৰকাৰৰ ওচৰত কেতিয়া পঠাব জনাৰনে ?

গ) পূর্ণাঙ্গ ষ্টেডিয়াম হিচাবে গঢ়ি তুলিবৰ বাবে প্রাক্কলন প্রস্তুত কৰাৰ বাবে বিভাগীয় নির্দেশ দিয়া হবনে ?

শ্রী ইন্দ্র গগৈ (ক্রীড়া আৰু যুৱকল্যাণ বিভাগৰ মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে,

ক) এতিয়ালৈ চৰকাৰৰ ওচৰত তেনে কোনো প্ৰস্তাৱ অহা নাই। তেনে প্ৰস্তাৱ পালে বিবেচনা কৰি চোৱা হব।

খ) প্ৰস্তাৱটো পৰীক্ষা কৰি চোৱাৰ পাচতহে সময় সীমা নিৰ্দ্ধাৰণ কৰিব পৰা যাব।

গ) সিদ্ধান্ত সাপেক্ষে ব্যৱস্থা লোৱা হব।

বিষয় : হাজোৰ বাতৰি।

শ্ৰী বদন বকৰায়ে সুধিছে,

৬৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে : ?

ক) ১৯৯১ চনৰ পৰা ১৯৯৪ চনৰ ভিতৰত পযেকীয়া বাতৰি কাকত "হাজোৰ বাতৰি "য়ে জনসংযোগ বিভাগৰ পৰা কিমান টকাৰ বিজ্ঞাপন লাভ কৰিছে ?

খ) (ক) ত উল্লেখিত 'হাজোৰ বাতৰিয়ে' জনসংযোগৰ পৰা বিজ্ঞাপনৰ বিলৰ বাবদ এতিয়াও কিমান টকা পাবলগীয়া আছে ?

গ) বকেয়া বাৰী কেতিয়াকৈ আদায় দিব তাৰ এটা সময়সীমা দিবনে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১৯৯১ চনৰ পৰা ১৯৯৪ চনৰ ভিতৰত পযেকীয়া বাতৰি কাকত 'হাজোৰ বাতৰি'য়ে ১০,০০০'০০ (দহ হাজাৰ) টকাৰ' বিজ্ঞাপন লাভ কৰিছে।

খ) (ক) ত উল্লেখ কৰা ১০,০০০,০০ (দহ হাজাৰ) টকাৰ পৰা ১৫ /' প্ৰশাসনিক ধাৰ্য্য (ধন) কৰ্তন কৰি 'হাজোৰ বাতৰি'য়ে বিজ্ঞাপনৰ বিলৰ বাবদত ৮,৫০০'০০ (আঠ হাজাৰ পাচ শ) টকা পাবলগীয়া আছে।

গ) বকেয়া বাবী ১৯৯৫ চনৰ মাৰ্চ ম্যহৰ ভিতৰত আদায় দিয়াৰ সম্ভাৱনা আছে ।

বিষয় : প্রতিশ্রুতি ৰক্ষা ।

শ্রী নজমুল হকে সুধিছে,

৬৮। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) ১৯৯৩ আৰু ১৯৯৪ চনত আমচুক মুকলি পৰিবেশনত ওৰেষ্ট গোৱালপাৰা মহাবিদ্যালয় আৰু বাগবাৰী হাইস্কুল প্রাঙ্গনত মুখ্যমন্ত্রীয়ে দিয়া ঘোষণামতে কৰাই খোৱা ভাল তলা PWD ৰাষ্টাটো পকা কৰি দিয়াৰ কাম এতিয়াই আৰম্ভ কৰা হবনে ? যদি নহয় তাৰ উপযুক্ত কাৰণ সদনত জনাবনে ?

খ) উক্ত জনসভাত দিয়া ঘোষণা মতে ওৰেষ্ট গোৱালপাৰা কলেজখনক স্থায়ী মঞ্জুৰী দিয়া তালিকা অন্তভুক্ত কৰা হবনে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) য়ে উত্তৰ দিছে,

ক) ৰাষ্টাটো পকীকৰণৰ বাবে ২ কোটি ২০ লাখ টকাৰ প্রয়োজন । পুঁজিৰ আবণ্টন সাপেক্ষে উক্ত কামটো অচিৰেই আৰম্ভ কৰিব পৰা হব ।

খ) তালিকা প্রস্তুতৰ সময়ত মহাবিদ্যালয়খনৰ যোগ্যতা অনুসৰি স্থায়ী মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰা হব ।

Sub : SECTION OF POLICE OUT POST.

Sri Mission Ranjan Das asked.

69. Will the Chief Minister be pleased to staet :

a) Whether the Govt. has given Departmental santion to the two proposed Police Out Posts one at Lathirghat (Brahmansasan) and another at Fakira-bazar in Karimganj District ?

b) If yes, when these will start functioning ?

c) If not, when sanction will be given ?

Sri Hiteswar Saikia (Chief Minister) replied

a) No.
b) Does not arise.
c) Does not arise,

বিষয় : I. S. I. ৰ কার্য্যকল্যাণ

শ্রী বদ্রী নাৰায়ণ সিংয়ে সুধিছে,

৭০। মাননীয় মূখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) ৰাজ্যখনত I. S. কার্য্যকল্যাণ যে বাঢ়ি আছে এই বিষয়ে চৰকাৰ জ্ঞাতনে ?

খ) যদি জ্ঞাত, তেন্তে ৰাজ্যখনত বৰ্দ্ধিত I. S. I. ৰ কার্য্যকল্যাণ ৰোধ কৰিবলৈ চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা লৈছে ?

গ) এই ক্ষেত্রত কেন্দ্রীয় গৃহমন্ত্রালয়ে প্রেৰণ কৰা বার্ত্তা অনুযায়ী শাসক দলৰ, কেইজনমান বিধায়ককে ধৰি I. S. I. ৰ কার্য্যকল্যাণৰ লগত লিপ্ত ব্যক্তি সকলৰ বিৰুদ্ধে কিয় এতিয়ালৈকে কোনো ধৰণৰ ব্যৱস্থা গ্রহণ কৰা হোৱা নাই ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) বিভিন্ন সুত্রৰ পৰা পোৱা খবৰমতে এই ৰাজ্যত মৌলবাদী আৰু বিচ্ছিন্নতাবাদী শক্তিৰ লগত I. S. I. জড়িত থকা পৰিলক্ষিত হয়।

খ) চৰকাৰ এই বিষয়ে সম্পূর্ণ অবগত আৰু এই বিষয়ে যথাযথ ব্যৱস্থা লোৱা হৈছে ।

গ) I. S. I. ৰ কার্য্যকলাপৰ লগত কোনো শাসক দলৰ বিধায়ক বা ব্যক্তি জড়িত থকাৰ তথ্য চৰকাৰৰ ওচৰত নাই ।

Sub : DACLARING NAHARKATIA AS A CIVIL SUB – DIVISION.

Shri Sasha Kamal Handiqe aksed

71. Will the Chief Minister be pleased to State :

a) Whether Government has decided to drop the idea of declaring NAHARKATIA as a Civil Sub-Division ?

b) If so, what is the reason behind it ? If not, when it will be declared ?

Shri Hiteswar Saikia (Chief Minister) replied

a) No,

b) It is under examination.

বিষয় ঃ ভৱন নির্ম্মাণ

শ্রী ৱমেন্দ্র নাৰায়ণ কলিতাই সুধিছে,

৭২। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) ১৯৯২-৯৩, ৯৩-৯৪, ৯৪-৯৫ চনত দিল্লী ও কলিকতাস্থ অসম ভৱন কেইটাৰ Maintenance আৰু Vehicle ৰ বাবে কিমান টকা ধার্য্য কৰা হৈছিল আৰু কিমান টকা খৰচ কৰা হ'ল জনাবনে ?

খ) উল্লেখিত চন কেইটাত উক্ত ভৱন কেইটাৰ পৰা কিমান টকা সংগ্রহ হল, জনাবনে ?

গ) দিল্লীত অসমৰ ৰুগী সকল থকাৰ আৰু দিল্লীত পঢ়া ছাত্র-ছাত্রীৰ সুবিধাৰ বাবে এটা বহু খলপীয়া ভৱন নির্ম্মান কৰাৰ কথা চৰকাৰে চিন্তা কৰিবনে ?

ঘ) যদি কৰে তেনেহলে ১৯৯৫-৯৬ চনৰ বিত্তীয় বর্ষত ভৱনটো নিম্মানৰ কাম হাতত লবনে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে,

ক) দিল্লীস্থ অসম ভৱনৰ Maintenance ৰ বাবদ ধার্য্য কৰা টকা ও খৰচ যথাক্রমে ঃ—

১৯৯২-৯৩ঃ-৭'৪৬ লাখ - ৭'৪৬ লাখ
১৯৯৩ঃ-৯৪ঃ-৮'৩৩ লাখ - ৮'৩৩ লাখ
১৯৯৪-৯৫ঃ-৩'৯৭ লাখ - ৩'৯৭ লাখ
(ফেব্রুৱাৰী, ৯৫ লৈকে)

কলিকতাস্থ অসম ভৱনৰ Maintenance ৰ বাবদ ধার্য্য কৰা টকা ও খৰচ যথাক্রমে :-

১৯৯২-৯৩- ৭৭'০১৭ লাখ -
২,৮৬,৪৬৫ টকা

১৯৯৩-৯৪ :- ৮৪'১০ লাখ—

৩,৭০,৫২৪ টকা

১৯৯৪ ৯৫-১৩'৩৫ লাখ—

২,৫৪,৭১০ টকা

(ফেব্রুৱাৰী '৯৬ লৈকে)

দিল্লীস্থ অসম ভৱনৰ Vehicle বাবদ ধাৰ্য্যকৰা টকা ও খৰচ যথাক্রমে

১৯৯২-৯৩-৮'৫৮ লাখ-১০'৮২ লাখ

১৯৯৩-৯৪-১২'০৮ লাখ-১১'৩৬ লাখ

১৯৯৪-৯৫-৭'৫০ লাখ-৯'২৩ লাখ

(ফেব্রুৱাৰী '৯৫ লৈকে)

কলিকতাস্থ অসম ভৱনৰ Vehicle বাবদ উক্ত বছৰ কেইটাত টকা ধাৰ্য্য কৰা হোৱা নাই, অৱশ্যে কাৰ্য্যালয় ব্যয় শিতানৰ পৰা Vehicle ৰ বাবদ খৰচ যথাক্রমে :

১৯৯২-৯৩ - ১,৮৪,৬৮৮ টকা

১৯৯৩-৯৪ - ১,৪৩,৩১০ টকা

১৯৯৪-৯৪ ১১,৮৩০ টকা

(ফেব্রুৱাৰী '৯৫ লৈকে)

খ) ১৯৯২ - ৭'০৫ লাখ

১৯৯৩-৯৪-৯৫ - ৮'১৭ লাখ

(ফেব্রুৱাৰী '৯৫ লৈকে)

১৯৯২-৯৩ - ০,৫০,২৯০ টকা

১৯৯৩-৯৪ - ৯,৪৩,১৬০ টকা

১৯৯৪-৯৫ - ১৩,৭০,৯২৩

(ফেব্রুৱাৰী '৯৫ লৈকে)

গ) হয়, চিন্তা কৰিছে।

ঘ) পৰিকল্পনা শিতানৰ পুঁজি আবণ্টনৰ পৰিপ্রেক্ষিতত কাম হাতত লব পৰা যাব।

বিষয় : মার্ঘেৰিটালৈ কার্য্যালয় স্থানান্তৰিত।

শ্রী ৰামেশ্বৰ থানোৱাৰে সুধিছে,

৭৩। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) যোৱা ১৯৮৯ চনত মার্ঘেৰিটা মহকুমা ঘোষিত হোৱাৰ পাছত আজি পর্য্যন্ত কোন কোন বিভাগৰ বিভাগীয় কার্য্যালয় মার্ঘেৰিটালৈ স্থানান্তৰ কৰা হোৱা নাই জনাবনে ?

খ) স্থানান্তৰিত নোহোৱা বিভাগৰ নাম আৰু মুঠ কিমান বিভাগীয় কার্য্যালয় এতিয়াও মার্ঘেৰিটা মহকুমাৰ সদৰত স্থাপিত হোৱা নাই জনাবনে ?

গ) মার্ঘেৰিটাত উপ-পঞ্জীয়ণ কার্য্যালয় আছে যদিও. মাটি.বাৰী হস্তান্তৰৰ কাৰণে প্রয়োজনীয় ষ্টাম্প দলীল, ইত্যাদি যোগান ধৰাৰ কি ব্যৱস্থা কৰা হৈছে জনাবনে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে,

ক) আৰু খ)

তলত উল্লেখ কৰা ২৫ টা বিভাগৰ কার্য্যালয় মার্ঘেৰিটালৈ স্থানান্তৰিত কৰা হোৱা নাই —

১। সহকাৰী কার্য্যবাহী অভিযন্তা (জলসিঞ্চন) কার্য্যালয়।
২। সহকাৰী কার্য্যবাহী অভিযন্তা (ক্ষুদ্র জলসিঞ্চন নিগম)
৩। সংমণ্ডল জনকল্যান বিষয়াৰ কার্য্যালয়।
৪। সহকাৰী কর্য্যবাহী অভিযন্তা (জনস্বাস্থ্য কাৰীকৰি) কার্য্যালয়।
৫। সহকাৰী কার্য্যবাহী অভিযন্তা (গৃহ) কার্য্যালয়।

৬। সংমণ্ডল স্বাস্থ্য কেন্দ্র বিষয়াৰ কার্য্যালয়।

৭। সংমণ্ডল পশুপালন আৰু পশুধন বিষয়াৰ কার্য্যালয়।

৮। উদ্যোগ বি-ভাগৰ অধীক্ষকৰ কার্য্যালয়।

৯। হস্ত তাঁত শিল্প বিভাগৰ অধীক্ষকৰ কার্য্যালয়।

১০। বেচম বিভাগৰ অধীক্ষকৰ কার্য্যালয়।

১১। মীন বিভাগৰ সংমণ্ডলৰ কর্য্যালয়।

১২। গৃহ নির্ম্মান কার্য্যালয়।

১৩। প্রকল্প বিষয়া প্রাপ্ত বয়স্ক শিক্ষা কার্য্যালয়।

১৪। সহকাৰী পঞ্জীয়ক সমৰায় আৰু সমাজকল্যাণ বিভাগৰ কার্য্যালয়।

১৫। খাদী আৰু গ্রামোদ্যোগ বিভাগৰ কার্য্যালয়।

১৬। ভূমি সংৰক্ষণ প্রাধিকাৰীৰ কার্য্যালয়।

১৭। শ্রম বিষয়াৰ কার্য্যালয়।

১৮। তথ্য আৰু জনসংযোগ বিষয়াৰ কার্য্যালয়।

১৯। অর্থনীতি আৰু পৰিসংখ্যা পৰিদর্শকৰ কার্য্যালয়।

২০। পজন আৰু জোখমাখ পৰিদর্শকৰ কার্য্যালয়।

২১। সংমণ্ডল পৰিকল্পনা বিষয়াৰ কার্য্যালয়।

২২। সংমণ্ডল ন্যায়িক দণ্ডাধীশৰ কার্য্যালয়।

২৩। অসম কৃষি উদ্যোগ বিভাগৰ কার্য্যালয়।

২৪। চাহ জনজাতি উন্নয়ণৰ কার্য্যালয়।

২৫। দুগধ প্রকল্প বিষয়াৰ কার্য্যালয়।

গ) মার্ঘেৰিটাত উপ-পঞ্জীয়ন কার্য্যালয়ত ষ্টাম্প বখাৰ বাবে মজবুত কোঠা (Strong Room) অথবা অনুজ্ঞাধাৰী ষ্টাম্প ভেন্দাৰ নোহোৱাত প্রয়োজনীয় ষ্টাম্প দলীল ইত্যাদি তিনিচুকীয়া কোষাগাৰৰ পৰা যোগান ধৰা হয়।

বিষয় : বিধায়কদের মাধ্যমে ক্রীড়া সামগ্রী বিতরণ ।

শ্রী প্রণব কুমার নাথে জিজ্ঞাসা করছেন

৭৪। মাননীয় ক্রীড়া আরু যুব কল্যান বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

ক) বর্ত্তমান সরকার ১৯৯৪-৯৫, ১৯৯৫-৯৬ অর্থ বর্ষের জন্য প্রতিজন বিধায়কের মাধ্যমে (১) খেলা-ধুলার সামগ্রী (২) কলার স্বেচ্ছা-সেবী সংস্থা, গ্রামীন লাইব্রেরীর জন্য Building grant দেওয়ার ব্যবস্থা করবেন কি ?

খ) যদি হয়, কখন, যদি না কেন।

শ্রী ইন্দ্র গগৈ (ক্রীড়া আরু যুবকল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) বর্ত্তমানে তেনে কোনো সিদ্ধান্ত লোৱা হোৱা নাই। ভবিষ্যতে এই বিষয়ে চিন্তা কৰা হব।

খ) এই বিষয়ে বিধি প্রনয়ন কৰিব লাগিব ।

বিষয় : আইন শৃংখলাৰ বাবদ ব্যয় ।

শ্রী দিলীপ কুমাৰ শইকীয়াই সুধিছে,

৭৫। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাৱনে ?

ক) বর্ত্তমানৰ চৰকাৰে আজি তাৰিখলৈকে আইন শৃংখলাৰ নামত কিমান কৌটি টকা ব্যয় কৰিছে ?

খ) উত্তৰ লক্ষীমপুৰত ব্যৱসায়ীক অপহৰণ কৰি হত্যা কৰাৰ ঘটনাত অসম মন্ত্রী সভাৰ এগৰাকী সদস্য জড়িত থকাৰ অভিযোগ সম্পর্কত এই তদন্ত চি, বি, আইৰ দ্বাৰা কৰাৰ কি সিদ্ধান্ত লৈছে ?

শ্রীযুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) আৰক্ষী বিভাগৰ মুঠ ব্যয় ৮৯২, ২৯, ৭২, ৮৬৮,'০০ (আঠশ বিৰানৱৈ কোটি উনত্রিশ লাখ, বাসত্তৰ হাজাৰ, আঠশ আঠষাঠি) টকা।

খ) ঘটনা সম্পর্কত ন্যায়িক তদন্তৰ ব্যৱস্থা কৰা হৈছে।

বিষয় : পুলিচ আউট পোষ্ট।

শ্রীমতী ৰূপম কুমিয়ে সুধিছে,

৭৬। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে .

ক) যোৰহাট জিলাৰ মৰিয়নি সমষ্টীৰ নগালেণ্ডৰ সীমান্তবর্তী দেবেৰাপাৰ পুলিচ আউট প'ষ্টটো পুর্ণ পর্য্যায়ৰ আৰক্ষী নিবেশ কৰাৰ দাবী উত্থাপন কৰা আছে আৰু লগতে হেমলাই চামতলত এটি উপ আৰক্ষী চকী প্রতিষ্ঠা কৰাৰ দাবীত উত্থাপন কৰা চৰকাৰ অবগত নে ?

খ) দেবেৰাপাৰ উপ আৰক্ষী চকীটো পুর্ণ পর্য্যায়ৰ আৰক্ষী নিবেশ কৰা আৰু হেমলাই চামতলত এটা নতুন উপ আৰক্ষী চকী নির্মাণ কৰাৰ বিশেষ ব্যৱস্থা গ্রহণ চৰকাৰে কৰিব নেকি ?

শ্রীযুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে,

ক) দেবেৰাপাৰ পুলিচ আউট প'ষ্টটো পুর্ণ পর্য্যায়ৰ আৰক্ষী চকীলৈ উন্নীত কৰাৰ প্রস্তাৱ চৰকাৰে বিবেচনা কৰা নাই। হেমলাই চামতলত উপ আৰক্ষী চকী প্রতিষ্ঠা কৰাৰ প্রস্তাৱো চৰকাৰৰ নাই।

খ) জগা হোৱা নাই।

Sub : APPOINTMENT OF A.P.B.N. AND T.B.F.

Shri Borgoram Deuri. asked.

77. Will the Chief Minister be pleased to state :

a) Whether any police constables for U.B., A.P.B.N. and T.B.F. have been appointed during the term of present Government till date ?

b) If so, whether the appointment have been made on Constituency wise ?

c) If not, why ?

d) Whether interview was conducted properly ?

Shri Hiteswar Saikia (Chief Minister) replied

a) Yes. Total Nos of 6008 Constables have been appoidted till date.

b) No.

c) Because there is no rule to apppint Constables on Constituency basis. As per rule tho Appointing Authorities i.e. Superintedents of Police of DEF and Commandants of Assam Police Battalions make appointments after holding the Recrut ment Test as per prescribed procedure.

d) Yes,

বিষয় : অসমৰ জলপ্ৰপাত ।

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই সুধিছে

৭৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমৰ ভিতৰত জলপ্ৰপাত কত ক'ত আছে ?

খ) নগাওঁ জিলাৰ চাপানলাত 'চম্পাৱতী'নামৰ এটা জলপ্ৰপাত থকাতো চৰকাৰ জ্ঞাতনে ?

গ) উক্ত জলপ্ৰপাত চাবৰ কাৰনে অসমৰ বিভিন্ন ঠাইৰ পৰা ভ্ৰমণকাৰী যোৱাটো চৰকাৰে জানেনে ?

ঘ) উক্ত জলপ্ৰপাতটো ভ্ৰমণকাৰীৰ বাবে আকৰ্ষণীয় কৰিবৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে ?

ঙ) যদি লোৱা নাই তৎকালেই লৰনে ?

শ্ৰী হিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) পৰ্যাটন বিভাগৰ হাতত থকা তথ্যমতে নগাওঁ জিলাৰ চাপানলা, কাৰ্বিতাংলং জিলাৰ শিলভেটা আৰু উত্তৰ কাছাৰ জিলাৰ নায়লে নামৰ ঠাইত জলপ্ৰপাত আছে ।

খ) এই বিষয়ে জ্ঞাত ।

গ) —ঐ—

ঘ) ১৯৯৫-৯৬ চনৰ বাৰ্ষিক পৰিকল্পনাত পৰ্য্যাটকৰ আকৰ্ষনৰ বাবে এখন আচঁনি লোৱাৰ সিদ্ধান্ত লোৱা হৈছে।

ঙ) প্ৰশ্ন নুঠে ।

Sub : REPORT OF ONE MAN ENQUIRY COMMITTEE,

Shri Promode Gogoi ashed.

79. Will the Chief Minister be pleased. to state :—

a) Whether the Report of One Man Enquiry Committee headed by Shri Bhaskar Boruah. IAS, Additional Chief Seceetary was accepted by the Goverment?

b) If so, actions taken on the said report ?

Shri Hiteswar Saikia, (Chief Minister) replied.

a) Yes.

b) i) Charge sheet against five Army Personel found responsible for the death of Dr. Jayanta Saikia and Smti Sona Rai have already been submitted. The above Army Personnel were arrested by Mangaldoi Police on 20/10/92 and released on bail.

Subesquently it was decided that the Police case against the five guilty Army Personnel be handed over to Army authority for drawing Court Martial Proceedings, Accordingly the matter has been taken up with Govt. of India.

ii) A disciplinary proceedings has been drawn up against Major D.K. Bahri and Naik Shankar Datt for death of Late Paresh Barman of village Balijar,

District Nalbari. The summary of Evidence is in progress.

iii) Court Martial proceedings have already been drawn up by Army authorities against Army Personnel found responsible for rape of Smti Jonaki Saikia. Following three Army Person l involved in the case have been dismissed and sentenced to rigorous imprisonment, Names :—

1) Hav. Mohan Lal —Dismissed—11 months R.I.

2) Rfn. Madal Lal —Dismissed— 4 months R.I.

3) Rfn. Bhoosan Chand-Dismissed— 4 months R.I.

iv) Shri Prabin Ch. Deka, I/c Kaithalkuchi Out Post in the Nalbari District has been placed under suspension with effect from 20/7/92 for giving a false certificate to the Army in respect of handing over of Paresh Baaman from Army custody to Police custody.

The Departmental proceeding drawn against Shri Prabin Ch. Deka, is on and the proceedings is in progress.

v) Departmental action against Dr. M. Medhi, Medical & Health Officer, Uttar Dharmpur Mini Public Healtn Centre has already been started and it is in progress.

বিষয় : সাহায্য পুঁজি বিতৰণৰ ভিত্তি।

৮০। শ্রী নিজামুদ্দিন খানে সুধিছে

ক) "মুখ্যমন্ত্রী সাহায্য পুঁজি" ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ১৫ ফেব্রুৱাৰীলৈ কিমান ধন (বেমাৰীক দিয়া বাদে) বিতৰণ কৰা হৈছে ?

খ) এই সাহায্য পুঁজি বিতৰণৰ ভিত্তি কি ?

গ) বিধান সভা সমষ্টি হিচাবে কোন সমষ্টিত আটাইতকৈ বেছি আৰু কোন সমষ্টিত আটাইতকৈ কম ধন বিতৰণ কৰা হৈছে ?
(টকাৰ পৰিমাণ উল্লেখ কৰিব)

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে।

ক) ৬,০৯,১৩,৫৪৮/- (ছয় কোটি ন লাখ তেইশ হাজাৰ, পাচশ আঠচল্লিশ) টকা বিতৰণ কৰা হৈছে।

খ) বিধিৰ নকল এটা সংলগ্ন কৰা হৈছে। (See the Annexure—XI)

গ) সাহায্য পুঁজিৰ ধন বিধান সভাৰ সমষ্টি ভিত্তিত বিতৰণ কৰা নহয়।

বিষয় : খোৱা পানী যোগান আচনি।

শ্রী চিত্তৰঞ্জন পাটোৱাৰীয়ে সুধিছে,

৮১। মাননীয় পৌৰ প্রশাসন মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) জুৰোদত্ত থকা পৌৰ প্রশাসনৰ খোৱাপানী যোগানৰ আচনি কি অৱস্থাত আছে ?

খ) এই আচনিৰ জৰিয়তে কিমান সংখ্যক পৰিয়ালক খোৱাপানী যোগান ধৰা হৈছে ?

শ্রী দেবানন্দ কোৱৰ (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) জুৰোদৰ খোৱাপানী যোগান আচনিৰ কাম সন্তোষজনক ভাবে আগবাঢ়ি আছে আৰু এতিয়ালৈকে মূল প্ৰকল্পৰ শতকৰা ৮৩ ভাগ কাম সম্পূৰ্ণ হৈছে ।

খ) এই আচনিৰ জৰিয়তে এতিয়ালৈকে পানী যোগান ধৰা হোৱা নাই ।

বিষয় : নিহত ব্যাক্তিৰ পৰিচয় ।

শ্রী হিতেন্দ্র নাথ গোস্বামী য়ে সুধিছে,

৮১। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) চলিত বছৰৰ ৪ ফেব্রুৱাৰীত ঢেকিয়াজুলীত আৰক্ষীৰ লগত হোৱা সংঘৰ্ষত নিহত ব্যাক্তিজন আৰু লক্ষীমপুৰত ৭ ফেব্রুৱাৰীত আৰক্ষীৰ দ্বাৰা শৰদেহ উদ্ধাৰ হোৱা ব্যাক্তি দুজনৰ পৰিচয় কি আৰু তেওঁলোক কোনো সংগঠনৰ লগত জড়িত নেকি ?

খ) চৰকাৰে দুয়োটা ঘটনাৰ ক্ষেত্রত ন্যায়িক তদন্তৰ নিৰ্দ্দেশ দিছে নেকি ?

গ) ঢেকিয়াজুলীত হোৱা সংঘৰ্ষৰ পাছত উক্ত দিনৰ পৰাই সেই অঞ্চলৰ শ্রী মহেন্দ্র মোহন বৰুৱা নামৰ এজন যুৱক নিখোজ হৈ থকা সম্পৰ্কে জিলা প্ৰশাসন বা গৃহ বিভাগ অৱগতনে, যদি অৱগত এই ক্ষেত্রত চৰকাৰৰ বক্তব্য কি ?

শ্রীযুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) মোৱা ৪/২/৯৫ ইং তাৰিখে যোৰহাটৰ ঢেকিয়াজুলীত আৰক্ষীৰ লগত হোৱা সংঘৰ্ষত নিহত ব্যাক্তিজন হল অবিনাথ বৰুৱা ওৰফে ভৰেন বৰা, পিতা শ্রী সুখমনি বৰা, গা-গুকাওনজুৰীয়া, জিলা-যোৰহাট ।

স্বর্গীয় বকুরা যোৰহাট জিলাৰ আলকাৰ জিলা পৰ্য্যায়ৰ নেতা আছিল। যোৱা ৭/১/৯৫ ইং তাৰিখে লক্ষীমপুৰত আৰক্ষীয়ে উদ্ধাৰ কৰা শৰদেহ দুটা (১) দীপক আগৰৱালা. পিতা শ্রীজয়নাৰায়ণ আগৰৱালা (২) ইন্দ্রজিত সিং শেঠী, পিতা—শ্রীমহেন্দ্র সিংশেঠীৰ বুলি চিনাক্ত কৰা হৈছে। উক্ত ব্যক্তি দুজন কোনো সংগঠনৰ লগত জড়িত থকাৰ প্রমাণ পোৱা নাই।

খ) লক্ষীমপুৰৰ ঘটনাৰ সন্দর্ভত চৰকাৰে ন্যায়িক তদন্ত কৰাৰ ব্যৱস্থা কৰিছে।

গ) শ্রী মহেন্দ্র মোহন বকুরা নামৰ যুৱক এজন ঢেকিয়াজুলী অঞ্চলৰ পৰা নিখোজ হোৱাৰ বিষয়ে চৰকাৰ অৱগত নহয়।

বিষয় : সংস্কৃতি উন্নয়নৰ ব্যৱস্থা।

শ্রীনগেন শর্ম্মাই, সুধিছে,

৮৩। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) সাংস্কৃতিক বিভাগে ১৯৯১,১৯৯২,১৯৯৩ ১৯৯৪ চনত অসমৰ সাংস্কৃতি উন্নয়নৰ বাবে কি কি উল্লেখনীয় আচনি লোৱা হৈছিল আৰু সেই আচঁনি সমুহ কার্য্যকৰী কৰা হৈছেনে ?

খ) উক্ত বিভাগত বিভিন্ন ব্যৱসায়ীক ও প্রতিষ্ঠানক দিবলগীয়া টকাৰ পৰিমাণ কিমান ?

মাননীয় শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে,

ক) সাংস্কতিক বিভাগে ১৯৯১. ১৯৯২, ১৯৯৩ আৰু ১৯৯৪ চনত অসমৰ

সাংস্কৃতিক উন্নয়নৰ বাবে লোৱা উল্লেখনীয় আচঁনি সমূহ তলত দিয়া ধৰণৰ ।

১৯৯১-৯২

১। শ্রী শংকৰদেৱ বটা প্রদান অনুষ্ঠান।

২। শিল্পী দিৱস উদ্‌যাপন।

৩। কৰ্ণা, বৃদ্ধ আৰু শাৰিৰীক ভাবে অক্ষম শিল্পীলৈ এককালীন সাহায্য।

৪। পার্ব্বত্য জনজাতি নৃত্য প্রশিক্ষণ শিবিৰ।

৫। ওজাপালি প্রশিক্ষণ শিবিৰ।

৬। অসমৰ লোকনৃত্য (বিহুনৃত্য প্রশিক্ষণ শিবিৰ)

৭। জ্যোতি চিত্রবন ফিল্ম ষ্টুডিঅ চোছাইটিলৈ আর্থিক অনুদান প্রদান।

৮। শিল্পী আৰু তেওঁলোকৰ পৰিয়াললৈ পেঞ্চন প্রদান।

৯। অসমৰ বে-চৰকাৰী বিভিন্ন সাংস্কৃলিক অনুষ্ঠানলৈ এক-কালীন আৰু পুনৰাবর্ত্তক অনুদান।

১০। তথ্যচিত্র নির্ম্মাণ।

১১। অসমীয়া চলচিত্রৰ প্রযোজকলৈ চলচিত্র নির্ম্মাণৰ বাবে অনুদান প্রদান।

১২। অসমৰ বাহিৰত নৃত্য, নাটক, সংগীত আৰু চাৰুকলা অধ্যয়নৰ বাবে মেধাবী ছাত্র-ছাত্রীলৈ জলপানী প্রদান।

১৩। আন্তঃৰাজ্যিক সাংস্কৃতিক বিনিময় আচঁনিৰ যোগে শিল্পী দলৰ বিভিন্ন ৰাজ্য ভ্রমণ আৰু বিনিময়।

১৪। ৰবগীত গবেষণা কেন্দ্রৰ যোগে ছাত্র-ছাত্রীক ৰবগীত, সত্রীয়া নৃত্য আৰু খোল বাদ্যৰ প্রশিক্ষণ।

১৫। বিভাগীয় সাংস্কৃতিক অনুষ্ঠান আৰু শিল্পী সকললৈ সৌজন্য মূলক সাহায্য আদি প্রদান।

১৯৯২-৯৩

১। তাইযাদুঘৰ নিৰ্ম্মাণ সম্পূৰ্ণ আৰু উদ্ঘোধন

২। গোলাঘাটত ৰৰাক-ব্ৰহ্মপুত্ৰ সমন্বয় আচনি - ম

৩। নতুন দিল্লীৰ গণতন্ত্ৰ দিৱসত অংশ গ্ৰহণ আৰু প্ৰতীক পট প্ৰদৰ্শন

৪। জ্যোতি চিত্ৰবন ফিলম ষ্টুডিঅলৈ আৰ্থিক সাহায্য প্ৰদান।

৫। অসমৰ বে-চৰকাৰী সাংস্কৃতিক অনুষ্ঠান সমূহলৈ এক-কালীন আৰু পুনৰাবৰ্ত্তিত সাহায্য প্ৰদান।

৬। শিল্পী সকললৈ পেঞ্চন।

৭। তথ্যচিত্ৰ নিৰ্মান।

৮। শ্ৰী শ্ৰী শংকৰদেৱ বটা প্ৰদান অনুষ্ঠান।

৯। অসমৰ বাহিৰত অধ্যয়নৰ বাবে মেধাবী ছাত্ৰ-ছাত্ৰীলৈজলপানী প্ৰদান।

১০। অসমীয়া চলচিত্ৰৰ প্ৰযোজক সকললৈ অনুদান মূলক সাহায্য বিতৰণ।

১১। আন্তঃৰাজ্যিক বিনিময় আচঁনি যোগে শিল্পী দলৰ বিভিন্ন ৰাজ্য ভ্ৰমণ আৰু বিনিময়।

১২। বিভাগীয় নাট্যশালাৰ যোগে নাট মঞ্চস্থ।

১৩। ৰৰগীত গৱেষণা কেন্দ্ৰৰ যোগে ছাত্ৰ-ছাত্ৰীলৈ বিনামূলীয়া ৰৰগীত সত্ৰীয়া নৃত্য আৰু খোল বাদন প্ৰশিক্ষণ।

১৪। বিষ্ণুৰাভা দিৱস পালন।

১৫। বিভিন্ন সাংস্কৃতিক অনুস্থান আৰু শিল্পী লৈ সৌজন্যমূলক সাহায্য প্ৰদান।

১৯৯৩-৯৪

১। ৰাষ্ট্ৰিয় চলচিত্ৰ বঁটা প্ৰাপ্ত শিল্পী পৰিচালনা আদিলৈ সম্বৰ্দ্ধনা।

২। শিল্পী দিৱস পালন।

৩। ৰাভা দিৱস উদযাপন (গোৱালপাৰা)

৪। শ্ৰী শ্ৰীমন্ত শংকৰদেৱ ৰ ঁটা প্ৰদানৰ বাবে যাবতীয় আয়োজন।

৫। ভাৰত ত্যাগ আন্দোলন পালন।

৬। চুইদিছ শিশু চলচিত্ৰ মহোৎসৱ।

৭। তাই যাদুঘৰৰ সা-সামগ্ৰী ক্ৰয়।

৮। শ্ৰীমন্ত শংকৰদেৱ কলা ক্ষেত্ৰলৈ সাহায্য প্ৰদান।

৯ পূৰ্ণ দৈৰ্ঘ চলচিত্ৰ "শ্বহীদ কুশল কোঁৱৰ।

১০। জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ চোছাইটিলৈ আৰ্থিক সাহায্য প্ৰদান।

১১। ভ্ৰাম্যমান মঞ্চ ক্ৰয়ৰ বাবে আংশিক ভাবে ধন প্ৰেৰণ।

১২। শিল্পীলৈ ৰাজ্যিক পেঞ্চন প্ৰদান।

১৩। ৰাষ্ট্ৰিয় পূতলা সমাৰোহ।

১৪। উত্তৰ পূৰ্ব্বাঞ্চলৰ লোক নৃত্য সমাৰোহ।

১৫। বসন্ত উৎসৱ পালন।

১৬। তাই সাহিত্য সভালৈ শিল্পী দলৰ অনুষ্ঠান পৰিবেশ।

১৭। ৰৱগীত গৱেষণা কেন্দ্ৰত ছাত্ৰ-ছাত্ৰীলৈ বিনামূলীয়া ৰৱগীত, সত্ৰীয়া নৃত্য আৰু খোল ৰাদনৰ পশিক্ষণ i

১৮। অসমৰ ৰাহিৰত সংগীত নৃত্য, নাটক চিত্ৰকলা আদিত অধ্যয়নৰ বাবে জলপানি প্ৰদান।

১৯। তথ্যচিত্ৰ নিৰ্ম্মাণ।

২০। নতুন দিল্লীত গণৰাজ্য দিৱসত অংশ গ্ৰহণ আৰু প্ৰতীক পট নিৰ্ম্মাণ আদি।

২১। শিল্পীলৈ ভাৰত চৰকাৰৰ আচনি ভুক্ত পেঞ্চন আদি।

১৯৯৪-৯৫

১। শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্রলৈ অসম চুক্তিৰ ৬ নং দফা অনুসৰি ৩ কোটি টকাৰ আৰ্থিক অনুদান প্রদান আৰু গৃহ নির্মাণ প্রক্রিয়া আৰম্ভ ।

২। ভাৰতীয় বিভিন্ন ৰাজ্যৰ লোকগীতৰ শ্রব্য কেছেট নির্ম্মাণ আৰু উৰ্ম্মোচন ।

৩। শিল্পী দিৱস কেন্দ্রীয় ভাৱে তিনিচুকীয়াত পাল।

৪। গোলাঘাটত গোলাঘাট জিলা মহোৎসৱ পালন।

৫। জ্যোতি চিত্রবন ফিল্ম ষ্টুডিঅলৈ আৰ্থিক সাহায্য প্রদান।

৬। বিষ্ণুৰাভা দিৱস পালন ।

৭। ৰুগ্ন বৃদ্ধ আৰু শাৰিৰীক অসমর্থ শিল্পীলৈ সাহায্য প্রদান আচনি যোগে সাহায্য ।

৮। বে-চৰকাৰী সাংস্কৃতিক অনুষ্ঠান সমূহলৈ আৰ্থিক সাহায্য ৰূপায়ণ।

৯। তথ্যচিত্র নির্ম্মাণ আঁচনি ।

১০। নগাওঁ, শিৱসাগৰ, তিতাবৰ আৰু সোনাৰীত নতুন সাংস্কৃতিক কেন্দ্র স্থাপন ।

১১। বিভাগীয় নাট শাখাৰ জৰিয়তে নাটক মঞ্চস্থ ।

১২। ৰৰগীত গৱেষণা কেন্দ্রযোগে ৰিনামূলীয়াকৈ ছাত্র-ছাত্রীক ৰৰগীত সত্রীয়া নৃত্য আৰু খোল বাদন প্রশিক্ষণ।

১৩। যুৱ মহোৎসৱ পালন ।

১৪। "এনিমেচন" কথাছবি নির্ম্মাণৰ সন্দর্ভত শিশু কর্মশালা

১৫। শিশু কর্মশালাৰ আয়োজন ।

১৬। নতুন দিল্লীৰ আন্তঃৰাষ্ট্ৰীয় আৰু জাতীয় বাণিজ্যিক মেলালৈ সাংস্কৃতিক দল প্ৰেৰণ।

১৭। আন্তঃৰাষ্ট্ৰীয় বিনিময় আঁচনি যোগে শিলপী দলৰ বিভিন্ন ৰাজ্য ভ্ৰমণ।

১৮। বড়ো সাহিত্য সভা, তাই সাহিত্য সভালৈ সাংস্কৃতিক দল প্ৰেৰণ

১৯। ভ্ৰাম্যমান মঞ্চ আৰু আনুসংগিক সা-সামগ্ৰী ক্ৰয়ৰ আঁচনি।

২০। শংকৰদেৱ বটা প্ৰদান আঁচনি।

২১। শিলপীলৈ ভাৰত চৰকাৰৰ আঁচনি ভুক্ত পেঞ্চন।

২২। শিলপীলৈ ৰাজ্যিক পেঞ্চন।

২৩। বড়ো স্বায়ত্ত শাসিত পৰিষদলৈ আৰ্থিক অনুদান।

উত্তৰ (খ)

১। বৰ্ত্তমানলৈ বিভিন্ন ব্যক্তি তথা প্ৰতিষ্ঠানক দিবলগীয়া ধনৰ পৰিমাণ হৈছে ৭৯,৪৩,০০০/- (উনআশী লাখ তিয়াল্লীশ হাজাৰ) টকা মাত্ৰ।

২। অসমীয়া চলচিত্ৰ প্ৰযোজকলৈ আমোদকৰৰ মুঠ ৮০ লাখ টকা (অনুদান হিচাবে দিয়াৰ ব্যৱস্থা)।

বিষয় : ১৪৪ ধাৰা আইন।

শ্ৰী ধ্ৰুব কুমাৰ সেনে সুধিছে,

৮৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ধুবুৰী চহৰত ১৯৯১ চনৰ ১ জুলাই মাহৰ পৰা ১৯৯৫ ফেব্ৰুৱাৰী লৈকে 'কাৰ্ফু' আৰু ১৪৪ ধাৰা দিয়া হৈছে নেকি ?

খ) যদি দিয়া হৈছে তেনেহলে কাৰ্ফু কিমান ঘণ্টা আৰু ১৪৪ ধাৰা আইন কিমান দিনলৈ দিয়া হৈছে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীযুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে।

ক) ১/৬/৯১ ৰ পৰা হোৱা নাছিল ।

খ) সান্ধ্য আইন ১১/১২/৯২ ইং তাৰিখৰ পৰা ৮/১/৯৩ তাৰিখলৈকে পৰ্য্যায়ক্ৰমে দিনৰ ভাগত শিথিল কৰি ৰাতিৰ ভাগত বলবৎ কৰা হৈছিল ।

ফৌজদাৰী কাৰ্য্যবিধিৰ ১৪৪ ধাৰা আইন বলবৎ কৰা তাৰিখ সমূহ তলত দেখুওৱা হল ।

১৪-৬-৮১ ইং তাৰিখৰ পৰা		১২-৭-৯১ লৈ
৬-১১-৯১	,,	৪-২-৯৩ লৈ
৭-২-৯৩	,,	৮-৪-৯৩ লৈ
৮-৪-৯৩	,,	৫-৬-৯৩ লৈ
১৩-৬-৯৩	,,	১৪-৮-৯৩ লৈ
১৭-১০-৯৩	,,	১৭-১২-৯৩ লৈ
১৮-১২-৯৩	,,	১৮-২-৯৪ লৈ
২২-২-৯৪	,,	২২-৪-৯৪ লৈ
২৫-৪-৯৪	,,	২৫-৬-৯৪ লৈ
৮-৭-৯৪	,,	৮-৯-৯৪ লৈ
৯-৯-৯৪	,,	৮-১১-৯৪ লৈ
৮-১১-৯৪	,,	৭-১-৯৫ লৈ
৯-১-৯৫	,,	৯-৩-৯৫ লৈ

বিষয় : ছপাশালৰ কৰ্ম্মচাৰীৰ সংখ্যা ।

শ্ৰী বদন বকৰাই সুধিছে,

৮৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম চৰকাৰৰ গুৱাহাটীত থকা ছপাশালত গেজেটেড বিষয়াকে লৈ একেবাৰে চতুৰ্থ বৰ্গৰ কৰ্ম্মচাৰীকে ধৰি সৰ্ব্বমুঠ কিমান কৰ্ম্মচাৰী আছে ?

খ) কৰ্ম্মচাৰী সকলক দৰমহা দিওঁতে ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ বিত্তীয় বছৰত কিমান টকা খৰছ কৰা হৈছে ?

গ) ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ বিত্তীয় বছৰত ছপাশালটোৰ আয় কিমান আৰু ব্যয় কিমান ?

ঘ) ছপাশালটো আধুনিককৰণৰ ব্যৱস্থা কৰিছে নেকি ?

ঙ) যদি কৰিছে কি কি ব্যৱস্থা লৈছে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) সৰ্ব্বমুঠ ৫১২ জন কৰ্ম্মচাৰী আছে। তাৰে ভিতৰত ৬ (ছয়) জন ৰাজপত্ৰিত (গেজেটেড) বিষয়া ।

খ) ১৯৯১-৯৩ বিত্তীয় বছৰত মুঠ ২,০৭,৯৯,৫৫৪ টকা আৰু ১৯৯৩-৯৪ বিত্তীয় বছৰত মুঠ ২,৪৩,১৪,৬৪২ টকা দৰমহাত খৰছ কৰা হৈছে ।

গ) ১৯৯১-৯৩ আৰু ১৯৯৩-৯৪ বিত্তীয় বছৰত হোৱা আয় যথাক্ৰমে ৭৬,৬১৮'৫৬ টকা আৰু ৪৭,১১২,৬১ টকা ৷
উক্ত বছৰ দুটাত ব্যয়ৰ পৰিমাণ যথাক্ৰমে ১,১০,৯৮,০১৫ টকা আৰু ২,৬১,২৩,৫৪১ টকা ।

ঘ) হয়, কৰি থকা হৈছে ।

ঙ) নিম্ন লিখিত ব্যৱস্থা সমূহ লোৱা হৈছে :—

১। আখৰ গোটনিৰ বাবে DTP Computer Machinse ৰ ব্যৱহাৰ

২। আধুনিকতম Offset পদ্ধতিৰে ছপা কৰাৰ ব্যৱস্থা ।

বিষয় : হত্যাৰ তদন্ত ।

শ্ৰী বদ্ৰি নাৰায়ণ সিংয়ে সুধিছে,

৮৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) লক্ষীমপুৰত ৰাজেন্দ্ৰ সিং আৰু দিপক আগৰৱালাৰ হত্যাৰ তদন্ত গুৱাহাটী উচ্চ ন্যায়লয়ৰ এজন ন্যায়াধীশৰ দ্বাৰা কৰা হব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস দিয়াতো সচানে আৰু যদি সচা, এই তদন্ত সমিতি কেতিয়া গঠন কৰা হব ?

খ) কিমান দিনৰ ভিতৰত এই সমিতিয়ে তদন্তৰ ৰিপোৰ্ট দাখি ধৰিব ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ।

ক) সচা । এই বিষয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মাননীয় মুখ্য ন্যায়াধীশৰ নাম প্ৰেৰ কৰিবলৈ অনুৰোধ কৰাৰ ব্যৱস্থা কৰা হৈছে ।

খ) বর্ত্তমান অৱস্থাত এই বিষয়ে প্রশ্ন নুঠে।

বিষয় : দুর্নীতিৰ অভিযোগৰ ব্যৱস্থা।

শ্রী নজমুল হকে সুধিছে,

৮৭। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) গোৱালপাৰা জিলাৰ বগুৱান আৰক্ষী থানাৰ ভাৰপ্রাপ্ত বিষয়াজনৰ বিৰুদ্ধে উঠা ব্যাপক দুর্নীতিৰ অভিযোগ সম্পর্কে চৰকাৰ অৱগতনে ? যদি অৱগত চৰকাৰে এই বিষয়ত কিবা ব্যৱস্থা লৈছেনে ?

খ) যদি লোৱা নাই তেন্তে আৰক্ষী বিভাগৰ উচ্চক্ষমতা সম্পন্ন বিষয়াৰ দ্বাৰা তদন্তৰ ব্যৱস্থা কৰা হবনে ?

গ) উক্ত ভাৰপ্রাপ্ত বিষয়াজনে উৎকোচ গ্রহণ কৰি থানা অঞ্চলৰ ভিতৰত ব্যাপক জুৱাখেলৰ প্রসাৰ ঘটোৱাৰ কথা চৰকাৰ অবগত নে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) ১/২/৯৫ তাৰিখে বিষয়াজনৰ বিৰুদ্ধে দুর্নীতিৰ অভিযোগ সম্বলিত আবেদন পোৱা হৈছিল। সেই মর্ম্মে তদন্ত কৰা হৈছে।

খ) তদন্ত কৰা হৈছে।

গ) সত্য নহয়।

বিষয় : প্রস্তাবিত নতুন আরক্ষী বাহিনীর সদর কার্য্যালয় স্থাপনের দাবী।

শ্রী প্রণব কুমার নাথ, জিজ্ঞাসা করছেন,

৮৮। মাননীয় মুখ্যমন্ত্রী মহাশয়ে অনুগ্রহ করিয়া জানাবেন কি ?

ক) রাজ্য সরকার আসামে নুতন যে (Police Battalion) গঠন করবেন, তাহার সদর কার্য্যালয় করিনগঞ্জ জিলার ইয়ালী গুল নামক স্থানে স্থাপন করার ব্যবস্থা করবেন কি ?

খ) ইয়ালী গুল নামক স্থানটি জিলার মধ্যবর্ত্তী স্থানে প্রচুর সরকারী খাস ভুমি সহ প্রচুর জাযাগা রয়েছে এবং রেল ওড়ক পরিবহনের সুযোগ সহ বণ্যার প্রকোপ হীন এলাকা সেজন্য এব্যাপার যিভাগিয় কর্ত্তৃপক্ষ কি পদক্ষেথ নিচ্ছেন জানাবেন কি ?

গ) বর্ত্তমান অর্থ বর্ষে নতুন আরক্ষী বাহিনী গঠনের ব্যবস্থা করবেন কি ?

শ্রীযুত হিতেশ্বর শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তর দিছে :

ক) রাজ্য চরকারে এটা 'কামাণ্ডো বাহিনী' গঠন করার বাবে যি প্রাথমিক প্রস্তুতি চলাইছে, তার সদর কার্য্যালয়র স্থান নির্ণয় সম্বন্ধে এতিয়া-লৈকে কোনো সিদ্ধান্ত গ্রহণ করা নাই।

খ) একো পদক্ষেপ লোৱা হোৱা নাই।

গ) 'ক' প্রশ্নর ও উত্তর দ্রষ্টব্য।

বিষয় : খেলা ধূলার সামগ্রী বিতরণ।

শ্রী রূপম কুর্ম্মী য়ে সুধিছে,

৮৯। মাননীয় ক্রীড়া আরু যুবকল্যাণ বিভাগর মন্ত্রী মহোদয়ে অনুগ্রহ করি জনাবনে :

যোৰহাট জিলাৰ মরিয়নি সমষ্টিত অৱস্থিত পঞ্জীয়ন ভুক্ত হৈ ক্রীড়া আৰু যুৱকল্যাণ কেন্দ্ৰ সমূহলৈ আৰ্থিক তথা খেলা ধ্‌লাৰ সামগ্ৰী কেতিয়া বিতৰণ কৰিব ?

শ্ৰী ইন্দ্ৰ গগৈ (ক্রীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে,

পঞ্জীয়ন ভুক্ত সংস্থা সমূহৰ পৰা আবেদন পালে পুঁজি সাপেক্ষে আৰ্থিক ও খেলা ধ্‌লাৰ সামগ্ৰী চলিত বছৰতে বিতৰণ কৰা হব।

বিষয় : পুলিচ জিম্মাত মৃত্যু।

শ্ৰী শশকমল সন্দিকৈ সুধিছে,

৯০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

১৯৯৪ চনৰ ১ জানুৱাৰীৰ পৰা ১ ফেব্রুৱাৰী ১৯৯৫ চনলৈকে পুলিচৰ জিম্মাত মৃত্যু হোৱা লোকৰ সংখ্যা কিমান ?

মাননীয় শ্ৰীযুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

পুলিচৰ জিম্মাত মৃত্যু হোৱা লোকৰ সংখ্যা হল ২১ জন।

বিষয় : পানী যোগান আচনী।

শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতাই সুধিছে,

৯১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) আমৰাৰী ফটাশিল, দুৰ্গাসৰোৱৰং আৰু ওদালবাক্ৰাৰ পানী যোগান আচনী কেইটা শুভ উদ্ঘোধন কৰাৰ পিছতো জনসাধাৰণে পানী নোপোৱা কথাটো চৰকাৰ অবগতনে আৰু আমৰাৰী ফটাশিল পানী

যোগান আচনীৰ পানীৰ টেংকীটো এতিয়া সম্পুৰ্ণ নকৰাৰ কাৰণ কি আৰু এই টেংকীটো কেতিয়া সম্পুৰ্ণ কৰিব ?

খ) কালাপাহাৰ, শংকৰপুৰ আৰু গোটানগৰৰ পানী যোগান আচঁনি কেইটা বৰ্ত্তমান কি অৱস্থাত আছে আৰু এই আচঁনি কেইটা কেতিয়া সম্পুৰ্ণ কৰিব ?

গ) পশ্চিম দুৰ্গাসৰোবৰৰ পাহাৰুৱা অঞ্চলত আৰু কালাপাহাৰৰ বৰ্ষাপাৰাত দুটা অতিৰিক্ত পানীৰ টেংকীৰ ব্যৱস্থা কৰি দুৰ্গাসৰোবৰৰ পানী যোগান আচঁনি আৰু ওদালবাক্রা পানী যোগান আচঁনিৰ পৰা খোৱা পানীৰ যোগান ধৰাৰ ব্যৱস্থা কৰিব নেকি ?

ঘ) জু-নাৰেঙ্গীৰ পানী যোগান আচঁনিটো বৰ্ত্তমান কি পৰ্য্যায়ত আছে জনাৰনে ?

শ্রী হিতেশ্বৰ শইকীয়াই (মুখ্যমন্ত্রী) য়ে মউত্তৰ দিছে—

ক) ১) 'আমৰাৰী ফটাশিল'আৰু' দুৰ্গাসৰোবৰ' আচঁনিৰ পৰা নিয়মীয়াকৈ পানী যোগান ধৰি থকা হৈছে ।

২) ওদালবাক্রা পানী যোগান আচঁনিৰ পৰা পানী যোগান ধৰিব পৰা ব্যৱস্থা হাতত লোৱা হৈছে ।

৩) কাৰিকৰী অসুবিধাৰ বাবে আমৰাৰী ফটাশিল পানী যোগান আচঁনিৰ টেংকী নিৰ্ম্মান কৰিব পৰা হোৱা নাই ।

খ) ১) 'কালাপুৰ' আৰু গোটানগৰ পানী যোগান আচঁনিৰ কাম চলি আছে ।

২) 'শংকৰপুৰ' পানী যোগান আচঁনিৰ পৰা নিয়মীয়াকৈ খোৱা পানী যোগান ধৰি থকা হৈছে ।

গ) ১) দুৰ্গা সৰোবৰ পানী যোগান আচঁনিৰ পৰা পশ্চিম দুৰ্গা সৰোবৰ পাহাৰীয়া অঞ্চলত পানী যোগান ধৰিব পৰা নহব ।

২) বর্ষাপাৰা আৰু কালাপাহাৰ গভীৰ নীল-নাদৰ পৰা বৰ্ষাপাৰা আৰু কালাপাহাৰ অঞ্চলত খোৱাপানী যোগান ধৰিব পৰা আচঁনি বৰ্ত্তমান হোৱা নাই ।

৩) এই আচঁনিটো বৰ্ত্তমান নগৰ পানী যোগান পৰিযোধন আচঁনিৰ অধিনস্থ ।

Sub: RESTRICTION OF PUBLIC MEETING OF OPPOSITION PARTIES.

Shri Nunin Mahanta asked.

92. Will the Chief Minister be pleased to State.

a) Whether any restriction has been imposed on holding Public Meetings by opposition parties on the 'Bihu Toli' of Morigaon Town, which is developed by local people for meeting, and Cultural purposes.

b) If not, whether Government is aware that the civil and Police administration of the Morigaon District have arbitrirly refused permission to the communist party of India to hold public Meetings on several Occassion specially on 25th February.

c) Whether Government is aware that imposition of restriction on public Meetiugs Organised by Political parties, without prior permission of the aurthority amounts to a violation of their democratics and Constitutional rights ?

Shri Hiteswar Saikia (Chief Minister) replied.

a) There is no restriction on holding of Public Meeting by opposition parties in Bihu Toli of Morigaon Town. In fact, there is no order restricting holding of Public meeting by any Political parties at 'Bihu Toli', Morigaon.

b) Considering the law and order aspect the Deputy Commissioner, Morigaon discussed with the Organisers regarding holding the meeting on 4/4/94 and 5/4/94 at Bihu Toli without any demonstration etc. but C.P I. did not hold the public meeting at Bihu Toli and took out a procession in violation of prahibitory order under Section 144 Cr. P. C. Again on 1-5-94 C.P.I. applied to hold meeting at Bihu Toli but they were allowed after discussion with the organisers to hold the meeting at Gandhi Bhavan instead of Bihu Toli.

On 25/2/95 C.P.I. applied to hold meeting at Bihu toli. but the organisers were verdally requested to select alternative vanue but the party did not come np with altrernative proposal.

c) Permission to hold public meeting by any Political parties is required in view of prohibitory order under Section 144 Cr. P.C. and hence There were no violaton of the democratic and Constilutional rights.

বিষয় : মিনি ষ্টেডিয়াম।

শ্রী ৰূপম কুৰ্মীই সুধিছে,

৯৩। মাননীয় ক্রীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) মোৰহাট জিলাৰ মৰিয়ণি সমষ্টিৰ নকতাৰীত এটি সৰু খেল পথাৰ (Mini Stadium) অৱস্থিত, এই খেল পথাৰটিক পূৰ্ণাঙ্গ পৰ্য্যায়ৰ গড় দিয়াৰ ব্যৱস্থা কৰিব নে ?

খ) যদি কৰিব, কেতিয়া ?

শ্রী ইন্দ্র গগৈ (ক্রীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে

ক) প্রয়োজনীয় পুঁজি সাপেক্ষে ব্যৱস্থা গ্রহন কৰা হব।

খ) পৰ্য্যায়ক্রমে।

বিষয় : বাজেয়াপ্ত কৰা অস্ত্র-শস্ত্র আৰু ধনৰ অৱস্থান।

শ্রীশশকমল সন্দিকৈয়ে সুধিছে,

৯৪। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) ১৯৯১ চনৰ পৰা ১৯৯৩ পৰ্য্যন্ত ৰাজ্যখনৰ উগ্রপন্থী সংগঠন আলফা আৰু বি-এছ-একৰ বিৰুদ্ধে চলোৱা অভিযানত মুঠ কিমান সস্ত্র-শস্ত্র আৰু নগদ ধন উদ্ধাৰ আৰু বাজেয়াপ্ত কৰা হৈছে ?

খ) উদ্ধাৰ আৰু বাজেয়াপ্ত কৰা ধনবিলাক বৰ্তমান কি অৱস্থাত আছে ?

শ্রীযুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) আলফাৰ পৰা উদ্ধাৰ কৰা অস্ত্ৰ-শস্ত্ৰ টকাৰ তালিকা এনে ধৰণৰ :

১)	ফেক্টৰীত নিৰ্মিত SBBL	৪১৮ টা
২)	হাতে-সজা বন্দুক	১৭ টা
৩)	SBML	১৩ টা
৪)	DBBL	৯২ টা
৫)	Pistol/Revolver	২৩০ টা
৬)	Carbine	৩৬ টা
৭)	Rifle	৪৪ টা
৮)	হাতে-সজা	৪৭ টা

৯) আলফাৰ পৰা ৩,৯৪,১৩,৪৮৯'৩০ (তিনি কৌটি চৌৰানব্বৈ লাখ তেৰ হাজাৰ চাৰিশ উনব্বৈ টকা ত্ৰিছ পইছা) উদ্ধাৰ কৰা হয়।

Bd. S.F. পৰা উদ্ধাৰ কৰা অস্ত্ৰ শস্ত্ৰৰ পৰিমাণ আৰু টকাৰ সংখ্যা এনে ধৰণৰ :

১)	ফেক্টৰীত নিৰ্মিত SBBL	৩৩ টা
২)	SBML	১১১ টা
৩)	Pistol/Revolver	১১ টা
৪)	Carbine	২ টা
৫)	Rifle	৯ টা
৬)	Morter	১ টা

৭) উদ্ধাৰ কৰা টকাৰ পৰিমাণ ৩,০১,২২১'০০ টকা (তিনি লাখ দুই হাজাৰ দুশ একৈশ টকা) এতিয়ালৈকে এই অস্ত্ৰ-শস্ত্ৰৰ বাজেয়াপ্ত-কৰন কৰা হোৱা নাই।

ক) ULFA ৰ পৰা উদ্ধাৰ কৰা মুঠ টকাৰ ভিতৰত

কোষাগাৰত	৩৯১৪·৮৪'৮০	টকা
State Bank (Suspence) A/C	২,৯৬,০১,৯২০'০০	টকা
ব্যক্তিগত জিম্মাত	৬৫,৫১৫,০০'০০	টকা
মালখানাত	২,৪০,৯৮৪'৫০	টকা
আদালতত	৫০০০'০০	টকা আছে।

Bd S.F. ৰ পৰা উদ্ধাৰ কৰা ৩,০১,২১,০০ টকা মালখানাত জমা ৰখা হৈছে।

DISCUSSION DURING ZERO HOUR

Mr. Speaker : Question Hour is over. Now Zero Hour.

I have received as many as 12 zero hour not'ces for 23.3.95 in the name of following Honble, Members—

1) Shri Mohibul Haque.
2) Shri prafulla Kumar Mahanta
   Shri Chandra Mohan Patowary.
   Shri Thaneswar Boro.
3) Shri Nagen Sarma.
4) Shri Gohin Chandra Das.
5) Shri Pani Ram Rava
   Shri Derhangra Mushahary.
6) Shri Dilip Kumar Saikia.
7) Shri Nizamuddin Khan
   Shri Parameswar Barhma
   Shri Dilip Kumar Saikia.
8) Shri Dhruba Kumar Sen.
9) Shri Dhruba Kumar Sen.
10) Shri Sasha Kamal Handique
    Shri Hitendra Nath Goswami.

11) Shri Nazmul Haque.

12) Shri Hitesh Deka.

As per Rules. I have selected only 3 for discussion. I now call upon the Hon'ble Member Shri Nazmul Haque to raise his zero hour motion which was published in Ajir Batori under the caption "চৰ অঞ্চলত ব্যাপক হাৰত উচ্ছেদ অভিযান।"

* শ্রী নজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, ২২ তাৰিখৰ আজিৰ সংবাদ বাতৰি কাকতত এটা চাঞ্চল্যকৰ বাতৰি প্ৰকাশ পাইছে যে চৰ অঞ্চল বিলাকত ব্যাপক উচ্ছেদ কাৰ্য্য আৰম্ভ হৈছে। জিলাৰ উপায়ুক্তই ৰুদ্রমূৰ্ত্তি ধাৰণ কৰি মানুহ বিলাকক উচ্ছেদ কৰিছে। মই চৰকাৰক অৱগত কৰাৰ কাৰণে কৈছো যে, সেই চৰ বিলাক মানুহৰ বসবাসৰ যোগ্য নহয় ব্ৰহ্মপুত্ৰৰ বালি অঞ্চল আৰু তাত গছ-গছনি আদি একো নাই। কিছুমান দুখীয়া মানুহ সেই চৰ বিলাকত বসবাস কৰি আছে। সেই মানুহ বিলাকৰ ভিতৰতো ৪০ শতাংশ শিক্ষিত লোক আছে। তেওঁলোকে বেংক আদিৰ পৰা ঋণ লৈ জীৱিকা নিৰ্ব্বাহ কৰি আছে। আৰু যিবিলাক দুখীয়া মানুহ তেওঁলোকে বিক্সা, ঠেলা বা দিন হাজিৰা আদি কৰি জীৱিকা নিৰ্ব্বাহ কৰি আছে। সেই মানুহ বিলাক অবাঞ্ছিত মানুহ নহয়। কিছুমানে তেওঁলোকক বাংলাদেশী বুলি কৈছে। মই এটা কথাৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো যে, জনদিস বেমাৰীয়ে যেনেকৈ সকলোকে হালধীয়া দেখে এতিয়া বাংলাদেশী শব্দটোও তেনেকুৱা

* Speech not Corrected

হৈছে। এই কামত নলগা মাটিত থকা মানুহখিনিক আজি উচ্ছেদ কৰা হৈছে। এই মাটিত কোনো গছ গছনি নাই, বাৰিষা ৩ ফুট ৪ ফুট পানী হয়। মন্ত্রী মহোদয় যদি যায় তেনেহলে তেখেতৰ লগত মই কালিলৈ সেই অঞ্চললৈ যাব পাৰো। গতিকে এই মানুহখিনিৰ ওপৰত যাতে অত্যাচাৰ কৰা নহয় ৰুদ্রমূর্ত্তি ধাৰণ কৰি যাতে উচ্ছেদ অভিযান চলোৱা নহয় এইটো বন্ধ কৰিব লাগে। সেই মানুহখিনিক চৰকাৰে পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰো যে, এই মানুহখিনিৰ নাগৰিকত্ব প্রমাণ কৰক। যদিহে তেওঁলোক ভাৰতীয় নাগৰিক নহয় তেনেহলে তীব্র প্রতিবাদ কৰক। তেওঁলোকক বাংলাদেশলৈ পঠাই দিয়ক। মই মুখ্যমন্ত্রী আৰু ৰাজহ মন্ত্রী মহোদয়ৰ পৰা এটা উত্তৰ বিচাৰিছো।

* শ্রী হিতেন্দ্র নাথ গোস্বামী : অধ্যক্ষ মহোদয়, এইটো এটা চেণ্টিমেণ্টৰ কথা গতিকে মাননীয় সদস্যজনৰ কথা খিনিক শ্রদ্ধা জনাইছো কিন্তু মানুহখিনি যদি ক্রিমিনেল কেচত ইনভলভ হয় তেনেহলে দি,চিয়ে একচন লৈ আছে। তেখেতে দি, চিৰ ৰিপোর্ট জানেনে নাজানে? সত পথত থাকিলে হাৰাচমেণ্ট হব নোৱাৰে। কিন্তু চচিয়েল ক্রিমিনেল হলে একচন লব লাগিব।

* শ্রী নজমুল হক : তেনেহলে জেল হাজোতলৈ পঠাই দিয়ক।

* শ্রী মুকুট শর্ম্মা (ৰাজহ মন্ত্রী) : ডিব্রুগড়ত উচ্ছেদ সম্পর্কত মাননীয়

---

* Speech not Corrected

সদস্য শশকমল সন্দিকৈ দেৱে উল্লেখ কৰিছে। এই সম্পৰ্কত জিলা উপায়ুক্তৰ পৰা ৰিপোৰ্ট আনিব লাগিব। মই ৰিপোৰ্ট বিচাৰিছো। পালেই জনাই দিম।

Mr. Speaker: Now I call upon the hon'ble member Sri Hiteswar Deka to raise his zero hour.

* শ্ৰী হিতেশ্বৰ ডেকা: অধ্যক্ষ মহোদয়, আজিৰ শুন্য কালৰ সময়ছোৱাত অসমৰ কৃষক সমাজৰ সমস্যাৰ ওপৰত আলোচনা কৰাৰ বাবে আমি এটা জাননী দিছিলো। যোৱা ১৬ তাৰিখৰ নতুন দৈনিক বাতৰি কাকতত প্ৰকাশিত জলসিঞ্চনৰ নামত পহসন কৃষকৰ ওপৰত কৰৰ বোজা' এই সম্পৰ্কত এটা বাতৰি প্ৰকাশ পাইছে। সেইখন বাতৰি কাকতেই নহয় কিছুদিন ধৰি অসম সংবাদ, দৈনিক অসম আদি বাতৰি কাকততো এই সম্পৰ্কে প্ৰকাশ পাইছে। অধ্যক্ষ মহোদয়, অসম চৰকাৰে শেহতীয়া ভাবে জলসিঞ্চন বিভাগত জল-সিঞ্চন কৰ প্ৰয়োগ কৰিছে। ১৯৯৩ চনৰ ২৮ ডিছেম্বৰতে খাৰিফ শস্যৰ বাবে প্ৰতি বছৰে ১৮.৭৫ পইচা, ৰবি শস্যৰ বাবে ৩৭'৫০ পইচা আৰু খেতিৰ বাবে ৫০ টকা, জুটৰ বাবে ১০ টকা, চুগাৰ-কেনৰ বাবে ৪০ টকা জল কৰ ধৰি দিয়া হৈছে। অধ্যক্ষ মাহাদয়, মোৰ লগতে সদনত একমত যে, অসমৰ কৃষক সমাজৰ অৱস্থা অতি বেয়া। আৰু অসমৰ মাত্ৰ ১৮ শতাংশ মাটিতহে জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে। কৃষক সমাজে জলসিঞ্চনৰ সুবিধা পোৱা নাই। যি সময়ত চৰকাৰে কৃষক সমাজক সহযোগ কৰিলে তেনে সময়ত কৰৰ বোজা বঢ়াই দিছে আৰু জল কৰ লগাইছে। এইটো অতি

---

* Speech not Corrected

বেদনা দায়ক কথা গতিকে জলসিঞ্চন বিভাগৰ পৰা যি জল কৰ লগোৱা হৈছে সেইটো প্ৰত্যাহাৰ কৰাৰ বাবে অনুৰোধ কৰিছো।

অধ্যক্ষ মহোদয়, যিবোৰ আচনি আছে তাৰো সৰহ ভাগ বিকল হৈ আছে। ৰাইজে তাৰ পৰা পানী পোৱা নাই। এতিয়া চৰকাৰে নিৰ্দ্দেশ দিছে যে পানী নেপালেও কৃষকে 'জল কৰ' দিব লাগিব। এইটো কি ধৰণৰ ব্যৱস্থা ? অধ্যক্ষ মহোদয়, অসমৰ কৃষক সকলৰ অৱস্থা এনেয়ে বেয়া, অতি দুখীয়া, সেয়ে তেওঁলোকৰ ওপৰত বিভাগে লগোৱা এই জল কৰ প্ৰত্যাহাৰ কৰিব লাগে। নহলে এনে ব্যৱস্থাই আমাৰ দুখীয়া কৃষক সকলক অসুবিধাত পেলাব। আজি শুকা জলসিঞ্চন আচনিখন বিকল হৈ আছে, কৃষকক পানী দিব পৰা নাই. কৃষকে খেতি কৰিবলৈ পানীয়েই পোৱা নাই, কৰ দিব কেনেকৈ ? সেয়ে মই অনুৰোধ কৰো যে বিভাগে কৃষক সকলৰ ওপৰত যি জল কৰ লগাইছে তাক অতি সোনকালে প্ৰত্যাহাৰ কৰাৰ কাৰণে সিদ্ধান্ত লব লাগে। লগতে বিকল হৈ থকা আচনিবোৰ সফল কৰিব লাগে।

* শ্ৰী জেহিকুল ইচলাম (মন্ত্ৰী জলসিঞ্চন) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী হিতেশ্বৰ ডেকা ডাঙৰীয়াই আজি যিটো বিষয় উত্থাপন কৰিছে, তাৰ লগত মই একমত। আমাৰ ৰাজ্যখনত জলসিঞ্চনৰ ক্ষেত্ৰত আমাৰ বিভাগে যিমানখিনি কৰিব লাগিছিল সিমানখিনি কৰিব পৰা নাই। এই ক্ষেত্ৰত আমাৰ বিভাগত কিছু আঁচোৱাহ আছে সেইটো মই স্বীকাৰ কৰিছো। শ্ৰীডেকাই যিখিনি কথা কৈছে সেই বিষয়ে ময়ো চিন্তা কৰিছো। দৈনিক অসমত যিটো কথা ওলাইছে সেই ক্ষেত্ৰত মই কব খোজো যে আমাৰ বিভাগৰ কাৰণে যিটো বাজেটত ধন ধাৰ্য্য কৰা হয় ই বৰ কম। তাৰে প্ৰয়োজনীয় মেৰামতি

* Speech not Corrected

বা নতুন আচনি লোৱাটো বৰ অসুবিধা হয়। ১৯৯৪-৯৫ চনত বাজেটত ধাৰ্য্য কৰা হৈছে ১৪.১৭ কোটি টকা। মেৰামতিৰ কাৰণে আমাক লাগে ৩৬.১৬ লাখ। ইয়াৰ ভিতৰত ওৱৰ্ক কম্পৱেণ্টৰ কাৰণে আছে ১১ কোটি টকা। ১০ কোটি টকাও কামৰ কাৰণে লৱ পৰা নাই। বাকীখিনি টকা কৰ্ম্মচাৰীৰ দৰমহা, ওৱৰ্ক- চাৰ্জ মাষ্টাৰ ৰোল কৰ্ম্মীক দিওঁতে যায়। আমি বস্তু এটা ললে গাড়ী এখন ললে তাক মেৰামতি কৰি ৰাখিব লাগিব। তাৰ কাৰণে ধনৰ প্ৰয়োজন' মেৰামতি নহলে বেয়া হব। আমাক মিডিয়াম মেজৰ আচনি মেন-টেইনঞ্চৰ কাৰণে লাগে ৩ কোটি ১৪ লাখ টকা। মাইনৰ ইৰি-গেচন আচনিৰ কাৰণে লাগে ১১ কোটি ৩৩ লাখ টকা। দৰমহা বাবে লাগে ৩২ কোটি টকা। ইয়াৰ পিচত আমাৰ কামৰ কাৰণে বেছি টকা নেথাকে — ২ কোটি ৬৮ লাখ টকা পাওঁ। ইয়াৰ ভিতৰত কিছুমান অন গয়িং আচনিও আছে। সেই কাৰণে আমি মেৰামতি বা চোৱাচিতা কৰিবৰ কাৰণে বেছি টকা নেপাওঁ-কেন্দ্ৰীয় চৰকাৰৰ পৰা। কেন্দ্ৰীয় চৰকাৰে আমাক নিৰ্দ্দেশ দিছে যে মেনটেইনেন্সৰ যিটো খৰচ লাগে সেইটো ওৱাটাৰ চেজৰ পৰা সংগ্ৰহ কৰিব লাগে। যি সকল খেতিয়কক পানী দিয়া হয় তেওঁলোকৰ পৰা কৰ সংগ্ৰহ কৰিব লাগে বুলি কেন্দ্ৰীয় চৰকাৰে আমাক বহুত দিনৰ পৰাই প্ৰেচাৰ দি আহিছে। অন্যান্য ৰাজ্যত এই ব্যৱস্থা আগৰ পৰাই চলি আহিছে যদিও আমাৰ ইয়াত এতিয়াহে প্ৰয়োগ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ হেচাত আমি এই বছৰৰ পৰা এই ৰাৱস্থা লৈছো। চাৰ্ভিচ চাৰ্জ হিচাপে নমিনেল এটা টকা ধৰা হৈছে। অধ্যক্ষ মহোদয়, ৰাতৰি কাকতত যিটো কথা উল্লেখ

• Speech not Corrected

কৰিছে যে পানী নিদিয়াকৈ জল কৰ দিব লাগে — এইটো সচা নহয়। পানী নিদিয়াকৈ টেক্স দিয়াৰ প্ৰশ্নই উঠিব নোৱাৰে। তাত এখন বহী আছে পানী দিয়াৰ পিছত কৃষকে পাইছো বুলি চহী কৰিব লাগে। মাননীয় সদস্যই যদি পানী নিদিয়াকৈ জল কৰ দিয়াৰ বা সংগ্ৰহ কৰাৰ নিৰ্দিষ্ট অভিযোগ দিব পাৰে তেন্তে সেইটো অনুসন্ধান কৰি চাব পৰা যাব। কেন্দ্ৰীয় চৰকাৰে মেন-টেইনেন্সৰ গোটেইখিনি টকা চাৰ্ভিচ চাৰ্জৰ পৰা সংগ্ৰহ কৰিবলৈ নিৰ্দ্দেশ দিছে আমাক। আমাৰ বিভাগে বৰ্তমান ২৮ লাখ হেক্টৰ মাটিৰ মাত্ৰ ১১ ভাগকহে সুবিধা দিব পাৰিছে। আমাৰ বহুতো আচনিৰ অৱস্থা ভাল নহয় সেইটো মই স্বীকাৰ কৰিছো। ইয়াৰ মূল কাৰণ হৈছে আমাক যিমান ধনৰ প্ৰয়োজন সিমানখিনি নেপাও। মাননীয় সদস্য জনে যিবোৰ অভিযোগ আনিছে সেইবোৰ মই অনুসন্ধান কৰি চাম। মাননীয় সদস্য গৰাকীয়ে এই প্ৰশ্নটো উঠোৱাৰ বাবে তেখেতক ধন্যবাদ জনাইছো। এতিয়া নিশ্চয় তেখেতে গোটেই কথাটো বুজিব পাৰিছে।

* শ্ৰী হিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, মই এটা মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টীকৰণ বিচাৰিছো - কথাটো হৈছে মোৰ হাতত তথ্য আছে যে ইৰিগেচন বিভাগে আচনিৰ দ্বাৰা যিমান মাটি সামৰি লৈছে - অথচ সকলো মাটিলৈকে পানী যোগান ধৰিব পৰা নাই, তেনে লোকক কৰ দিবলৈ নোটিচ দিছে।

মাননীয় অধ্যক্ষ : বিভাগীয় মন্ত্ৰীয়ে উত্তৰত কৈছে যে তেখেতে এইটো চাব।

---

* Speech not Corrected

* শ্রী হিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে যে শতকৰা ১১ লাখ মাটিতহে জলসিঞ্চন কৰিব পাৰিছে। এতিয়া ডি, আৰ, ডি, এ ৰ যোগেদি যথেষ্ট কাম হৈছে, টকা আহিছে, ইৰিগেচন বিভাগে ডি, আৰ, ডি, এ বিভাগৰ লগত সহযোগ কৰি কিছু আচনিৰ কাম কৰিব পাৰে। কিন্তু তেওঁলোকৰ মাজত ক-অৰ্ডিনেচন নাই। এই বিষয়টো মন্ত্রীয়ে চাব লাগে।

* শ্রী জেহিৰুল ইচলাম : (মন্ত্রী, জলসিঞ্চন) অধ্যক্ষ মহোদয়, এই সম্পৰ্কে নিৰ্দ্দেশ দিয়া হৈছে।

* শ্রী আব্দুল জেলিম বাগিবী : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে অনুগ্রহ কৰি এটা কথা জনাবনে যে প্রতি বিঘাত এনে জল কৰ কিমানকৈ ধাৰ্য্য কৰা হৈছে।

* শ্রী জেহিৰুল ইচলাম, (মন্ত্রী, জলসিঞ্চন) : অধ্যক্ষ মহোদয়, এই সম্পৰ্কত তথ্য বৰ্ত্তমান মোৰ হাতত নাই।

* শ্রী হিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে জনাবনে যে জল কৰ প্রত্যাহাৰ কৰিবনে নাই ?

(মন্ত্রীৰ উত্তৰ নাই)

Mr Speaker : You may please talk to Minister, Irrigation and you will get all the information you want from him.

I now call upon hon'ble member Nagen Sharma to raise his O-hour motion on the news item which was published in the Natun Dainik dt 13.3.95 under the caption : (In Assamese)

"অসম ছিণ্টেক্সৰ ভৱিষ্যৎ অন্ধকাৰ"

শ্রী নগেন শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৩ মাৰ্চ ১৯৯৫ৰ নতুন দৈনিক কাকতত প্রকাশিত 'অসম চিনটেক্সৰ ভৱিষ্যত অন্ধকাৰ শীৰ্ষক বাতৰিটোৰ প্রতি মই মাননীয় উদ্যোগ মন্ত্রী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমাৰ জিলাখন এখন অনগ্রসৰ জিলা আৰু

* Speech not Corrected

এই জিলা খনত প্রায় ১০ লাখ পপুলেচন আছে আৰু প্রতিজন লোকৰ ভাগত ১৩ লেচা কৈ মাটি পৰে। উদ্যোগ বুলিবলৈও তাত মাত্র দুটা উদ্যোগ আছে এটা হৈছে অসম চিনটেক্স লিমিটেড আৰু আনটো জাপজাপ কুছিত নতুনকৈ প্রচেছিং হাউচ। আমাৰ জিলা খন বান প্রপিড়িত হোৱা কাৰণে খেতি বাতি কৰিব নোৱাৰি অসমৰ বিভিন্ন ঠাইলৈ যাব লগা হৈছে। এই অনগ্রসৰ জিলাখনৰে ৫৭০ জন শ্রমিকে এই অসম চিনটেক্স উদ্যোগটোত কাম কৰি আছিলে আৰু এই শ্রমিক সকলৰ ভৱিষ্যত এতিয়া একেবাৰে অন্ধকাৰ। মোৰ এটা প্রশ্নৰ উত্তৰত মাননীয় উদ্যোগ মন্ত্রী ডাঙৰীয়াই কৈছিল যে অসম চিনটেক্স লিমিটেডৰ ১৪ কোটি ৯০ লাখ টকা লোকচান হৈছিল। কিন্তু এই লোকচান শ্রমিকৰ কাৰণে হোৱা নাই পৰিচালক সকলৰ কাৰণেহে হৈছে। এই উদ্যোগটোৱে এটা সময়ত এটা বছৰত ৫২.৪২ কোটি টকাৰ সূতা উৎপাদন কৰিবলৈ সক্ষম হৈছিল। আৰু ইয়াত উৎপাদন হোৱা সূতাই সমগ্র ভাৰত বৰ্ষতে সমাদৰ লাভ কৰিছিল। এই উদ্যোগটোৱে লোকচান ভৰাৰ প্রধান কাৰণ হৈছে অনিয়মীয়া বিজুলি যোগান আৰু সময়মতে কেচামাল নেপায়। গতিকে মই উদ্যোগমন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিছো যাতে আমাৰ অনগ্রসৰ জিলাখনৰ এই উদ্যোগটো ৰক্ষনাবেক্ষনৰ কাৰণে চৰকাৰী খণ্ডতে ৰাখি পৰিচালনা কৰিবলৈ চৰকাৰে পুনৰ বিবেচনা কৰে যেন।

* শ্রী বিজিত শইকীয়া (উদ্যোগ মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রী নগেন শর্ম্মা ডাঙৰীয়াই অসম ছিনটেক্সৰ ওপৰত এটা পূর্ণকালীন প্রশ্ন আনিছিল আৰু তাত আলোচনা হৈছিল, সেই মর্ম্মে মই কব খোজো যে, অসম ছিনটেক্স লিমিটেডৰ ভৱিষ্যত অন্ধকাৰ নহয়। বর্ত্তমানে থকা অন্ধকাৰৰ গৰাহৰ

পৰা উদ্ধাৰ কৰিবলৈহে চৰকাৰে চেষ্টা কৰিছে আৰু ইতিমধ্যে ব্যৱস্থা লোৱা হব। অধ্যক্ষ মহোদয়, মই এটা প্ৰশ্নৰ উত্তৰত কৈছিলো যে যোৱা ১৫ মাৰ্চ তাৰিখে এই উদ্যোগটো ব্যক্তিগত কৰণৰ বাবে নিবিদা আহ্বান কৰা হৈছিল, সেইমতে আমি তখনমান নিবিদা পাইছো আৰু সেই বিলাক পৰীক্ষা-নিৰীক্ষা কৰি থকা হৈছে। অধ্যক্ষ মহোদয়, এই উদ্যোগটো স্থাপন কৰোতে তাত যি সম্ভাৱনীয়তাই দেখা দিছিল, অসমৰ কোনো মানুহেই ভবা নাছিল যে এই উদ্যোগটোৱে লোকচান ভৰিব আৰু আজিৰ নিচিনা এটা অৱস্থালৈ আহিব। এই ক্ষেত্ৰত মই শৰ্ম্মা ডাঙৰীয়াৰ লগত একমত। অসমৰ তিনিটা সূতাকলৰ ভিতৰত এই সূতাকলটোৰ কৰ্ম্মচাৰী সকলৰ কাম কাজৰ মূল্যমান ওপৰত আছিল। এই সূতাকলটোত উৎপাদন হোৱা সূতাৰ মানদণ্ডও যথেষ্ট উন্নত আৰু ইয়াৰ চাহিদাও যথেষ্ট আছিল এই উদ্যোগ- টোৱে লোকচান ভৰাৰ

মাননীয় অধ্যক্ষ : অলপ চমু কৰিব।

* শ্ৰী বিজিত শইকীয়া (মন্ত্ৰী) : এই উদ্যোগটোৱে লোকচান ভৰাৰ কাৰণ শ্ৰী শৰ্ম্মা ডাঙৰীয়াই ঠিকেই কৈছে যে, সময়মতে বিজুলি যোগানে আৰু কেচামাল নোপোৱাৰ কাৰণেই হৈছে। আমি এই উদ্যোগটোৰ কৰ্মচাৰী সকলৰ দৰ্ম্মহাৰ ধন ১৯৯৪ চনৰ জুন মাহলৈকে ১ কোটি ১৩ লাখ টকা মুকলি কৰি দিছো আৰু দিবলৈ চেষ্টা কৰি থকা হৈছে। আমাৰ শৰ্ম্মাই যিটো কৈছে যে, মিলটো সোনকালে পুনৰ উদ্ধাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে, এই ব্যৱস্থাটো শীঘ্ৰে হ'ব। আমাৰ চৰকাৰে তিনিটা মিলৰ ব্যক্তিগত কৰণ সম্পূৰ্ণ কৰিছে আৰু সেইবিলাকত উৎপাদন চলি আছে। আমি যি ভাবিছো, সেইমতে এই মিলটোৱে অতি সোনকালে উৎপাদনক্ষম হ'ব।

* Speech not Corrected

REPORT OF THE BUSINESS ADVISORY COMMITTEE

Mr. Speaker : Now Item No. 2

Under Rule 230 of the Rules of proceduce and conduct of Business in Assam Legislative Assembly I called a meeting of the Business Advisory Commi- in my Office Chamber at 5-00 P.M. on 22-3-95 to discuss about allocation of time amongst different Legislaturc Parties/Groups and Independent Members on General Discussion on the Budget.

In order to make more time available to the Hon'ble Members to take part in the General Discussion on the Budget the Committee decided that the House should sit in two shifts from 9-00 A.M. to 1-30 P.M and from 4-00 P.M. to 7-00 P.M. on 27th March, 1995.

The Committec after a discussion and taking into consideration the number of days available for the General Discussion on the Budget decided to allocate time proportionately to different Legislatjve Parties/Groups and Independent Members. The Total time that would be made available for the

General discussion on the Budget would be approximately 9 Hours i.e. 540 minutes nnd each Member would get 4.40 minutes for which break up is shown below:—

1. Congress (I) (With Associate Members) 4 Hours 50 mts. (Including Finance Ministar's reply)
2. A.G.P. (with Associate Members)-1 Hour 45 minutes.
3. B.J.P. — — — 42 ,,
4. C.P,I. — — — 17 ,,
5. A.S.D.C. — — — 17 ,,
6. C.P.M — — — 9 ,,
7. Jndependendent & Others — 1 Hour.

The Committee has also discussed about listing of voting on Demand for Grants on Priority basis. The Committee unanimously authorised Hon'ble Members Shri Promode Gogoi, Shri Hitendra Nath Goswami, Shri Holiram Terang and Shri Mission Ranjan Das to indicate the names and numbers of voting on Demands for Grants for discussion on priority basis to the Secretary, Assam Legislative

Assembly so that list of Cut Motions could be arranged accordingly by the Office.

The Committee further decided that discussion on the Appropriation Bill on 30-3-95 would start from 5-30 P.M. to 7-00 P.M, aud the Minister, Finance would start his reply from 7-00 P.M. and would be concluded at 7-30 P. M. at which the Appropriation Bill would be passed.

I hope this has the approval of the House.

122

CALL-ATTENTION NOTICE

Mr. Speaker : Now, Item No 3. Hon'ble Member Shri Joy Chandra Nagbonshi to call attention of the Minister of State, Sports and Youth Welfare under Rule 54 of the Rules of Procedure and conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Natun Dainik' dated 16th March, 1995 under the caption" "ক্রীড়াৰ শিতানত ধন কম।"

শ্রী জয়চন্দ্র নাগ বংশী : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯৫ চনৰ ১৬ মার্চ তাৰিখৰ 'নতুন দৈনিক' কাকতত প্রকাশিত ক্রীড়াৰ শিতানত ধন কম" শীর্ষক বাতৰিটোৰ প্রতি ক্রীড়া আৰু যুৱকল্যাণ বিভাগৰ বাজ্যিক মন্ত্রী মহোদয়ৰ মনোযোগ আকর্ষণ কৰি বক্তব্য বাখিব বিচাৰিছো। যিহেতু—

মাননীয় অধ্যক্ষ : হ'ব আপোনাৰ উত্থাপন কৰা হৈ গৈছে।

You have all reads raised. Now Minister sports to reply.

শ্রী ইন্দ্র গগৈ (ক্রীড়া মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৬-৩-৯৫ তাৰিখৰ 'নতুন' দৈনিক কাকতত যিটো বাতৰি প্রকাশ হৈছে সেইটো

• Speeeh not Corrected

ক্রীড়া বিভাগৰ দৃষ্টিগোচৰ হৈছে। চাবলৈ গলে অইন বছৰৰ তুলনাত এই বছৰ ক্রীড়া শিতানত ধন কম হোৱা নাই। মই এটা তুলনা মূলক হিচাপ দিবলৈ বিচাৰিছো সেইটো চালেই প্ৰমাণ পাব। পৰিকল্পনা শিতানত ১৯৯১-৯২ চনত ১৬১'৫০ লাখ টকা ধৰা হৈছিল। ১৯৯২-৯৩ চনত ধৰা হৈছিল ১৮৫'৮০ লাখ টকা। ১৯৯৩-৯৪ চনত ধৰা হৈছিল ৩২৩'১১ লাখ টকা। আৰু ১৯৯৪-৯৫ চনত ধৰা হৈছিল ৪৯২ লাখ টকা আৰু অতিৰিক্ত ধৰা হৈছিল ১৭০ লাখ টকা। আকৌ স্বাভাৱিক শিতানত ধৰা হৈছিল ১৯৯১-৯২ চনত ৩৮৬'৫০ লাখ টকা, ১৯৯২-৯৩চনত ধৰা হৈছিল ৪০৯'৬৬ লাখ টকা, ১৯৯৩-৯৪ চনত ধৰা হৈছিল ৪১৩'৭১ লাখ টকা আৰু ১৯৯৪-৯৫ চনত ধৰা হৈছিল ৫৮৮'৬৮ লাখ টকা। কিন্তু এইবাৰ ধৰা হৈছে পৰিকল্পনা শিতানত ৮০৮'১০ লাখ ১০ হাজাৰ টকা। অৰ্থাৎ এইবাৰ পৰিকল্পনা শিতানত ধন বেছি ধৰা হৈছে। সেই কাৰণে মই ভাবো এই ধনৰ পৰিমাণ কম হোৱা নাই।

* শ্ৰী জয় চন্দ্ৰ নাগবংশী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যদিও কলে আগৰ বছৰৰ তুলনাত এই বছৰ পৰিকল্পনাৰ শিতানত ধন অধিক ধৰা হৈছে। তথাপি আপি এটা কথা দেখা পাইছো যে আমি আগতে ১৯৯১-৯২ চনত দুই এটা ভলি ব'ল বা বা অন্য সামগ্ৰী পাইছিলো। কিন্তু ১৯৯৩-৯৪ চনত আমি একোৱে পোৱা নাই।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, ক্রীড়া বিভাগৰ বিভিন্ন বথা বাতৰি কাকতত ওলাই থাকে। মই ক্রীড়া মন্ত্ৰী ডাঙৰীয়াৰ যোৱা ৯ আৰু ১০ তাৰিখৰ 'নতুন দৈনিক' কাকতত ওলোৱা বাতৰিৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলো। এই বছৰ যদিও

* Speech not Corrected

পৰিকল্পনাৰ শিতানত ধন অধিক ধৰিছে সেইটোৱে ক্ৰীড়াৰ উন্নতি সাধন কৰা সম্ভৱ নহয় ।

* শ্ৰী যতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, ক্ৰীড়া বিভাগৰ যিটো কথা ওলাইছে সেইটো অতি গুৰুত্ব পূৰ্ণ বিষয়। বিভাগীয় মন্ত্ৰী চাৰ লাগিব খেলা-ধূল্যৰ ক্ষেত্ৰত কিমান উন্নতি হৈছে । ক্ৰীড়াৰ উন্নতি কৰাৰ বাবে মন্ত্ৰীয়ে ব্যৱস্থা লব লাগিব । বিভিন্ন কাগজে-পত্ৰে ওলাই থাকে ক্ৰীড়া বিভাগৰ একো উন্নতি হোৱা নাই । ইয়াৰ সমস্যাৰ বিষয়ে ওলাই থাকে । গতিকে মন্ত্ৰীয়ে এই সমস্যাবিলাক সমাধান কৰাৰ বাবে ব্যৱস্থা লব লাগে ।

---

* Speech not Corrected

MATTER UNDER RULE 301

Mr Speaker : Now, Item No 4. Hon'ble member Sri Dhruba Kumar Sen to draw the attention under rule 301.

শ্রী ধ্রুব কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ১৯৯৪ চনৰ ২৭ ডিচেম্বৰ তাৰিখৰ 'আজিৰ অসম কাকতত প্রকাশিত "সত্রৰ দুৱৰস্থাৰ মাটি বেদবল"। এই সম্পর্কে বিষয় এটি উত্থাপনৰ জৰিয়তে ৰাজহ বিভাগৰ মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিব। মই যিখন সত্রৰ কথা কৈছো সেইখন কোচ বিহাৰৰ। কোচ বিহাৰ অসমৰ ভিতৰত নহয়। এই সত্রখন পশ্চিম বংগ চৰকাৰৰ সীমাৰ ভিতৰত। কোচ বিহাৰ সত্র খনৰ মাটিত ১০/১২ঘৰ অসমীয়া ভকত মানুহ আছিল। এতিয়া পশ্চিম বঙ্গ চৰকাৰে সত্রৰ মাটিত এখন স্কুল পাতিছে। এতিয়া সেই স্কুল খন স্থাপন কৰাৰ কাৰণে সেই অঞ্চলৰ ৰাইজৰ মাজত প্রতিক্রিয়াৰ সৃষ্টি হৈছে। এই বিষয়টো লৈ পশ্চিম বঙ্গ চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে যদিও একো কামত অহা নাই। সেই বিগয়ে৩ বাতৰি কাকতত ওলাইছে। সেই অঞ্চলৰ ৰাইজৰ ক্ষোভ দুৰ কৰাৰ কাৰণে অসম চৰকাৰে পশ্চিম বঙ্গ চৰকাৰৰ লগত আলোচনা কৰি ব্যৱস্থা লব লাগে। যিহেতু বিষয়টো অসম চৰকাৰে নিজে একো কৰিব নোৱাৰে।

---

* Speech not Corrected

এই বিষয়টোৰ ওপৰত অনুসন্ধান কৰি ব্যৱস্থা লব বুলি আশা ৰাখিলো। আৰু লগতে মোক এই বিষটো উত্থাপন কৰিবলৈ দিয়া বাবে অধ্যক্ষ মহোদয়ক মই ধন্যবাদ জ্ঞাপন কৰিছো।

* শ্রী মুকুট শর্ম্মা (ৰাজহ মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয় আজিৰ অসম বাতৰি কাকতত ১৯৯৪ চনৰ ২৭ ডিচেম্বৰ তাৰিখৰ সংখ্যাত প্রকাশিত 'সত্রৰ দুৰবস্থাৰ মাটি বেদখল' শিতানত বিষয়টো চৰকাৰৰ দৃষ্টি-গোচৰ হৈছে। আমাৰ চুবুৰীয়া ৰাজ্য পশ্চিম বঙ্গত অৱস্থিত মহা-পুৰুষ গুৰুজনাই স্থাপন কৰা সত্র খন অতি পুৰণি আৰু মহা-পুৰুষীয়া ধর্মৰ আৰু লগতে কলা-কৃষ্টি এখন উজ্জল প্রতীক। এই সত্রখনৰ জৰিয়তে আমাৰ দুয়োখন ৰাজ্যৰ ভাষা সংস্কৃতিৰ আদান প্রদানত সহায় লৈ আহিছে। এই সত্রখনৰ ৰক্ষণা-বেক্ষণ আৰু লগতে ইয়াৰ উন্নতি চৰকাৰৰ কাম্য। কিন্তু যিহেতু সত্র খনৰ স্থান অসম চৰকাৰৰ এলেকাধীন নহয় গতিকে উক্ত সত্রৰ অসুবিধাবোৰ পশ্চিম বঙ্গ চৰকাৰৰ লগত মুক্তভাৱে বুজাবুজি আৰু সহযোগিতাৰ মাজেৰে দূৰ কৰাৰ কাৰণে চৰকাৰে প্রচেষ্টা লব। সত্রৰ মাটি সম্পর্কত যি বেদখলৰ অভিযোগ আহিছে, সেই সম্পর্কতও পশ্চিম বঙ্গ চৰকাৰৰ লগত যোগাযোগ কৰি বেদখল মুক্ত কৰাৰ কাৰণে প্রচেষ্টা চলোৱা হব।

---

* Speech not Corrected

LAYING OF STATEMENTS AND INTRODUCTION OF GOVERNMENT BILL

Mr. Speakar : Now Item No. 5. Honourable Chief Minster to lay.

* Shri Hiteswar Saikia (Hon'ble Chief Minister) : Sir. I beg to lay a Statement under Rule 69 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly explaining the circumsrances which had necessitated immediate Legislation by Ordinance.

Mr. Speaker : Now, Item No. 6.
Hon'ble Chief Minister to move the Motion for introduction of the Bill.

* Shri Hiteswar Saikia (Hon'ble Chief Minister) : Sir, I beg leave to introduce 'The Guwahati Minicipal Corporation (Amendment) No. 1 Bill, 1995.

Mr. Speaker : Is it pleasure of the House to grant leave to Introduce the Bill ?

(Leave is granted by voice-vote)

Leave is granted.

---

* Speech not Corrected

Now, Hon'ble Chief Minister to introduce the Bill.

* Shri Hiteswar Saikia (Chief Minister) : Sir, I beg leave to introduce 'The Guwahati Municipal Corporation (Amendment) No. I Bill, 1995.

Secretary, Assam Legislative Assembly read out the title of the Bill.

Mr. Speaker : Now, Item No. 7. Hon'ble Chief Minister to lay.

* Shri Hiteswar Saikia (Chief Minister) : Sir I beg to lay a Statement under Rule 69 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly explaining the circumstances which had necessitated immediate Legislation by Ordinance.

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : এইটো চাব লাগিব ।

* শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্রীয়ে যোৱা বছৰে ১৯৯৪ চনৰ আক্টোবৰ মাহত পৌৰ নিগমৰ নিৰ্ব্বাচন অনুষ্ঠিত ন'হল। নিৰ্ব্বাচন কেতিয়া হব জনাব নেকি ?

---

* Speech not Corrected

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে ।

Mr. Speaker—Now. Item No. 8. Hon'ble Chief minister to move the Motion for introduction of the Bill.

* Shri Hiteswar Saikia (Chief Minister) : Sir. I beg leave to introduce the (Assam Forest Regulation (Amendment) Bill, 1995.

Mr. Speaker : is it the pleassure of the House to grant leave to introducs the Bill ?

Leave is granted by Voice-vote.

Mr. Speaker : Leave is granted.

Now Hon'ble Chief Minister to introduce the Bill.

* Shri Hiteswar Saikia (Chief Minister) : Sir I beg leave to introduce the Assam Forest Regulation (Amendment) Bill, 1995.

(Secretary, Assam Legislative Assembly read out the Title of the Bill.

Mr. Speaker : Now, Item No. 9.

Hon'ble Finance Minister to lay.

---

* Speech not Corrected

* Shri Jiba Kanta Gogoi (Minister, Finance) : Sir, I beg to lay a Statement under Rule 69 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly explaining the circumstances which had necessitated immediate Legislation by Ordinance.

Mr. Speaker : Now, Item No. 10.

Minister, Finance to move the Motion, for introduction of the Bill.

* Shri Jiba Kanta Gogoi, (Minister, Finance) : Sir, I beg leave to introduce the 'Assam Agricultural Income Tax (Amendment) Bill. 1995.

Mr. Speaker : Is it the pleasure of the House to grant leave to Iutroduce the Bill.

Leave is granted by voice.

Leave is granted.

There is a message from the Governor of Assam.

Raj Bhawan
Guwahati
March I4, 1995

---

* Speech not Corrected

Order

Under the provision of Article 207 (1) of the Constitution of India, I, Loknath Misra. Governor of Assam recommend the introduction in the Assam Legislative Aseembly of the Assam Agricultural Income Tax (Amendment) Bill, 1995.

Sd/-Loknath Misra
Government of Assam

Mr. Speaker : **Now Item No. 11.**

Minister, Finance to move the motion for introduction of the Bill

* Shri Jiba Kanta Gogoi (Minister, Finance) : I beg leave to introduce 'The Assam Finance Commission (Miscellaneous Provision) Bill, 1995.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ?

(after a pause)

Leave is granted.

There is a message from the Governor of Assam,

---

* Speech not Corrected

Raj Bhavan, Guwahati, dated March 05, 1995.

'Under the provision of Article 207 (1) of the of the Constitution of India, I, Lokanth Misra, Governor of Assam recommend the Introduction of "The Assam Finance Commission (Miscellaneous Provision) Bill 1995 in the Assam Legislative Assembly.

Now Minister, Finance to introduce the Bill.

* Shri Jiba Kanta Gogoi) Minister, Finance) : Mr. Speaker Sir, now I beg to introduce 'The Assam Finance Commission (miscellaneous Provision) Bill, 1995.

(Secretary, A.L.A read out the Title on the Bill)—**"The Assam Finance Commission (Miscellaneous Provision) Bill, 1995.**

Mr. Speaker—Now Item No. 12.

...Hon'ble Minister of State WPT & BC to move the motion for introduction of the Bill:—

• Shri Gomeswar Pegu (Minister of State, WPT & BC) : I beg leave to introduce "The Assam Backward Classes Commission (Amendment) Bill, 1995"

(After a pause)

• Speech not Cerrected

Mr Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ?

(After a pause)

Leave is granted Now Hon'ble Minister of State WPT & BC to introduce the Bill.

* Shri Gomeswar Pegu (Minister of State WPT & BC) : Mr. Speaker Sir, now I beg to introduce ,' The Assam Backward Classes Commission (Amendment) Bill, 1995."

(Sccretary, ALA read out the Title of the Bill—"**The Assam Backward Classes Commission (Amendment) Bill, 1995**")

* Speech not Corrected

DEBATE ON GOVERNOR'S ADDRESS

শ্রী প্রমোদ গগৈ : অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষণটো আলোচনা কৰিবলৈ ধাওতে চৰকাৰৰ যিবিলাক কাম কাজ ইয়াৰ পৰ্য্যালোচনা কৰাৰ লগতে মোৱা ৰাজ্যপালৰ ভাষণত যিবিলাক কথা উল্লেখ কৰা হৈছিল আৰু যিবিলাক আশ্বাস দিয়া হৈছিল সেই বিলাকৰ ৰূপায়ণৰ ক্ষেত্ৰতো পৰ্য্যালোচনা কৰা একান্ত প্ৰয়োজন। সেই কাৰণে মই বিশেষকৈ ৰাজ্যপালৰ এই সদনত যি প্ৰথম ভাষণ ১৯৯১ চনৰ জুলাই মাহৰ ৫০ তাৰিখে দিছিল সেই ভাষণত যিবিলাক সিদ্ধান্তৰ কথা ঘোষণা কৰা হৈছিল সেইবিলাকৰ লগত আৰু বৰ্ত্তমান ১৫ মাৰ্চত ৰাজ্যপালৰ ভাষণত যিবিলাক কথা কোৱা হৈছে তাৰ এটা তুলনা কৰিব বিচাৰিছো। ৰাজ্যপালৰ ভাষণত আইন শৃংখলাৰ সংক্ৰান্তত কোৱা হৈছে Low and order situaation improved further during last year. এই কথাটো সম্পূৰ্ণ অসত্য। ১৯৯৪ চনত ৰাজ্যখনত আইন শৃংখলাৰ অৱস্থা যি আছিল তাক মই আইন শৃংখলাৰ অৱস্থা উন্নত বুলি কব নোৱাৰো। এই বিষয়ত মই বিতং আলোচনা কৰিবলৈ নাযাওঁ সময় কম। ১৯৯৪ চনত ৰাজ্যখনত যিবিলাক অপৰাধ হৈছিল সেই অপৰাধৰ যিবিলাক তথ্য ইতিমধ্যে প্ৰকাশিত হৈছে, সেইবিলাক কথা ৰাজ্যিক চৰকাৰে এতিয়ালৈ অস্বীকাৰ কৰা নাই। আমি যদি এই ঘটনা বিলাক লক্ষ্য কৰো তেতিয়াহলে কোনো সন্দেহ নাথাকে যে মোৱা বছৰ আইন শৃংখলা অৱস্থা উন্নত হোৱাৰ পৰিবৰ্তে যথেষ্ট অৱনতিয়ে হৈছে বুলি আমি কব লাগিব। সামগ্ৰিকভাৱে এই তথ্যবিলাকৰ

পৰা প্ৰমাণিত হৈছে যে ১৯৯৪ চনত আৰক্ষীৰ জিম্মাত মৃত্যু হোৱাৰ সংখ্যা ৩৭ জন সংঘত মৃত্যু হোৱা ১৬ জন, হত্যা কৰা হৈছিল ৯৭০ জনক অপহৰণ কৰা হৈছিল ৯৩৫ জনক, ধৰ্ষণৰ কেচ হল ৩৭৫ টা ডকাইতি ৬৫৫ লুণ্ঠন হৈছে ৩৫২০ আৰু সংঘৰ্ষৰ ঘটনা ২৪১৬। এই তথ্য এতিয়ালৈকে যিহেতু চৰকাৰে অস্বীকাৰ কৰা নাই, ইয়াৰ পৰা প্ৰমাণ হয় যে ১৯৯৪ চনৰ আইন শৃংখলাৰ অৱস্থাৰ উন্নত হৈছে বুলি ৰাজ্যপালৰ ভাষণত যি কথা কোৱা হৈছে যি বাস্তৱৰ লগত খাপ নাখায় এইখিনিতে ইয়াৰ উল্লেখ কৰিব বিচাৰো যে যোৱা বছৰ যি কেইটা ডাঙৰ ঘটনা হৈছে ইতিমধ্যে হেমৰাম কেণ্ডৰ কথা আলোচনা হৈছে অদিল খাহৰ যথেষ্ট আলোচনা হৈছে সেই কথা নকও। ইয়াৰোপৰি আপুনি জানে যোৱা বছৰ অসম মেডিকেল কলেজৰ প্ৰিঞ্চিপালক হত্যা কৰা হৈছে অসমৰ লোৱাৰ পাচ দিন আগত। কোনে হত্যা কৰিলে এতিয়ালৈকে চৰকাৰে স্পষ্টভাৱে কব পৰা নাই। মই তালৈ কেবাবাৰো গৈছিলো ছাত্ৰ বিলাকৰ লগত কিবা বিবাদ আছে নেকি? নাই। শিক্ষকৰ লগত কিবা বিৰাদ আছে নেকি? নাই। তেন্তে কোনে হত্যা কৰিলে? ডিব্ৰুগড়ৰ প্ৰায় বিলাক মানুহে সন্দেহ কৰে এনেকুৱা এটা চক্ৰ আছে যিটো চক্ৰই এই হত্যাৰ লগত জড়িত। সেই চক্ৰান্তটোত কোন আছে? ৰাইজে অভিযোগ কৰিছে ডিব্ৰুগড় মেডিকেল কলেজৰ টি, বি. ওৱার্ড মেৰামতিৰ বাবে বিশ্ব স্বাস্থ্য সংস্থাই পাচ কোটি টকা দিছিল। তিনি কোটি টকা দিশপূৰত উইদ্ৰ কৰা হৈছে কিন্তু টি, বি, ওৱার্ড মেৰামতি নহল। অৱসৰৰ আগতে তেখেতক ইউটিৰ লাইজ চন চার্টিফিকেট দিবলৈ কোৱা হৈছিল। তেওঁ অধীকাৰ কৰিলে। সেই কাৰণে সন্দেহ কৰে যিটো চক্ৰই এই তিনি কোটি

টকা উইদ্র কৰিছিল খৰচ নোহোৱাকৈ ইউটিলাইজেচন চার্টিফিকেট বিচাৰিছিল, সেই চক্রটো ডিব্রুগড় মেডিকেল কলেজৰ প্রিন্সিপালৰ হত্যাৰ লগত জড়িত হব পাৰে। সেই সম্পর্কত মুখ্যমন্ত্রীৰ পৰা এটা স্পষ্ট জবাব বিচাৰিছো। তিনিচুকীয়া কলেজৰ অধ্যক্ষ দলিলুৰ ৰহমানক কিয় হত্যা কৰা হৈছে। কোনে কৰিলে চৰকাৰে এতিয়া-লৈকে কব নোৱাৰে।

মাননীয় অধ্যক্ষ মহোদয়, তেখেত সকলৰ পৰিয়ালে এইবিলাক কথা কয়। তেখেতসকলৰ পৰিয়ালে আপত্তি কৰিব বিচাৰে কোনে এই হত্যা কাণ্ড কৰিলে। এজন কলেজৰ অধ্যক্ষৰ হ্যাকাৰীক আজিলৈকে উলিয়াব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয় ইয়াৰ বাহিৰেও সকলোৰে ওপৰত কথা হল- এই বিলাক হত্যাকাণ্ডৰ বিষয়ে অতিকৈ দুখৰ কথা হৈছে যি বিলাক লোক এই ঘটনাৰ লগত জড়িত সেই লোক সকল প্রত্যক্ষ ভাবে হওঁক বা পৰোক্ষভাবে হওক শাসক দলৰ লগত জড়িত। উত্তৰ লক্ষীমপূৰৰ হত্যাকাণ্ডৰ সম্পর্কে জানে- তাত যি দুজন লোকক হত্যা কৰা হল সেই দুজন হল দীপক আগৰৱালা আৰু ইন্দ্র দীপ চেঠী। এই দুইজনক অমানুসিকভাবে হত্যা কৰি-ছিল। মোৰ লগত দুইজনৰে ফটো আছে দিব পাৰো। এই হত্যা-কাণ্ডটো কৰিলে কোনে? শাসক দলৰ সংসদ সদস্যই এই বিষয়ে কি কৈছে? হত্যাকাৰী নুকল হক চৌধুৰী তেওঁ কোন, আমচুৰ সম্পাদক। সকলোতকৈ আচৰিত কথা এই ঘটনাৰ লগত জড়িত তাৰ এচ, পি জন। এই এচ, পি জনৰ এণ্টিচিভেণ্ট বেয়া বুলি সকলোৱে জানে। প্রত্যক্ষ পৰোক্ষভাবে সেই এচ, পি জন এই ঘটনাৰ লগত জড়িত। মুখ্য মন্ত্রীয়ে কৈছে তেওঁৰ বিষয়ে পিচত

ব্যৱস্থা লোৱা হব। কিন্তু এতিয়ালৈকে 'চাচপেন' কৰা হোৱা নাই। এই বিষয়ে বহুত অভিযোগ উঠিছে। মই অভিযোগ কৰা নাই। সেইটোৰ সম্পৰ্কে শাসক দলৰ পৰা অভিযোগ উঠিছে। এই বিষয়ে মন্ত্ৰী এজনৰ বিৰুদ্ধেও অভিযোগ উঠিছে। এই অভিযোগ থকা স্বত্বেও দেখিছো মন্ত্ৰীজনক মন্ত্ৰী সভাৰ পৰা অপসাৰিত কৰা হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে আই, এচ, আই সম্পৰ্কে। এইটো প্ৰথম বাৰৰ বাবে আই, এচ আই সম্পৰ্কে উল্লেখ কৰা হৈছে। ইয়াত কৈছে — The Continued attempts by the I. S. I. of Pakistan to this distabilise the northest still Course Concern to all of us. While this is primarily a matter for the govt. of Iadia to deal with we too have to remain ever vigilent against its possible disruptive attempts. ইয়াৰ দ্বাৰা আই, এচ, আই আছে স্বীকাৰ কৰিছে। সেইটো ভাল হৈছে। কিন্তু অসমত আই, এচ, আই, অপাৰেশ্যান হৈ আছে। ৰাজ্যপালৰ ভাষণত সেইটো কেন্দ্ৰীয় চৰকাৰলৈ থেলি দিছে - তাৰ ব্যৱস্থা অসম চৰকাৰে কৰিব লাগে ভাৰত চৰকাৰে নহয়। এই সংক্ৰান্তত অধ্যক্ষ ডাঙৰীয়া আপুনি জানে 'হোম মিনিষ্টিৰ' পৰা যিটো টকা ৰাজ্য চৰকাৰলৈ পঠালে 'চেংশ্যান' হৈছে সেইটো অস্বীকাৰ কৰা নাই। এই টকাটোৰ ক্ষেত্ৰত জড়িত দুজন মানুহ আছে। শাসক দলৰ বিধানসভাৰ সদস্য এজন আৰু আন জন প্ৰাক্তন সদস্য আজি সেইসকলৰ ওপৰত ব্যৱস্থা লব পাৰে। 'ইণ্ডিয়ান স্পেচ ৰিচাৰ্চ অৰগেনাইজেচনৰ ৰিপক্ষে কাম

কাজ কৰাৰ কাৰণে আই এচ আই এ মাল-দ্বীপৰ দুগৰাকী মহিলাক নিযুক্তি দিছিল তেওঁলোক সাধাৰণ মহিলা নাছিল। তাৰোপৰি কেৱেলাৰ শ্ৰী শ্ৰী বাস্তৰ নামৰ এজন আই ডি পিয়েও আই এচ আইৰ হৈ কাম কৰাৰ কাৰণে তেওঁক চাকৰিৰ পৰা নিলম্বিত কৰা হৈছিল। আৰ কে কৰনাকৰণেও মুখ্যমন্ত্ৰী পদৰ পৰা 'ৰিজাইন' দিব লগা হল। গতিকে অসমত আই, এচ, আইৰ সমস্যাটো এটা বাস্তব সমস্যা। ইয়াৰ যিকোনো মানুহে আই, অচ, আইৰ এজেণ্ট হব পাৰে। আমাৰ ইয়াত এই বিষয়ে সন্দেহ নাই আই এচ আইৰ লোক সেই বিলাক কৰিব পাৰে। সেয়ে ভাৰত চৰকাৰক অসম চৰকাৰে দায়িত্ব দিব নেলাগে।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত অসম চুক্তিৰ কথা উল্লেখ কৰিছে। প্ৰতি বছৰে কৰি আহিছে। যোৱা ৫ টা বছৰে ৰাজ্যপালৰ ভাষণৰ এটা 'পেৰা' আছে কি কি ব্যৱস্থা লোৱা হৈছে। ইয়াৰ মাজতে ১৯৯১ চনৰ ৰাজ্যপালৰ ভাষণত কোৱা হৈছিল, অসম চুক্তিৰ সম্পৰ্কে চৰকাৰে কৈছিল।

"Address of Governor. 1991 (Regarding Assam Accord) The Assam Government would be implementing in all sincrity and with a time bound program."

পাছ বছৰ হ'ল। অধ্যক্ষ মহোদয় সকলো ধৰা হৈছে এই বাজেট অধিবেশনত বিশেষ অভিযোগ উঠিছে এই পাছ বছৰৰ ভিতৰত কি ব্যৱস্থা ললে আৰু ১৯৯১ চনত ৰাজ্যপালৰ ভাষণত কোৱা হৈছিল।

"Address of Governor of Assam, 1991. The State Government have already submitted a number of proposals for constitutional, legislative and adminis-

trative safeguards to the Govt. of India to protect, preserve and promote cultural, social and linguistic identity and heritage of Assamese People"

যি প্রস্তাব অসম চৰকাৰে দিছে। সেইটো কি অৱস্থাত চলি আছে আমাৰ সদনত জনাব লাগে তাৰোপৰি ভাৰত চৰকাৰৰ "ৰেচপন সম্পৰ্কে মাননীয় মুখ্যমন্ত্রী মহোদয়ে এই সদনত জনাব লাগে, সদনে জনাতো দৰকাৰ। আমি দেখিছো ভাষাৰ পার্থক্য অধিক নাই। ১৯৯১ চনৰ সময়ত ৰাজ্যপালৰ ভাষনত কোৱা হৈছিল

In 1991—Governor's Address, it is "identity and heritage of the Assamese people"

অসম চুক্তি সেইটো। কিন্তু ১৯৯৫ চনৰ সলনি কৰা হ'ল।

In 1995—Governor's Address—it is "identity and heritage of the people of Assam."

দুইটাৰে মাজত ইমানেই পার্থক্য আছে। কিন্তু অসম চুক্তিৰ যিটো উদ্দেশ্য আছিল সেই উদ্দেশ্য আজি ধ্বংস কৰাৰ পাৰমানেই ব্যৱস্থা হৈছে।" চিটি এক্ট" অন্তর্ভুক্ত হৈছে।

"Citizens Act—Identity of the Assamese people Identity of the people of Assam."

„Citizenship Act—6(a)—Special provision to citizens and persons covered by Assam Accord"—amended.

মূলগত পার্থক্য আছে। সেইখিনি আজি প্রমান হৈছে। ১৯৯১ চনৰ ৰাজ্যপালৰ ভাষণত আশ্বাস দিয়া ছৈছে আৰু ১৯৯৫ চনত যি কথা উল্লেখ কৰা হৈছে ইয়াৰ মাজতে প্রমান হয় অসম চুক্তিৰ মূল দৃষ্টিভঙ্গীৰ পৰা আতৰি গৈছে। অধ্যক্ষ মহোদয় মই

আমা এটা কথাৰ দৃষ্টি আকর্ষন কৰিব বিচাৰিছো ।

এই চিটি জেনচিপ এক্ট খন ৭/১১/৮৫ তাৰিখে সংশোধন কৰা ভাৰতৰ হ'ল আৰু তাত ৬(এ) অন্তর্ভুক্ত কৰা হ'ল। সেই তাৰিখত ভাৰতৰ প্ৰধান মন্ত্ৰী আছিল ৰাজীবগান্ধী আৰু অসমৰ মুখ্য মন্ত্ৰী আছিল শ্ৰী শইকীয়া ডাঙৰীয়া। এইখন অসমৰ চৰকাৰৰ সন্মতি লৈ এমেণ্ড কৰা হৈছিল। ইয়াত স্থিৰকৰা হৈছে বাংলাদেশৰ পৰা অহা কোন লোক ভোটাৰ হব পাৰিব। তেতিয়া অসম চৰকাৰে এই খন চহী কৰিছে আৰু মন্ত্ৰী সভাই সম্মতি জনোৱাত পাৰ্লিয়েমেণ্টত পাছ হৈছে আৰু অসম চৰকাৰে এই চিটিজেনচিপ এক্ট খনৰ ধাৰ ৰূপায়নৰ ক্ষেত্ৰত অনবৰত ভুল বাধা দি বাধাৰ সৃষ্টি কৰি আহিছে। এতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদনৰ বাহিৰত সদায় এটা কথা কয় যে আমাৰ ইয়াত বিদেশী এজনো নাই কিন্তু সদনত সেইটো নকয়। ৰাজ্যপালৰ ভাষণত এটা কথা উল্লেখ কৰা হৈছে যে ১৯৭১ চনৰ আই, এম, ডি, টি এক্ট মতে অনমত ৯১ ৬৩৭ টন গোচৰৰ বিপৰীতে ৮৯২৯ জনক বিদেশী হিচাবে চিনাক্ত কৰা হল। কিন্তু ২ লাখ ৮৮ হাজাৰ কেচ এতিয়াও চলি আছে। তথাপিও মুখ্যমন্ত্ৰী ডাঙৰীয়াই কয় অসমত বিদেশী এজনো নাই। ইয়াতকৈ আৰু এটা ডাঙৰ কথা হৈছে, আপোনালোকে শুনি আচৰিত হব যে ট্ৰিবিউনেলে যি ৮৯২৯ জন লোকক বিদেশী বুলি চিনাক্ত কৰিছে তাৰ ভিতৰত ৭৬৮৫ জন লোক মিচিং হৈ আছে। তেওঁলোকক অসম পুলিচে বিচাৰি উলিয়াব পৰা নাই। অসম চৰকাৰ আৰু ইয়াৰ পুলিচ বাহিনী ইমানেই এক্সপার্ট ট্ৰিবিউনেলে চিনাক্ত কৰা লোক সকলক এতিয়া বিচাৰি নাপায়। এইটো হৈছে অসম চৰকাৰৰ গৃহ বিভাগৰ নোট। ইয়াৰ পিচত আৰু এটা কথা উল্লেখ কৰা হৈছে আমাৰ সীমা সমস্যা সম্পৰ্কে।

যোৱা ৫টা বছৰে এই সমস্যাটো কোনো সমাধান কৰিব নোৱাৰিলে। এই সময় ছোৱাত অসমত কংগ্রেছ চৰকাৰ, নাগালেণ্ডত কংগ্রেছ চৰকাৰে, আৰু অৰুণাচলতো কংগ্রেছ চৰকাৰে শাসনভাৰ চলাইছে। কিন্তু এই ৫ টা বছৰে সীমা বিবাদটো কিয় মাৰিব নোৱাৰিলে? ইয়াৰ আগতে ভাৰত চৰকাৰে সুন্দৰম কমিচন কৰি দিলে আৰু তেওঁলোকে ৰায় দিলে। কিন্তু তেওঁলোকে দিয়া ৰায় কিয় ইম্প্লিমেণ্ট কৰিব নোৱাৰিলে? আজি অসমৰ ১৫ লাখ বিঘা মাটি নাগালেণ্ড অৰুণাচলে বেদখল কৰি আছে। এই ক্ষেত্রত চৰকাৰে আমাৰ সীমান্ত ৰক্ষা কৰিব লাগে। ইয়াৰ পিচত বি এ চি কৰা হল। ইয়াৰ বাবে অইনত প্রভিজন কৰা হ'ল যে অসম চৰকাৰে সীমা নির্দ্ধাৰণ কৰিব। কিন্তু আজিলৈকে সীমা নির্দ্ধাৰণৰ কাম কিয় কৰা নহল? তাত ৬ মাহৰ ভিতৰত ইলেকচন পতা হব বুলি মূখ্য মন্ত্রী ডাঙৰীয়াই কৈছিল। কিন্তু আজি দুবছৰেও তাত কিয় ইলেকচন পাতা নাই? সেইদৰে কাৰ্বি আংলং, উত্তৰ কাছাৰতো ইলেকচন পতাৰ কোনো ব্যৱস্থা কৰা হোৱা নাই। এই চৰকাৰে যদি নিতান্তই গণতান্ত্রিক প্রক্রীয়াত বিশ্বাস কৰে তেনেহলে বি এ.চি, কার্বি আংলং আৰু উত্তৰ কাছাৰত নির্ব্বাচন অনুস্থিত নকৰাবৰ কোনো কাৰণ থাকিব নোৱাৰে। ইয়াৰ লগতে আজি নেপালী ছাত্র সন্থাই যিবোৰ দাবী তুলিছে সেইবোৰৰ ক্ষেত্রতো চৰকাৰে বিবেচনা কৰিব লাগে বুলি মই দাবী জনাইছো।

অধ্যক্ষ ডাঙৰীয়া, এল, ও. চি, স্কেণ্ডেলৰ বিষয়টো চি,বি,আই,ক দিয়া মূখ্যমন্ত্রীয়ে বাবে বাবে কৈছে। কিন্তু এই তদন্ত কিমান আগ বাঢ়িছে? আমি যিমানদূৰ গম পাইছো এই তদন্ত এতিয়াই শেষ নহয়। কিছুমান বিষয়ত চি বি,আই, তদন্ত কৰক, তাত আমাৰ আপত্তি নাই। এই ক্ষেত্রত চি,এ,জি, য়েও ৰিপোৰ্ট দিছে। এল,ও,চি'ৰ

বিখ্যাত স্কেণ্ডেলটো হ'ল দিমৌ প্রজেক্ট। এই চৰকাৰৰ দিনতে এনে ঘটনা হৈছে। শিৱসাগৰ ট্ৰেজেৰীৰ পৰা ডিমৌ আই,চি ডি,পি প্রজেক্টৰ ১৯৯১ চনৰ অক্টোবৰ মাহৰ পৰা ১৯৯২ চনৰ আগষ্ট মাহৰ ভিতৰত ২২ কোটি ১৮ লাখ ৫০ হাজাৰ টকা উইড্ৰ কৰিছে। কিন্তু তাৰ এল,ও চি, আছিল ১৮ কোটি ১৮ লাখ ৫০ হাজাৰ। এইটো কাৰ দিনত হল? এই ক্ষেত্ৰত যিহেতু এটা তদন্ত হৈ আছে সেই ক্ষেত্ৰত মই আৰু বহলাই কবলৈ নাযাও। এই টকা উইড্ৰ কৰা ঘটনাত ৰাজনৈতিক নেতাও জড়িত আছে। সেই নেতা কোন চৰকাৰে বিচাৰি উলিয়াই উপযুক্ত ব্যৱস্থা লব লাগে। সেই কাৰণে এল,ও, চি. স্কেণ্ডেল সম্পৰ্কত যি চি বি, আই, তদন্ত হৈ আছে সেইটো এই চৰকাৰৰ দিনত সম্পূৰ্ণ কৰিব লাগে আৰু লগতে কাৰ্বি লাংপি প্রজেক্টটো হস্তান্তৰ কৰা বিষয়টোও তদন্ত হব লাগে। এই প্রজেক্টটোত ১৬০ কোটি টকা খৰচ কৰি ১১৬ কোটি টকাত বিক্রি কৰা হৈছে। এতিয়া আকৌ নামৰূপ থাৰ্মেল পাৱাৰ প্রজেক্টটোও বিলায়েন্স গ্রুপক দিব লগা হৈছে। এই প্রজেক্টটো দিয়াৰ আগতে চৰকাৰে কি এম, ও, ইউ, কৰিছে সেইটো সদনক জনাব লাগে। সেই কাৰণে মই কব খোজো যে ৰাজ্যপালৰ ভাষণত যোৱা দিন বোৰৰ যিবিলাক কথা উল্লেখ কৰা হৈছে সেইবিলাক বাস্তৱৰ ওপৰত ভিত্তি কৰি উল্লেখ কৰা হোৱা নাই। এইবোৰ ভুল ভাবে ব্যাখ্যা কৰা হৈছে। সেই কাৰণে ৰাজ্যপালৰ ভাষণৰ ওপৰত আমি সদনত সংশোধনী প্রস্তাব উৎথাপন কৰিছো। এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্রী ৰফিকুল হক : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রী গগৈ ডাঙৰীয়াই তেখেতৰ ভাষণত লক্ষীমপুৰৰ ঘটনাত এজন মন্ত্রী জড়িত

* Speech not Corrected

আছে বুলি কোৱা কথাটোৰ মই প্ৰতিবাদ কৰিছো। তেখেত সকলে যি কোনো কথা নজনাকৈ কব নালাগে।

* শ্ৰীলক্ষী প্ৰসাদ বৰগোহাই : মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসম বিধান সভাৰ ১২৭ জনীয়া বিধান সভাৰ মই লক্ষী প্ৰসাদ বৰগোহাই। মই জানো যে অসম বিধান সভাখনত ১২৬ জন সদস্য, কিন্তু মাননীয় অধ্যক্ষ ডাঙৰীয়াই সদায় মোক লক্ষী প্ৰসাদ বুঢ়াগোহাই বুলি মাতে আৰু অসমৰ বিভিন্ন কাগজ পত্ৰ, ৰেডিঅ, টি, ভি, আদি সকলোতো মোক বুঢ়াগোহাই বুলিয়ে কয়। সেই কাৰণে মই ভাবিছো এই বিধান সভাত আৰু এজন কোনোবা লক্ষীপ্ৰসাদ বুঢ়াগোহাই বুলি সদস্য আছে। গতিকে মই বিধান সভাৰ ১২৭ জন সদস্য বুলি কৈছো।

অধ্যক্ষ ডাঙৰীয়া, য়োৱা ১৫ মাৰ্চ তাৰিখে এই বিধান সভাত মাননীয় অসমৰ ৰাজ্যপাল মহোদয়ে তেখেতৰ যি ভাষন ডাঙি ধৰিলে সেই ভাষনৰ ওপৰত আমাৰ চৰকাৰ পক্ষৰ পৰা মাননীয় সদস্য শ্ৰী হিৰণ্য বৰা ডাঙৰীয়াই যি ধন্যৰাদ সূচক প্ৰস্তাৱ ডাঙি ধৰিছে সেই প্ৰস্তাৱক মই পূৰ্ণ সমৰ্থন জনাই কব খুজিছো যে ৰাজ্যপাল মহোদয়ৰ ভাষনত যিখিনি কথা কোৱা হৈছে সেই কথাখিনিত এই চৰকাৰৰ যি দায়িত্ব, কৰ্ত্তব্য, নিষ্ঠা আদি নিয়ৰিকৈ পালন কৰাতো সুন্দৰ ভাবে প্ৰতিফলিত হৈছে। বিৰোধী দলৰ সদস্যই এই কেইদিন চৰকাৰক সমালোচনা কৰিবলৈ গৈ আইন শৃঙ্খলাৰ নামত তেখেত সকলে বহুত কথা কৈ গৈছে। বিৰোধী দলৰ দলপতি মাননীয় শ্ৰী মহন্ত ডাঙৰীয়াই যি কথা তথ্যৰ সৈতে চৰকাৰক সমালোচনা কৰিছে আমি বেয়া পোৱা নাই, কিন্তু অকল সমালোচনা কৰিলে

---

* Speech not Corrected

নহয়, সেই সমালোচনাৰ লগে লগে কিছুদান পৰামৰ্শ তেখেতে যদি আগ বঢ়ালেহেতেন আমি মনে মনে থাকিলো হেতেন। সেইবিলাক যুক্তি সহকাৰে আলোচনা কৰিলে ভাল হয়। (ভইচ: আপুনি ডেচিডেন গ্ৰুপৰ, এই বিলাক কিয় কয়) ডেচিডেন কৰাৰ কথা কলে নহব, দলৰ ভিতৰুৱা কথা কিছুমানত আপত্তি কৰা হৈছিল। আপোনালোকৰ নিচিনা মন্ত্ৰী পদ নাপাই দলপতিৰ বিৰুদ্ধাচাৰণ কৰা নাই। আপোনালোকৰ ১২ জন মন্ত্ৰীক একেলগে বাব দি আৰু তাৰ পিচত টোপ দিয়াৰ পিচত ঘুৰি অহাটো আপোনালোকৰ দলৰ কাৰণে স্বাভাৱিক, কিন্তু আমাৰ কাৰণে নহয়, আমাৰ দল সাগৰ সদৃশ। কিবা আপত্তি কৰিবৰ কাৰণে দিল্লীত এজন আছে, তাত আপত্তি কৰিছো ইয়াত কৰা নাই। (উপাধ্যক্ষ মহোদয়ে আহি আসন লয়)।

মাননীয় উপাধ্যক্ষ মহোদয়, আইন শৃঙ্খলাৰ নামত আমাৰ আদিল শ্বাহৰ কথা বিৰোধী দলে কৈছে। কিন্তু মই কওঁ আদিল শ্বাই আমি যেতিয়া বেয়া বুলি দেখিছো পিচ দিনাই দলৰ পৰা বাহিৰ কৰি দিয়া হৈছে আপোনালোকৰ নিচিনা খোৱা কামোৰা কৰি থকা নাই। আপোনালোকৰ এটা সাৰাৰণ আঞ্চলিক দল, বাৰিৰ মাজত চোকহে, কিন্তু আমাৰ দল আপোনালোকৰ প্ৰতি অজগৰ। আদিল শ্বাহৰ কথা নকওঁ, আপোনালোকৰ মন্ত্ৰী মানস অভয়াৰণ'ৰ আৰৰ্ত্তন ভৰনৰ আলহী থকা ঘৰত মন্ত্ৰী বা এম এল,এ গৈ বিদেশী পৰ্য্যটক মহিলাৰ কথা কোৱা নাই। আপোনালোকৰ মন্ত্ৰীয়ে ওফাইচাং কৰা অসভ্যালি কৰাৰ কথা আমি নকওঁ। কি কৰিছে কি কৰা নাই সেইবিলাক কবলৈ নাযাওঁ। কিন্তু আদিল শ্বাহৰ ওপৰত কোৱাৰ আগতে বাৰম্বা লোৱা হৈছে। আপোনালোকে বক্তব্য বেক্ত দিবলৈ যায়, কিন্তু আমি নাযাওঁ, দিয়া নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰী গগৈ দেৱে কৈছে যে ১৯৯১ চনত দেশৰ যি অৱস্থা আছিল এতিয়া সেইটো নাই। সদনত থকা প্ৰতিজন ব্যক্তিয়ে জানে যে ১৯৯১ চনত আমি যি সময়ত এই খন ৰাজ্যৰ শাসন ভাৰ গ্ৰহণ কৰিছো তাৰ প্ৰাক মূহুৰ্ত্তত মানুহে ত্ৰাহি মধুসূধন দেখিছিল। (ভইচঃ পুৰণি কেচেট কিমান বজাই থাকে)। পুৰণি কেছেট মই বজৱো নাই, আপোনালোকে বাধ্য কৰাইছে। মই গোটেই অসমৰ কথা কৈছো। যি অৱস্থা আছিল আপোনালেকে নিশ্চই জানে যে সেই সময়ত আমি ৰাহিৰ ওলাব পৰা নাছিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৯১ চনত ৰাজ্যখনৰ যি অৱস্থা আছিল আজি আৰু সেই অৱস্থা নাই। আজি বহুটো উন্নত হৈছে। আজি অন্ততঃ ৰাইজ সুখে শান্তিৰে বসবাস কৰিব পৰিছে। কৰবাত দুই এটা সৰু সুৰা ঘটনা ঘটিছে। তাৰ কাৰণে গোটেই চৰকাৰখনে সমালোচনাৰ পাত্ৰ হব নোৱাৰে। ইয়াৰ আগতে যিমান বিলাক ঘটনা ঘটিছিল তাৰ তুলনাত বহুত কম। আপোনা-লোকে কৈছে টাডা ১৪৪ ধাৰা দিয়া হৈছে। এই টাডা ১৪৪ ধাৰা কিয় দিবলগীয়া হ'ল। মোৱা ১২ বছৰ ধৰি বা এক যুগৰো বেছি অসমৰ যিটো পৰিবেশ আছিল কনত বিপৰীতে শান্তিৰ পৰিবেশ ঘুৰাই অনাৰ বাবে বহুতো কৰিবলগীয়া হৈছিল। মোৱা বছৰ বিলাকত ১ যুগৰ ভিতৰত যি ধৰণৰ স্খলন হৈছে সেইটো পূৰণ কৰিবৰ কাৰণে সৈন্য বাহিনী দুৰৰ কথা তাৰো বেছি মাৰাত্মক বস্তু ৰাখিবলগীয়া হৈছে। ছাত্ৰ আন্দোলনৰ সময়ত বা এ, জি পিৰ সময়ত যুৱ মানসিকতাৰ যি অবক্ষয় হৈছিল সেই অবক্ষয় আজি উদ্ধাৰ কৰাৰ কাৰণে আমি কিছুমান ব্যৱস্থা লব-

লগীয়া হৈছে। আজি আমি ১৯৯১ চনৰ নিৰ্ব্বাচনৰ সময়ত যি-বিলাক প্ৰতিশ্ৰুতি দিছিলো। সেই প্ৰতিশ্ৰুতিবিলাক এনেয়ে যাবলৈ দিয়া নাই। তাক প্ৰতিফলিত কৰিছো। ১০ লাখ নিবনুৱাক আমি কৰ্ম্মসংস্থাপন দিয়া বুলি প্ৰতিশ্ৰুতি দিছিলো। চাকৰীয়ে হওক বা অন্যান্য ধৰণে হওক ১০ লাখ নিবনুৱাক কৰ্ম্মসংস্থাপন দিম বুলি কৈছিলো। এতিয়ালৈকে প্ৰায় ৭ লাখৰো ওপৰ নিবনুৱা যুৱক যুৱতীক সংস্থান দিছো। মোৰ নিজৰ সমষ্টিৰে কব পাৰো মই এম, এল, এ হৈ অহাৰ আগতে ৫ জনেও কৰ্মসংস্থাপন পোৱা নাছিল। এতিয়া মোৰ সমষ্টিত ডেৰ হাজাৰ দুই হাজাৰ নিবনুৱাক কৰ্মসংস্থাপন দিব পাৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া আমি ১৯৯৫-৯৬ চনৰ ভিতৰত আৰু কমেও ২ লাখ নিবনুৱা যুৱক যুৱতীক কৰ্মসংস্থাপন দিম বুলি ঘোষণা কৰিছো। হয়টো ইয়াতকৈয়ো ইক্কিড কৰিব পাৰিম। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ কংগ্ৰেছ দল চাকত গঢ়া দল নহয়। এইটো দলে হৈছে ভাৰতীয় আত্মাৰ নিচিনা দল। আমি মৰিলঙৰ মৰা পানীতো নমৰো আৰু জীয়া ভৰলীৰ ঢলতো নাচিবলৈ নাযাও। আমি যি প্ৰতিশ্ৰুতি দিছিলো সেই প্ৰতিশ্ৰুতি আখৰে আখৰে পালন কৰিবলৈ যাও। যিবিলাক কথা আমি কও সেই কথাবিলাকৰ ওপৰত অধ্যয়নপুষ্ট অভিজ্ঞতা ৰক্ষা কৰি কও। মাননীয় উপাধ্যক্ষ মহোদয়, মই এতিয়া এটা গল্প কও। এজন লৰাই পৰীক্ষাৰ আগতে কিবা কিবি কৰি ফুৰিছিল। পঢ়া নাই। দেউতাকে সুধিলে বোপাই অ কালি তোৰ পৰীক্ষা নাই নেকি। লৰাজনে কলে পঢ়ি আছো। দেউতাকে কলে অমুক তমুক পৰীক্ষাত আহিব পাৰে। তাৰ পিচত কলে পৃথিৰীখন যে ঘুৰণীয়া তাৰ তিনিটা প্ৰমান আহিব পাৰে। লৰাজনে কলে এইটো এটা প্ৰশ্ন নেকি

সকলো মই ঠিক কৰি থৈছো। প্ৰমান তিনিটা হ'ল মায়ে যেতিয়া ৰুটি পোৱে বেলনাখন ঘুৰণীয়া, ৰুটিখনো ঘুৰণীয়া আৰু ৰুটি পোৱা তাৰাখনো ঘুৰণীয়া। পৃথিবীখন 'যে ঘুৰণীয়া এই তিনিটাই তাৰ প্ৰমান। দেউতাকে কলে যে বোপাই ঠিক কৰিছ পৰীক্ষকে যদি নম্বৰ দিয়ে নম্বৰো ঘুৰণীয়া হব। বৰ্ত্তমানৰ ৰাজ্যখনৰ যি সমস্যা তাত সুষ্টিৰ ভাবে মনোনিবেশ কৰিলেহে ভাল হব। আমাৰ বেলেগ পৰীক্ষক নাই ৰাইজেই আমাৰ পৰীক্ষক। আপোনালোকে চৰকাৰখনক কিছুমান তহগধুৰ পৰামৰ্শ দিব পাৰে। (ভইচ) আমি ষ্টুডেণ্ট নেকি) ষ্টুডেণ্ট বিলাকক বুজোৱাটো সহজ তেওঁলোকে সহজে বুজে। (ভইচ: আমি নুবুজো নেকি) মই আপোনালোকক নুবুজা বুলি কোৱা নাই। আমাৰ ৰাইজ পৰীক্ষক হিচাবে বিচাৰ কৰিব। তেখেতসকলে আমাক নম্বৰ দিব। মাননীয় উপাধ্যক্ষ মহোদয়, মই বেছি সময় নষ্ট নকৰো, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে উত্তৰ দিব আৰু সেই উত্তৰ আপোনালোকে আশা কৰা মতে পাব বুলি আশা ৰাখিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, মই বক্তব্য নিয়মীয়া নকৰো। মাননীয় সদস্য সকলে যি বিলাক প্ৰশ্ন কৰিছে, সেইবোৰৰ উত্তৰ মাননীয় মুখ্য মন্ত্ৰীয়ে দিব। সেই উত্তৰতে আশা কৰা মতেই উত্তৰ পাব বুলি মই ভাবো আৰু ইয়াকে কৈ মোৰ বক্তব্য সামৰনি মাৰিলোঁ।

Mr. Deputy Speaker : Now, Hon'ble Member Shri Holi Ram Terang.

* Shri Holi Ram Terang : Mr. Deputy Speaker, I will speak as briefly as possible. Sir, I thank the Hon'ble Governor for giving his speech here in our Assembly. In one way, it really reflects the situation of the State and the Govt. because it shows so many things. but it also does not say so many things So, I thank the Governor but also I regret to say that the Governor has been made to speak so many things which are not true. Sir, naturally we have to say that the law and order situation has not improved though the Govt. has said that the law and order situation has improved. Why then the Government through an affidavit claimed in the High Court and Supreme Court that the law and order situation in Assam is bad. By an affidavit the Govt. made that plea that the law and order situatiou is band aad that is why they did not go for election In Karbi Anglong and N.C Hills District Councils though the terms had already expired, Of course, there are some incidents in the Hill Areas which warrants the attention of Police and Administration. Sir, there is an organisation

---

* Speech not Corrected

called Dimasa National Security Front (DNSF). Sir, it has come out in the newspaper that one Shri Bharat Langthasa who is the Chairman of this organisation is connected with some political leaders who are also members of this August House, Sir, I am constrained to say.....

* Shri G.C. Langthasa (Minister, PWD (H)) : Mr. Deputy Speaker, I objcer this statement of the speaketr. This is not a fact.

*Dr. Ardhendu Kumar Dey, (Minister, Food & CS) : Mr. Deputy Speaker, sir, Hon'ble Member has to prove it. Who is this Hon'bie Member, he has to prove it because one hon'ble member is involved here. This should be expungcd.

Mr. Deputy Speaker : If there is any thiug abusive, it wil lbe expunged.

* Shri Holi Ram Terang : Sir, I have a document. It is an interrogation report of Bharant Langthasa by State Police, B.S.F and SIB. Sir, there are many reports here to prove the involvement of Shri Bharat Langthasa with political leaders.

---

* Speech not Corrected

(in the meantime Hon'ble Speaker returned and occupied the chair).

Sir, I do not want to read it out I will give a copy to you. What I am trying to say is that in one way Govt. is claiming that the law and order situation has improved, Shri Bharat Langthasa has surrenddered but there are also reports that Bharat Langthasa has links with some political leaders. So, I want Government to come out cleanly on this, If the law and order situation has improved, why then the Govt. has taken the pleae in the Supreme Court that the law and order situation has not improved. Sir, it is very contradictory. Sir, Hon' ble High Court prepared a schemeule for holding election in Karbi Anglong and N.C. Hills but then Govt. of Assam made a plea in the Supreme Court that the High Conrt has no jurisdiction to give a poll schedule through Leave Petition and the Supreme Court has given the ruling that the High Court has every right to prepare the schedule. But now, the Supreme Court has directed the State to hold the election in Karbi Anglong and N.c. Hills but till now, the State Govt. has not done anything to hold the election

Now, one Hon'ble Member of the Ruling Party

who spoke just before me said that G.vt keeps promises, but I do not know whether this Govt. really keeps promises and another associate member of the party said that this Govt. do not keep promises. Sir, I want a categorical assurance from the Hon'ble Chief Minister that the election will be held within a particular time. Sir, I do not know whether I will be allowed to bring up some documents, there are several documents in our hands relating to mis-use of authority and mis-appropriation of fuuds in N.C. Hills. I have several documents but sir, I will forward these documents to you later.

Sir, regarding law and order situation I won't dwell on this very much. I do'nt know but there is a rumour that one person is missing form the Assembly hostel complex itself since the day before yesterday.

Mr. Speaker : Mr Terang, please do not bring up such matter of hear say in the House. If there was any such happening I should have known and I have no knowledge on what you say. If you like you may ask for information on this from me.

* Shri Holi Ram Terang : Now, The Govt. of Assam and the Govt. of India had discussion with the ASDC for he tupgradation of the Karbi Anglong District Council ...now...

Mr Speakar : You see in the MLA's hostel only the MLAs live with their wife and other family members. But we allow outsiders to life only on specific request. However, anything untoward got to be brought to my notice.

* Shri Holi Ram Terang : Sir, the Govt. of Assam is committed to giving more powers for upgradation of the District Councils but at the same time it seems thcy are also takiug away the very powers already given to the District Councils. The District Council is the authority to appoint 4th Grade 3rd Grade employees in all the districts except a few—one or two. Sir, 18 persons have been appointed by the authority in grade III and grade IV categoiy and in the office of the Addl. Director of Health and Family Welfare 8 persons have been appointed by the authoriiy there. Sir, there is one document and I would like to place it here. One Tara Bah dur Chetri was nominated as Member to the

---

* Speech not Corrected

District Council of NC Hills. He is at the same a Govt. lawer also in Haflong He is also Member of the Block, Member of DRDA, Member of Forest Advisory Board, Member of Land Advisory Council and the Member of the Hill Planning Board. Very interestingly in 1977 Mr T.K. Kamilla the then DC NC Hills had written to Shri P N Rao, the then Commissioner, Hill Division, Assam, the issue no. being 4360 dt. 15.7.77.....

Mr Speaker : Now Mr Terang. Hon'ble Chief Minister is going to read a statement. One BJP member will speak for 5 minutes and then one AGP member will also speak. That is why Mr Deputy Speaker had requested you to speak yesterday itself while you could have some more time to speak. Now please be brief and conclude your speech early.

* Shri Holi Ram Terang : Sir, in 1977 the then DC, NC Hills Shri T K Kamilla wrote to the then Commissioner, Hills regarding the aforesaid Tara Bahadur Chetri. I quote an excerpt from his letter here which gows as follows : "Shri Tara Bahadur Chetri of Haflong town previously worked as an

---

* Speech not Corrected

office assistant in the erstwhile S.D.O. Haflong's office and he was dismissed from the Govt. service in a disciplinary proceedings on account of his misappropriation of govt. money. In view of this his candidature for Asstt. Govt. Pleadership cannot be favoured " And the same person is now Govt. Pleader of the District Council at Haflong. Not only this, he is also Member of several other organisations including the Hill Planning Board. These are but only a few examples of the mala-fide manner this Govt. is working in. I would only go to emphasise that let there be election and let the people decide who should run the District Council affair. May be they would opt for the ASDC or even for the Congress-I itself. Sir, the Govt. of Assam have and are holding talks with Tiwas, the Mishings and other such ethnic groups for giving them autonomy of their own areas. I believe only yesterday Govt. had a discussion.....

Mr Speaker : Mr Terang, I have already told you about the paucity of time. Now, do not carry on any longer, please conclude.

* Shri Holi Ram Terang : Sir, there has been a lot of promises from the Govt. but till now nothing has come out of it.... I am sorry, whenever I rise to say something I am reminded of the time constra ints. O.K. Sir, I now conclude.

Mr Speaker : Yesterday you have been requested to speak, But you preferred not to. And now there is a real time constraint. Anway, thank you concluding your speech. Thank you. Now, Shri Atul Bora from AGP will speak. Please complete your speech within the time limit.

* শ্রী অতুল বৰা :- মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মই বিশেষকৈ আইন শৃংখলাৰ বিষয়টোৰ ওপৰত অলপ কব বিচাৰিছো। ইয়াত আইন শৃংখলা নিয়ন্ত্রণ হৈছে বুলি কোৱা হৈছে কিন্তু প্রকৃততে আমি সেইটো দেখা নাই। কাৰণ আজি আই-এম এচ বিষয়া এজনৰ পুত্র অভিষেক বর্ম্মা অপহৃত হৈ আছে। পিতৃ আই-এম-এচ বিষয়া এজনে পুলিচ বিভাগক ক্রিটিচাইজ কৰিছে। আৰু পুলিচ বিভাগৰ বিৰুদ্ধে অভিযোগ আনিছে। আইন শৃংখলা ৰক্ষাৰ কাৰণে আমাৰ চৰকাৰে পঞ্জাৰৰ কমাণ্ডো ৰাহিনী ৰাখিছে চি-আৰ-পি-এফ ৰাখিছে। এই বিলাক পুহি ৰখাৰ কাৰণে সিদিনা এটা তৰাবিহীন প্রশ্নৰ উত্তৰত মুখ্য মন্ত্রীয়ে ৮৯২ কোটি টকা খৰচ হৈছে বুলি জনাইছে। অর্থাৎ আইন শৃংখলাৰ কাৰণে ইমান দুখীয়া ষ্টেট এখনৰ পৰা ৮৯২ কোটি টকা ব্যয় কৰিব-

* Speech not Corrected

চাকি আৰু সাৰ এই তিনিটাৰ মাজত সমন্বয় নোহোৱা হৈছে। খেতি কৰা মাটি ডোখৰত ইউৰিয়া, মালাথিয়ান চুপাৰ ফচপেট আদি সাৰৰ যোগান ধৰিব লাগে। ইউৰিয়া সাৰ ১১০ টকাৰ ঠাইত ১৩০ টকা হৈছে। চুপাৰ ফচপেৰ ২৫০ ৰ পৰা ৫০০ লৈ হৈছে। জলসিঞ্চন বিভাগৰ লগত চিভিল মেকানিকৰ কোনো সমন্বয় নোহোৱাৰ বাবে ৰাইজে অশেষ কষ্ট ভোগ কৰিব লাগে। সাধাৰণ নট-বল্টু এটাৰ কাৰণেও ৰাইজে পইচা ভৰিব লাগে। আগতে ১ বিঘা মাটিত ১৬ মোনলৈকে ধান পোৱা হৈছিল। আজিকালি ৪-৫ মোনতকৈ বেছি ধান পোৱা নাযায়। সেইকাৰণে খেতি-বাতি কৰিবলৈ এৰি দিছে। যাৰ মাটি আছে, সেই মাটি বিক্রী কৰি হলেও ৩০-৪০ হেজাৰ টকা দি চাকৰি লয়। সেইকাৰণে কৈছো কৃষক সকলৰ সমস্যা সমাধান কৰিব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, দুনীতিৰ বিষয়ে কব বিচাৰিছো। ৪০০ কোটি টকীয়া এল, অ, চি, কেলেংকাৰী চি, বি আইক দিয়া হল। এতিয়া তদন্ত চলি আছে। ১ কোটি ৭০ লাখ টকা ভৰিব লগীয়া হৈছে। বছৰি ৫০ হেজাৰকৈ ৰাখি থব লাগে। এইদৰে থলে প্রায় ৩৪ বছৰ লাগিব। চি, বি, আইৰ তদন্ত চলি থকা সত্বেও ১ কোটি ৭০ লাখ টকা ঘুৰাই দিবলগীয়া হোৱাত সেই ফার্ম কেইখনৰ লগত কি চুক্তি আছে? এই বিষয়ে বিভাগে জনাব বিচৰাত মুখ্যমন্ত্রীয়ে কিয় হস্তক্ষেপ কৰিছে। ভিজিলেন্স চেলবো হস্তক্ষেপ কৰিছে। অসমৰ হাবি-জঙ্গল, গছ-গছনি কাটি শেষ কৰি দিছে। ইঞ্জিনিয়াৰ সকলে ব্লেক মেল কৰিলে নধৰে। কিছুমান বিষয়াৰ ওপৰত একচন লয় আৰু কিছুমান বিষয়াৰ একচন নলয়। মই বেলেগৰ কথা নকওঁ মই মাননীয় মুখ্য মন্ত্রীক উদ্দেশ্য কৰিহে কথাখিনি কৈছো। কাৰণ গুৰিটো ভাল থাকিলে সকলো ভাল হয়।

মাননীয় অধ্যক্ষ : আপুনি শেষ কৰক।

* শ্রী অতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, আৰু ১ মিনিট সময় দিয়ক। এনেকুৱা মুৰা-মুৰি সময়ত দিছে। অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্রী মহোদয়ৰ নিজৰ পেপাৰ এখন আছে, নাম "জন ক্রান্তি" ২৮-১২ ত দিয়া আছে হিতেশ্বৰ শইকীয়াই স্বৰ্গ, হিতেশ্বৰে ধৰ্ম্ম, হিতেশ্বৰে পৰম পিতা। এইযাৰ কথা হিংসাত যে লিখিহে এনে নহয়। ডিমৰীয়া কলেজৰ অধ্যক্ষক মুখ্যমন্ত্রী ফাণ্ডৰ পৰা ১ (এক) কোটি টকা সাহায্য দিছে। লটাৰী টিকট বিক্রী কৰি এচ, পি, জনে ৭ লাখ টকা দিছে। সিদিনা মই অধ্যক্ষ জনক চাচপেন কৰিবলৈ লওঁতে তেখেতৰ মাফ কৰিছে। হিতেশ্বৰ শইকীয়াক মালা পিন্ধালে যিকোনো ক্ষেত্রত প্রতিশ্রুতি দিলে পুৰস্কাৰ পাব। সিদিনা কেবিনেটত কছিল যে আৰু এক্সটেষ্ট সকলো। পিচত সেই কেবিনেটতে এক্সটেষ্ট দিলে। সেয়া ফটা মুখৰ ৰাইজ নহয় নে? ৪ বছৰে সেই কাম কৰিলে। এতিয়া আকৌ সেই ১ তাৰিখৰ পৰাহে এই নিয়ম কৰিলে।

মাননীয় অধ্যক্ষ : আপুনি জেনেৰেল ডিচকাচন কৰক।

* শ্রী অতুল বৰা : ধন্যবাদ। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্রী চিত্তেন্দ্র নাথ মজুমদার : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় রাজ্য পাল মহোদয়ের ভাষনের উপর যে ধন্যবাদ সূচক প্রস্তাব উৎথাপিত হয়েছে তার বিরোধিতা করে আমার বক্তব্য তুলে ধরছি। স্যার, আসামের বর্তমান আইন শৃংখলার যে অবনতি হয়েছে সে কথা এই

* Speech not Cerrected

সদনের প্রতিজন সদস্যই তার বক্তব্যে তা প্রকাশ করেছেন। আমিও মাননীয় সদস্য দের বক্তব্যের সঙ্গে সংগতি রেখে বলতে চাই যে ১৯৮৫ ইং র আগে বর্তমানে যিনি আসামের মুখ্যমন্ত্রী তিনি এই রাজ্যের মুখ্য-মন্ত্রী ছিলেন এবং ৯৯৯১ ইং থেকে তিনিই এই রাজ্যের মুখ্যমন্ত্রী হয়ে আছেন। আমার প্রশ্ন হলো ১৯৮৫ ইংর আগে আসামের আইন শৃংখলার পরিস্থিতি যে রকম ছিল বর্তমানে ঠিক সেই রকম আছে কি ? আমার মনে হয় বর্তমানে এই অবস্থার আরো অবনতি হয়েছে। একটু পর্যালোচনা করলেই এটা সহজে বোঝা যায়।

অধ্যক্ষ মহোদয়, গত বছর হাইলাকান্দি জেলার আইনাখাল চা বাগানের ৪জন নিরীহ শ্রমিককে স্থানীয় এস পি এবং ডি সি'র সামনে গুলি করে মেরে ফেলা হয়েছিল। কিন্তু আজ পর্যন্ত সরকার থেকে এদের পরিবার বর্গকে কোনো সাহায্য দেওয়া হয়নি। এই ৪ জনের মধ্যে ১জন ছিল ১০ শ্রেণীর ছাত্র এবং অপর ১ জন হলো ৬০ বছরের বৃদ্ধ। এরা এই ঘটনার সঙ্গে কোনো ভাবেই জড়িত ছিল না। কিন্তু এদেরেও গুলি করে ফেলা হয়েছিল। এ ব্যাপারে একটা প্রশাসনিক তদন্ত বসানো হয়েছিল। কিন্তু আমরা জানতে পারলাম না যে এই তদন্তে কারা দোষী সাব্যস্ত হয়েছে। আমি তাই হান্নু রায় মুখ্যমন্ত্রী মহোদয়কে অনুরোধ করছি তিনি যেন এই আইনাখাল চা বাগানের ঘটনার সঙ্গে জড়িত প্রকৃত দোষী ব্যক্তিদেরে শাস্তি দেবার ব্যবস্থা করেন আর যারা নিরীহ লোক আছেন তাদেরে সাহায্য দেবার ব্যবস্থা করেন।

তারপর আমি বিদ্যুতের ব্যাপারে ২/১ টি কথা —— ——

মাননীয় অধ্যক্ষ : এটা জেনেরেল ডিসকাশনে বলতে পারবেন।)

* শ্রী চিত্তেন্দ্র নাথ মজুমদার : স্যার, এই বিভাগের ইঞ্জিনীয়ারদের কাছে লাইন টানার জন্য ১ ইঞ্চি তারও আজ নেই। একজন ইঞ্জিনীয়ারের কাছে যদি টনার লাইনজন্য ১ ইঞ্চি তার না থাকে তাহলে এই বিভাগে কি কাজ করবে ?

(ভয়েসঃ—মন্ত্রীরা হাসছেন——সদনে হাসি — —) মন্ত্রীরা হাসবেনই। কারণ তারা সরকারে আছেন বলে অনেক সুযোগ সুবিধা পাচ্ছেন। (অধ্যক্ষ দ্বারা সময় সংকেৎ) স্যার, পরিবহন বিভাগের উপর ১/১ কথা বলেই আমার বক্তব্য শেষ করবো। স্যার, প্রতি দিন বরাকভেলী থেকে বহুসংখ্যক লোক গৌহাটী আসা যাওয়া করেণ বিভিন্ন বাসে চড়ে। কিন্তু এইসব বাসে যাত্রীদের কোনো নিরাপত্তা নেই। বরাকভেলী থেকে গৌহাটী—এই দীর্ঘ ৪০০ কিঃমিঃ পথে প্রায়ই বাসে ডাকাতি, লুণ্ঠণ ইত্যাদি ঘটনা ঘটে থাকে এ ব্যাপারে আমরা মেঘালয় সরকারের সঙ্গে চিঠি দিয়ে যোগাযোগ করেছি। যেসব যাত্রী বিভিন্ন সময়ে নাইট বাসে চলাচল করে তাদের টাকা পয়সা এবং অন্যান্য মুল্যবাণ জিনিষ যাতে ডাকাতি না হয় তার ব্যবস্থা করার জন্য সরকারে বিশেষ দৃষ্টি আকর্ষণ করে আমি আমার বক্তব্য শেষ করছি।

* শ্রী হিতেশ্বর শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষনৰ ওপৰত বহুতো বিতর্ক হৈ গ'ল, কিন্তু এটা কথা মই লক্ষ্য কৰিছো, এই কথা বিলাকত কোনো নতুনত্ব নাই। যোৱা বছৰ ৰাজ্যপালৰ ভাষনৰ ওপৰত যি খিনি কথা আলোচিত হৈছিল আৰু যি খিনি কথা কৈছিল সেই খিনি এইবাৰো কৈছে. গতিকে উত্তৰো একেটাই হব। গতিকে প্রত্যেক বাৰ বিধান সভা বহাৰ আগতে আগৰ বছৰৰ বিধান সভাৰ প্রচিডিং বিলাক চাৰকুলেট কৰিব লাগে,

* Speech not Corrected

তেতিয়াহলৈ আমি এতিয়া যি ধৰণে বহু সময় নষ্ট কৰিছো একেখিনি কথা কৈ তেতিয়া অন্ততঃ কিছু কম সময় নষ্ট হব। মাননীয় সদস্য গগৈ ডাঙৰীয়াই কৈছে যে সদনৰ ভিতৰত ৪০ লাখ বিদেশী নাগৰিক আছে বুলি কৈছো আৰু বাহিৰত গৈ বিদেশী নাই বুলি কৈছো। সদনত মই বাৰ বাৰ কৈছো কি কাৰণে সদনৰ ভিতৰত ৩০ লাখ বিদেশী নাগৰিক আছে আৰু বাহিৰত ৰাজহুৱা ভাষনত কি কৈছো, এই সদনতে তাৰ ব্যাখ্যা দিছো। মোৱা ২৪ মার্চত প্রশ্নৰ উত্তৰত মই যিটো উত্তৰ দিছিলো সেইটোকে এতিয়া মই পঢ়ি দিব বিচাৰিছো।— "বিদেশী সংক্রান্তত প্রায় এই কথা কৈ থকা হৈছে যে মই সদনত ৩০ লাখ বিদেশী আছে বুলি কৈছিলো আৰু বাহিৰলৈ গৈ নাই বুলি কলো। কোনোবাই ধমক দিয়াৰ বাবে এনেকৈ কৈছো বুলিও কৈছে। পিছে সেইটো নহয়। তথ্যৰ পৰাহে মই কৈছিলো। প্রশ্নটো কৰিছিল মাননীয় সদস্য জয়নাথ শর্ম্মাই প্রায় ১৭ দিনমানৰ আগতে গৃহমন্ত্রালয়ে পতা এখন সভালৈ আমাৰ এজন বিষয়া গৈছিল। তাত বিতৰণ কৰা 'প্রজেকটেড পপুলেশানৰ এখন কাগজ পায়েই মই সেই কথা লুকুৱাই নাৰাখি সেই দিনা কবলৈ বাধ্য হৈছিলো মহন্ত ডাঙৰীয়াই যিহেতু কাগজখন পাইছিল সেই কাৰণেই প্রশ্নটো কৰিছিল। সেইখনৰ মতে গৃহ-মন্ত্রনালেয়ে অনুপ্রবেশ সম্পর্কে পতা এখন সভাত 'প্রজেকটেড পপুলেশান অব আসাম, ১৯৮১ এই কিতাপখনৰ কথা তাত উলিয়াইছিল। ইয়াত তেওঁলোকে দেখুয়াইছে যে ১৯৯১ চনত অসমৰ জনসংখ্যা ২কোটি ৫০ লাখ ১৪০ জন। ১৯৭১ চনৰ পিছত আমাৰ ৰাজ্যখনত লোকপিয়ল হোৱা নাছিল। লোক পিয়ল নোহোৱাৰ কাৰণে এটা ফৰমুলা মতে কেন্দ্রীয় চৰকাৰৰ এটা বিভাগ আছে। এই বিভাগে সর্ব্বভাৰতীয় হিচাব মতে এটা অনুপাত উলিয়াই সেই মতে প্রজেক্ট ৰিপোৰ্ট

দিয়ে। ১৯৭১ চনৰ লোকপিয়লৰ ভিত্তিতে সেই অনুপাত দেখুৱাই তেওঁলোকে আমাক টকা দিয়ে। এই বৎৰ আমাৰ পৰিকল্পনাৰ টকা পলমকৈ পাইছো আৰু উক্ত ৰিপোৰ্টটো গৃহ মন্ত্রানলয়ৰ সভা-খনলৈ যোৱা সকলৰক এই কিতাপ- খন দিছিল। এই কিতাপৰ মতে ১৯৯১ চনত ২ কোটি ৫০ লাখ হয় আৰু আমাৰ ১৯৭১ চনত জনসংখ্যা হৈছে ১ কোটি ৪৬ লাখ। ১৯৭১ চনৰ হোৱা লোকপিয়ল অনুসৰি ১ কোটি ৪৩ লাখ আৰু সেইটোকে প্রজেক্ট কৰি তেওঁলোকে দেখুয়াইছে ১৯৮১ চনত ১ কোটি ৯৮ লাখ। ১৯৯১ চনত ২ কোটি ৫০ লাখ কিন্তু তাৰ পিচত আৰু এখন কিতাপ উলিয়ালে। তাত দেখুৱালে ২ কোটি ২২ লাখ। ২ কোটি ২২ লাখ পোৱাৰ পিচত ২ কোটি ৫০ লাখ হবই নোৱাৰে। পিচৰখন যুদ্ধ হৈছে বুলি কৈছে। এই ২৮ লাখটো আহি গ'ল, সেয়ে মোৰ ৩০ লাখ হ'ল। কেন্দ্রীয় চৰকাৰৰ গৃহমন্ত্রনালয়ৰ অংক মতে মই ৩০ লাখৰ কথা কৈছিলো। কেন্দ্রীয় চৰকাৰৰ ষিটো ৰাষ্ট্রিয় বিকাশ অনুপাত ফৰমূলা সেইমতে জনসংখ্যা ২'৪ বাঢ়িব লাগে। ১৯৬১ পৰা ১৯৭১ দশকটোৰ জনসংখ্যা বৃদ্ধিৰ সৰ্ব্বভাৰতীয় হাৰ হৈছে ২৪'৬৬ ইয়াৰ বিপৰীতে অসমত এই হাৰ হৈছে শতকৰা ১৩'৪৯। অসমত এক শতাংশ কম। তেনেদৰে ১৯৮১ৰ পৰা ১৯৯১ দশকটোত সৰ্ব্বভাৰতীয় শতকৰা ১৩'৮৫ ভাগ বৃদ্ধিৰ বিপৰীতে অসমৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ আছিল ১১'১৯ ইয়াতো এক শতাংশ কম। ৰাজ্য ছিচাবে অসমত ১৯৭১ চনৰ পৰা ৯১ চনৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ আছিল শতকৰা ৫৩'১৬ আৰু ভাৰতত ৫৪'৩৯। মই তিনিটা অংক কৰি উলিয়াইছো। ১৯৭১ৰ পৰা ৮১, ১৯৭১ৰ পৰা ৯১, ১৯৮১ৰ পৰা ১৯৯১ এই তিনিটা

---

* Speech not Corrected

লোক পাঁয়লৰ প্ৰতিটোতে অসমৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ সৰ্ব্বভাৰতীয় হাৰৰ তুলনাত ১ শতাংশ কম। মই সেইকালৰ পৰা কৈছো – অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ স্বাভাৱিক। তেনেহলে বিদেশী ক'ত আছে? মই কিতাপৰ পৰা ৰেকৰ্ডৰ পৰা কৈছো। অৱশ্যে বহুতো নাম শুনে, বহুতে শুঠাইয়ো তেনে অৱস্থাও নোহোৱা নহয় মই অস্বীকাৰ নকৰো। ভোটাৰ তালিকাৰ বিষয়েও মই লগতে কব খুজিছো।

১৯৭১ চনত অসমৰ জনসংখ্যা আছিল ১ কোটি ৪৪ লাখ ৫ হাজাৰ ১৫২ জন আৰু ভাৰতবৰ্ষত আছিল ৫৪ কোটি ৮১, ৭৯, ৬১২ জন। ১৯৭১ চনৰ পৰা ১৯৮১ চনলৈ চেন্সাচ মতে বৰ্দ্ধিত জন সংখ্যাৰ হাৰ ২৩'৪৯ অসমত আৰু ভাৰতবৰ্ষত ২৪'৬৬। আৰু ১৯৮১ চনৰ পৰা ১৯৯১ চনৰ ভিতৰত আছিল অসমৰ ২২'১৭ আৰু ভাৰতবৰ্ষত ২৩'৭৬। আৰু ১৯৭১ চনৰ পৰা ১৯৯১ চনলৈ যদি আমি চেন্সাচ ৰিপোৰ্ট চাও তেতিয়া হলে বৰ্দ্ধিত জনসংখ্যাৰ হাৰ অসমৰ ৫০'১৬ আৰু ভাৰতবৰ্ষৰ ৫৬.৩৬। যদি আমি যোগ বিয়োগ কৰি চাও তেন্তে ৩'০ বৃদ্ধিত হাৰ কমিছে বুলি কব পাৰো। মাননীয় অধ্যক্ষ মহোদয়, মই কব খুজিছো যে এই কথা বিলাক বহুবাৰ কোৱা হৈছে আকৌ কবলগীয়া হৈছে আকৌ কোৱাৰ কাৰণে।

আইন শৃংখলা সম্পৰ্কে মাননীয় সদস্য গগৈ ডাঙৰীয়াই যিটো কথা কৈছে সেই পৰিসংখ্যাটো মই কব খুজিছো। ১৯৮৬ চনৰ পৰা অসমত আছিল ৪২৫৮৭ টা ১৯৮৭ চনত ৪০,৫১৫ টা ১৯৮৮ চনত ৪০,৬৯০ টা ১৯৮৯ চনত ৪৩৩৯৮ আৰু ১৯০০ চনত ৪১,০৯৯ টা ১৯৯১ চনত ৬৮,৭৩২, আৰু ১৯৯২ চনত ৬,১২৬, ১৯৯৩ চনত ২৯৯০৩ টা ১৯৯৪ চনত ৩৪,৯৯৯ টা

আন এটা কথা হৈছে ৰাজাখনত হত্যাকাণ্ড অপহৰণ লুণ্ঠন, ধৰ্ষণ আদি আজি দৈনন্দিন কাৰ্য্যসূচী হৈ পৰিছে। এইবিলাক আতৰাবলৈ সময় লাগিব। অধ্যক্ষ মহোদয়, গণপৰিষদৰ চৰকাৰৰ দিনত কোনো বিষয়াক অপহৰণ কৰিছিল — তেতিয়া কেন্দ্ৰীয় চৰকাৰে হৈ চৈ কৰিছিল বুলি কৈছিল সেই সময়ত ভাৰতত কিমান অপহৰণ হৈছিল? তেখেত সকল দায়িত্বত থকা সময়ত অইল ৰিফাইনেৰী বিষয়া জনক অপহৰণ কৰিছিল। এতিয়া মই পশ্চিম বংগৰ কথা কব খুজিছো। জুটি বসুয়ে সেইদিনা বিধান সভাত কৈছে আৰু সেই পৰিসংখ্যাটো মই কম। ১৯৯০ চনৰ পৰা ১৯৯৪ চনলৈকে এই ৫ বছৰত পশ্চিম ৰংগত ৮৬১৮ টা খুন হৈছে। ২৬৮০৮ টা গ্ৰেপ্তাৰ হৈছে। আৰু চাৰ্চচিট হৈছে ৪৮৫৫ খন। হত্যা হৈছে ১৮১৯৭ টা। ৰেপ কেচ হৈছে ৪৪৩ টা টোটেল ক্লাইম ৬৮৯৪৩ টা। কিন্তু অসমত কিমান হৈছে? মাননীয় সদস্য শশকমল ডাঙৰীয়াই শান্তি আহিছে তেনেহলে ১৪৪ ধাৰা কিয় দিব লগা হৈছে? কিয় মিটিং আদি পতাৰ ক্ষেত্ৰত আমনি কৰে? আমি ১৪৪ ধাৰা দিবলৈ ভাল পোৱা নাই যদিও দিব লগা হৈছে কিন্তু ১৪৪ ধাৰা চলি থকা অৱস্থাতো মিটিং পাতিব পাৰিছে। জজফিল্ডত জনসমাবেশ হৈছে। মাত্ৰ পাৰমিচন লব লাগে। কেইদিনমানৰ আগতে পশ্চিমৰংগত চি, পি, এম আৰু চি, পি আইৰ লগত ক্লেচ লাগি ৩ জন ছাত্ৰ মাৰিছে। পশ্চিম ৰংগত চি, পি, এমৰ চৰকাৰ জুটি বসু আছে। কিন্তু তাত মিটিং পাতিবলৈ দিয়া নাই কিন্তু আমি দিছো তাত ফৰওৱাৰ্ড ব্লকে ৩ টা মাৰি পেলালে। অধ্যক্ষ মহোদয়, মই কব খোজো যে আজি ভাৰতবৰ্ষৰ পৰিস্থিতি কি? যোৱা বছৰ বিহাৰত ৪৬৪৪ টা হত্যা হৈছে। তাত জনতা দলৰ চৰকাৰ। কমিনিষ্ট সকলে

জনতা দলক সমর্থন কৰিছে তাত কোনো নিয়ন্ত্রন কৰিব পৰা নাই। উত্তৰ প্রদেশত ৮৭৭৩ টা হত্যা হৈছে, বিৰোধী দলে সমর্থন কৰিছে কিন্তু নিয়ন্ত্রন কৰিব পৰা নাই। আজি ভাৰতবৰৰ পৰিস্থিতি বেয়া হৈছে। গণতান্ত্রিক চৰকাৰ থকা পাচতো তিনি খন ৰাজ্যত সন্ত্রাস বাদ চলি আছে। পশ্চিম বঙ্গ আৰু ত্রিপুৰাতো চলি আছে। তাত চি পি এম চৰকাৰ আছে হাজাৰ হাজাৰ গাওঁ এৰি জনতা যাব লগা হৈছে। এই কথা বিলাক বহু বাতৰি কাকত প্রকাশ হৈছে। উত্তৰ প্রদেশ, মহাৰাষ্ট্র আদি এই ধৰণৰ হত্যা কাণ্ড লুণ্ঠন চলি আছে। অধ্যক্ষ মহোদয়, ক'ত হোৱা নাই। ১৯৯৪ চনত পশ্চিম বংগত মাধ্যমিক পৰীক্ষাৰ প্রশ্ন কাগজ ৫০০ টকাত বিক্রি কৰা হৈছে — ৩ টা লৰা ফৰওৱার্ড বলকে মাৰি পেলাইছে কিন্তু আমাৰ ইয়াত আদিল গ্রাহক গুলিয়াইছে মাত্র গুলিয়াইছে হে মৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, মহিলা স্বাস্থ্য বিষয়ক উলঙ্গ কৰি পিটিয়া খুন হোষ্টেলত ছাত্রীৰ মৃত্যু অমানৱিকভাবে মালদহে ৪ জনক পুৰি মাৰিলে গাজলে দর্জা ভাঙি পার্টিৰ ক্লোচ এটা মানুহৰ ঘৰ জ্বলাই মানুহ পুৰিলে কিন্তু ইয়াৰ উত্তৰ কোনে দিব? আজি ভাৰত বর্ষৰ সাম্প্রদায়িক পৰিস্থিতি কি? আজি কত হোৱা নাই হত্যাকাণ্ড লুণ্ঠন, ধর্ষণ। আজি বিহাৰত, মহাৰাষ্ট্রত কি হৈছে। অসমৰ কথা বেলেগ। অধ্যক্ষ মহোদয়, মই সংখ্যাৰ ফালৰ পৰা কৈছো অসমত ক্লাইম কৰি আহিছে। আমি পৰিস্থিতি নিয়ন্ত্রন কৰিছো আৰু পৰিস্থিতি আগত কমি ভাল হৈছে। শান্তি ঘুৰি আহিছে। আমাৰ কিমান মানুহ মাৰিলে? আজি পাঞ্জাৰত শান্তি আনিবলৈ ১৫/২০ হাজাৰ মানুহ মাৰিব লগা হৈছে। অসমত

৬ শ মানুহো মৰা নাই। বিহাৰত যোৱা বছৰ ২৫ হাজাৰ টা হত্যা কাণ্ড হৈছে। অথচ তাত জনতা দলক চি, পি, আই আৰু চি, পি, এমে সমর্থন কৰিছে। এইবাৰ লোকসভাতো প্রচিদিংচ কাক কৰি দিছে। অথচ লালুৰ ৰাজ্যত ২৫ হাজাৰ মানুহ মাৰিছে জনতা দলৰ বাবে চি. পি. এমে ধর্ণা দিছে। সিদিনা মাননীয় সদস্য মহন্ত ডাঙৰীয়াই কৈছে যে শইকীয়া চৰকাৰে নতুন প্রজনন ধংস কৰিবলৈ ওলাইছে। যোৱা ৪ টা বছৰত কেইজনে আই এ, এচ আৰু আই, পি, এচ পাইছে কাগজৰ হেদ লাইনতো একে কথাকে ওলাইছে। শইকীয়া চৰকাৰে নতুন প্রজননক ধংস কৰিবলৈ ওলাইছে। অধ্যক্ষ মহোদয় মোক ক্ষমা কৰিব মই এখন প্রতিদিংচ গাই শুনাম। মহন্ত ডাঙৰীয়াই লটাৰী. জুৱা আৰু মদৰ দ্বাৰা ৰাজ্যখন ধংস কৰিবলৈ লোৱা বুলি কৈছে। তেখেতসকলক গাৰুৰে বোকা মোৰ গাত লগাই দি জাপি দিছে। মই উত্তৰাধিকাৰী হয় কিন্তু দুৱাৰ কোনে খুলি দিছে? এইটো কথা তেখেতে চিন্টা কৰিব লাগিছিল। কাৰণ তেখেত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পোনে পোনে আহিছে। ১৯৮৭ চনৰ নবেম্বৰ মাহৰ যিটো কেবি-নেট মিটি আছিল তাৰ প্রতিদিংচ বৰ লম্বা ৪ নংত আছে ৰাজ্যৰ বিভিন্ন ঠাইত মদ বিক্রি কৰাৰ বাবে অনুজ্ঞা পত্র দি ৰাজহ বৃদ্ধি কৰা হওক। ঠাই ৰিশেষে বলৱত থকা আইন বিধিৰ ধাৰা বৃদ্ধি কৰা হওঁক। যত ১০ হাজাৰ জনসংখ্যা আছে তাত অতি কমেও একোখন বিদেশী মদৰ দোকা কৰা হওঁক। বিদেশী সুৰা বা বিয়েৰৰ অনুজ্ঞা পত্র দিয়াৰ ক্ষেত্রত বিধি আৰোপৰ ক্ষেত্রত সহজ নীতি গ্রহন কৰক। হোটেল সমূহত অনুজ্ঞা পত্র দিয়াৰ ক্ষেত্রত সহজ নীতি অৱলম্বন কৰিব লাগিব। যিবিলাক হোটেললৈ বিদেশী পর্যটন আৰু অন্যান্য ঠাইৰ পৰা মানুহ আহে সেইবিলাক হোটেলক

আবকাৰী বিভাগৰ বিশেষ প্ৰতিবেদনৰ ওপৰত অনুজ্ঞা পত্ৰ দিব পাৰে। এইটো হোটেলৰ স্থ নামৰ ওপৰত নিৰ্ভৰ কৰিব। এতিয়া অনুজ্ঞা পত্ৰ দিয়াৰ বাবে ২১ বছৰ হলে এই অনুজ্ঞাপত্ৰ পাব পাৰে। বাজাৰ শিক্ষিত নিবনুৱা যুৱকক বিদেশী সুৰা বিক্ৰি কৰাৰ বাবে অনুজ্ঞা পত্ৰ দিব তেওঁলোকক চেটেলমেণ্ট কৰাৰ বাবে অনুজ্ঞা পত্ৰ দিব লাগিব। এই ধৰণে গুৱাহাটীততে ২১ টা পাৰ্টিক অনুজ্ঞা পত্ৰ দিয়া হল। মহন্ত ডাঙৰীয়াই কৈছে যে, *ইকীয়া চৰকাৰে নতুন প্ৰজননক লটাৰী, জুৱা আৰু মদৰ দ্বাৰা নষ্ট কৰিবলৈ ওলাইছে। তেখেতে নিজেই নিবনুৱা শিক্ষিত যুৱকক প্ৰত্যেক চহৰতে যত ১০ হাজাৰ জনসংখ্যা আছে তাত একোখন দোকানৰ অনুজ্ঞা পত্ৰ দিছে। অধ্যক্ষ মহোদয়, অসমত যি কেইটা লটাৰী আছে সেই লটাৰী কেইটা অসমত খেলিবলৈ দিয়া হোৱা নাই। ইয়াত বাহিৰৰ লটাৰী চলি আছে। বাহিৰৰ লটাৰী বিলাক কেনেকৈ বন্ধ কৰিব পৰা যায় সেই সম্পৰ্কত বিত্ত সচিবৰ লগত আলোচনা কৰা হৈছে। অসমৰ লটাৰী অসমত খেলা নাই। মিজোৰাম নাগালেণ্ড আদিৰ লটাৰীয়ে অসমত খেলি আছে কিন্তু অসমৰ লটাৰী ইয়াত খেলা নাই। সেইকাৰণে অসমৰ লটাৰীৰ অফিচ বাহিৰলৈ পঠিয়াই দিয়া হৈছে। এইটো মই অস্বীকাৰ নকৰো যে নতুন প্ৰজননৰ নষ্ট কৰাৰ বাবে লটাৰী, জুৱা, মদ আদি আমি দিয়া নাই কিন্তু আৰম্ভ কৰিছিল অ, গ, প চৰকাৰৰ দিনৰে পৰাই। অ, গ, প চৰকাৰেই দুৱাৰ খুলি দিছে।

* শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত : অধ্যক্ষ ডাঙৰীয়া, মুখ্যমন্ত্ৰীয়ে কেবিনেটৰ যিটো সিদ্ধান্ত আছিল সেইটো পঢ়ি দিলে ভাল হয়। আমি বে-আইনী ভাবে দিবলৈ লোৱা নাছিলো।

---

* Speech not Corrected

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : আমিও বে-আইনী ভাবে দিয়া নাই। মই সেইটো পঢ়ি দিম বাৰু।

* শ্রী প্রফুল্ল কুমাৰ মহন্ত : মঙলদৈ কলেজৰ সম্মুখত মদৰ দোকান কোনে দিলে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : অফিচাৰে দিছে। মই কেবিনেটৰ সিদ্ধান্তটো পঢ়ি দিছো—চৰকাৰৰ আইনৰ বিভিন্ন ধাৰা আৰু নিয়ম পুৰণ কৰি ১০ হেজাৰ বা ততোধিক জনসংখ্যা থকা নগৰত বিদেশী সুৰাৰ অনুজ্ঞা পত্র দিয়া হওক। এইটো আছিল সিদ্ধান্ত। অধ্যক্ষ মহোদয়, শ্রীমহন্তই আৰু এটা কথা কৈছে যে আলফাক কোনে জন্ম দিলে এইটো বিচাৰ কৰিব লাগে। শ্রীগোলাপ বৰবৰা গৌৰীশংকৰ ভট্টাচার্য্য আৰু শ্রীশৰত চন্দ্র সিংহ ডাঙৰীয়াই এই সম্পর্কত বক্তব্য ৰাখিছে মই সেইবোৰ নপঢ়ো। আগৰ অধ্যক্ষ, বর্তমান এ. জি, পিৰ উপ সভাপতি তেখেতে কি মন্তব্য দিছিল মই পঢ়ি দিছো—

"All the front line leaders of the All Assam Students' Union became Ministers and M. L. As and started to live a luxuriously while thousands of youth remained umemployed and frustration lead them to take up arms.....

* শ্রী চন্দ্র মোহন পাটোৱাৰী : আগৰ অধ্যক্ষই এইটো ডিনাই কৰিছিল, বাতৰি কাকতত।

মুখ্যমন্ত্রী : তেখেতে কায়দা কৰি দিছে, উকীল মানুহটো, মই গাই দিছো —

---

* Speech not Corrected

Mr Baruah has emphasised then this is one of the easiest draw Back of the A.G.P. Governnment.

• শ্রী চন্দ্রমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, তেখেতে টোটেলি ডিনাই কৰাৰ ষ্টেটমেণ্ট আছে।

• শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : নাই, মই পোৱা নাই। আপোনালোকৰ সেই সময়ৰ গৃহমন্ত্রীয়ে কি কৈছিল মই পঢ়ি দিছো শুনক The Home Minister of the A.G.P. Government had close link with the ULFA boys. I have Co cumentary evidence. The U.L.F.A boys are our boys. I am not after the act as these boys are our boys.

অধ্যক্ষ মহোদয়, আমি সময়লৈ বাট চাই আছো। এতিয়া মই নতুন দৈনিকৰ কথাটো কম বুলি ভাবিছো। তাৰ সম্পাদকীয়ত কোৱা হৈছে যে—এই কথাটো এতিয়া প্রকাশ পাইছে যে ১৯৮৭ চনত আলফাই লক্ষী পথাৰত আৰু অন্যান্য অঞ্চলত যি গোপন ঘাটি স্থাপন কৰিছিল, সেই বিষয়ে এ.জি.পি চৰকাৰে ২ বছৰ পর্যান্ত একো জনা নাছিল। এ,জি,পি চৰকাৰৰ চোৰাং চোৱা আৰু পুলিচ বাহিনী এই বিষয়ে অজ্ঞ আছিল, এই কথা আগৰ কেন্দ্রীয় চৰকাৰেও মানি লৈছিল। কিন্তু কেন্দ্রত যেতিয়া ৰাষ্ট্রীয় মর্চ্চা চৰকাৰ গঠন হ'ল তেতিয়া তেওলোকে ৰাজ্য চৰকাৰৰ এই ভাষ্য মনা নাছিল আৰু কেন্দ্রীয় চৰকাৰে নিজা চোৰাংচোৱা আৰু ইনটেলিজেন্সিৰ দ্বাৰা সম্পূর্ণ তথ্য-পাতি সংগ্রহ কৰি ৰাজ্য চৰকাৰক জগৰীয়া কৰে-উগ্র-পন্থীৰ কার্য্য কলাপৰ বিষয়ে জানিও কোনো কার্যকৰী ব্যৱস্থা নোলোৱাৰ

• Speech not Corrected

কাৰণে। তাৰ পিচত ডিব্ৰুগড়ত প্ৰাক্তন মুখ্যমন্ত্ৰীয়ে এই কাকতৰ সংবাদতাৰাৰ প্ৰশ্নৰ উত্তৰত কৈছিল যে ৰাজ্য চৰকাৰৰ আৰক্ষী বাহিনীৰ হাতত যথেষ্ট আধুনিক অস্ত্ৰ-শস্ত্ৰৰ অভাৱৰ কাৰণে, অত্যাধুনিক অস্ত্ৰে শস্ত্ৰেৰে সজ্জিত আলফাৰ লগত সংঘৰ্ষত লিপ্ত হবলৈ সাহস গোটাব পৰা নাছিল। গতিকে দেখা যায় এটা অতি গুৰুত্বপূৰ্ণ ঘটণাৰ বিষয়ে ৰাজ্য চৰকাৰে জানিও কেন্দ্ৰীয় চৰকাৰক ভুল তথ্য দিছিল. যাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক দোষাৰোপ কৰিছিল।

* শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত : অধ্যক্ষ মহোদয়, এইটো তেতিয়া ডিনাই কৰা হৈছিল লগে লগে। আপুনি ডিনাই কৰা কথাখিনি নপঢ়ে।

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়: মই ডিনাই কৰাটো পোৱা নাই। তেখেতে আনি দিলে মই পঢ়ি দিম।

* শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত : সেই সময়ত আমাৰ চৰকাৰে ৰিভিন্ন বিভাগৰ পৰা, প্ৰতি জিলাৰ পৰা একেটা ৰিপোৰ্ট বিচাৰিছিল—আপোনাৰ হাতত আছে যদি পঢ়ি দিলে ভাল পাম কি কি বিচৰা হৈছিল ৰিপোৰ্টত।

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখমন্ত্ৰী) : পঢ়িম। তাৰ পিচত সেই সময়ৰ এ জি পি চৰকাৰৰ বিষয়ে বিভিন্ন কাকতত বিভিন্ন ধৰণৰ মন্তব্য প্ৰকাশ পাইছিল। এখন কাকতত এ,জি,পি চৰকাৰে চাকৰি আৰু ঠিকা ঠুকলি মুকলিকৈ বিক্ৰী কৰে বুলি লেখিছিল। শ্ৰীশৰত সিংহ ডাঙৰীয়াই ৰৰ্তমান চৰকাৰ এখন দোকানহে বুলি উল্লেখ কৰিছিল। শ্ৰী শৰৎ চন্দ্ৰ সিংহৰ কথা আপোনালোকে জানেই, তেখেতে অলপ জোৰ দি কথা কয় তেখেতে কৈছে যে বৰ্ত্তমান চৰকাৰখন এখন

• Speech not Corrected

দোকান। এজন ভদ্রলোকে কোৱা শুনা গ'ল এজন ল'ৰাই মদৰ দোকানৰ অনুজ্ঞা পত্ৰ বিচাৰি গৈছিলে। বৰ্ত্তমান চৰকাৰৰ দিনত অনুজ্ঞা পত্ৰ কিনি ল'ব পাৰি। চৰকাৰ যিখন আছে, সেইখন এখন দোকান বুলি বহুতে অভিযোগ কৰা শুনা যায়। তাত সকলো বিলাক কিনিৰলৈ পোৱা যায়। চাকৰি বাকৰি অনুজ্ঞাপত্ৰ আদি তাত সকলো কিনি লৰ পাৰি। কাৰ দিনত কি ঘটি আছে সকলো ৰাইজ জানে। অধ্যক্ষ মহোদয়, মহন্ত ডাঙৰীয়াই কৈছে যে কেইজন-মান এম. পিয়ে আমাৰ কথা ৰেয়াকৈ লিখিছে। এইবিলাক কথাৰ ওপৰত অধ্যক্ষ মহোদয় মই বেছি কৰলৈ নাযাওঁ। এজিপিৰ শাসন কালতো তেওঁলোকৰে সদস্যাই তেওঁলোকক দোষাৰোপ কৰিছিল। ৰমেন কলিতা সেয়া বহিয়েই আছে। মই বেছি কৰলৈ নাযাওঁ এজিপিৰ শাসন কালত আইন শৃংখলাৰ পৰিস্থিতি বেয়া হোৱাৰ কাৰণে তেওঁলোকৰ গৃহ বিভাগক দোষাৰোপ কৰিছিল। এই সম্পৰ্কত তথ্যপাতি মোৰ হাতত আছে। আকৌ নতুন দৈনিকতেই,, ২৮, জানুৱাৰী ১৯৯১ চন, শীৰ্ষক মুখ্যমন্ত্রীৰ চাঞ্চল্যকৰ বক্তব্য' তাত কৈছে, —'ৰাজ্যখনত দেখা দিয়া আইন শৃংখলাৰ পৰিস্থিতিৰ বাবে আপুনি কাক জগৰীয়া বুলি ভাৱে উত্তৰত কৈছে গৃহ বিভাগ। এই বিলাক তেওঁলোকৰ নিজৰ মানুহেই কৈছে। মই আৰু বেছিকৈ কৰলৈ নাযাওঁ তেওঁলোকৰ মাজত সম্পৰ্ক বেয়া হ'ব। অধ্যক্ষ মহোদয় মই এই-বিলাক সামৰিব খুজিছো লোকৰ চৰ্চ্চা আৰু কিমান কৰিম। আমাৰ গৰেঁ ডাঙৰীয়াই কেইটামান কথা কৈছে প্রাইভেটাইজেচনৰ সম্পৰ্কত, তেখেতসকলে কৈছে যে নামৰূপ পাৱাৰ প্রজেক্টটো আমি বিক্রী কৰিব খুজিছো। কিন্তু আমি বিক্রী কৰা নাই। কেন্দ্রীয় চৰকাৰৰ নীতি অনুসৰি এই ৰুগ্ন প্রতিষ্ঠানটো উন্নতি সাধনৰ কাৰণে প্রাইভেট

পার্টিক অংশীদাৰ কৰি লোৱা হৈছে। প্ৰাইভেটাইজেচনৰ সংক্ৰান্তত প্ৰথমতে, চি.পি.আই, চি.পি এমে আপত্তি কৰিছিল। কিন্তু এতিয়া পশ্চিমবংগতেই আটাইতকৈ বেছি প্ৰাইভেটাইজেচন হৈছে, তাত ইলেক-ট্ৰিকেল এনাৰজিৰ অৱগেনাইজেচন কেইটামান ব্যক্তিগত খণ্ডক দিয়া হৈছে। ৰাষ্ট্ৰা পহুলিওঁ তাত প্ৰাইভেট পার্টিক দিয়া হৈছে। কলিতাৰ 'এক্সপ্ৰেছ হাইওৱে' এটা প্ৰাইভেট পার্টিক মেণ্টেনেনচৰ বাবে দিয়া হৈছে। কলিকতাৰ কেইবাটা অঞ্চলো মেইণ্টেনেনচৰ বাবে প্ৰাইভেট পার্টিক দিয়া হৈছে। আনকি তাত কেইটামান সাংস্কৃতিক অনুষ্ঠানতো ব্যক্তিগত খণ্ডক দিবলৈ বিচৰা হৈছে। আমাৰ নামৰূপ তাপ বিদ্যুত কেন্দ্ৰত বৰ্ত্তমান ১৩৩ মেগাৱাট বিদ্যুত উৎপাদন হয়। আমাৰ দৰকাৰ ৫১২ মেগাৱাট। আজি চাৰি বছৰে যজিও আমাৰ প্ৰজেক্ট বিলাকে পৰা নাই। গতিকে আমি ব্যক্তিগত খণ্ডক জৰিত কৰিবলৈ বাধ্য।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী : অধ্যক্ষ মহোদয়, নামৰূপ তাপ বিদ্যুত কেন্দ্ৰটো ১৯৬৫ চনতে স্থাপন কৰা হৈছিল আৰু তাৰ লাইফ টাইম ১৯৮০ চনতে সম্পূৰ্ণ কৰিছে। গতিকে এতিয়াওঁ ১৫০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰি থাকাতো তেওঁলোকৰ 'এফিচিয়েন্সি বুলিহে' এ, এচ.ই, বিৰ বিষয়াসকলে কৰ খোজে।

মাননীয় অধ্যক্ষ : মিঃ গোস্বামী আপুনি পিচত কৰ।

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই এটাও মিছা কথা কোৱা নাই। মই ইয়ালৈ অহাৰ আগতে সদায় অফিচৰ লগত

---

* Speech not Corrected

কথা আতি আহো। মই আজি চেয়াৰমেনৰ লগত কথা পাতি আহিছো। মই কনফাৰ্ম কৰিহে কৈছো। অধ্যক্ষ দহোদয় মহন্তই চিবিআই কথা যিটো কৈছে, আমি ৯৪ চনতে চি বি আইক দিছো মই পঢ়ি দিছো

This is to thank you for approving of taking over of investigation of the case related to L.O.C. scandle on Animal Husbandry & Veterinary of the Government of Assam. I assure all co-operation and assistance from the State Government for investigation of the case by C.B.I. C.B.I. এ লোৱাৰ কাৰণে ধন্যবাদ হে দিছে।

A section of opposition Perties have been orranging for this transaction Similar to afforsaid L.O.C Seandal of veterinary Deptt. and in other state Govt. Deptts. Since 1982 I request you to Advice C.B.I. to take the investigation in other Deptts. also to find out the irregularities and Corruption in any of the state Govt. Deptts. since 1982 to till 1987, এই চিঠিখন ১৯৪ চনৰ ৫ মেৰ। এই সংক্রান্তত এতিয়ালৈকে ২৫০টা কেচ আদালতত আছে।

মাননীয় অধ্যক্ষ মহোদয়, তেখেতে আমাৰ প্লেনৰ টকা ধাৰ মৰাৰ কথাটো কৈছে। তেখেতসকলে দায়িত্ব লোৱাৰ

সময়ত ৪ হাজাৰ কোটি টকা নাছিল। সেইটো আছিল ২ হাজাৰ ৭০ কোটি ৭৫ লাখ টকা। সেইটো ১৯৮৫ ৮৬ চনৰ বিত্তীয় বছৰত কেন্দ্ৰীয় চৰকাৰক দিবলগীয়া টকাৰ পৰিমাণ আছিল ২ হাজাৰ ৭০ কোটি ৭৫ লাখ টকা। আৰু আমি দায়িত্ব লোৱাৰ সময়ত ১৯৯০-৯১ চনত আছিল ৪৩০৯ কোটি টকা। তেখেত সকলে দায়িত্ব লোৱাৰ সময়ত আছিল ২০৭০ কোটি ৭৫ লাখ টকা। আমি দায়িত্ব লোৱাৰ সময়ত আছিল ৪৩০৯ কোটি ৬ লাখ টকা। আমি ২২০১ কোটি ৪৪ লাখ টকা ধাৰ মাৰিছো। আমাৰ বিত্তীয় বিশৃংখলা থকাহেতেন আমাক কিয় প্লেনৰ পূৰা টকা দিলে হেতেন। আমাৰ বিত্তীয় শৃংখলা থকা বাবেই প্লেনিং কমিছনে আমাক অন্য ৰাজ্যতকৈ অধিক টকা দিছে। আমাক টকা দিয়াৰ কাৰণ হ'ল আমাৰ বিত্তৰ অপব্যৱহাৰ হোৱা নাই। প্লেনৰ টকা কাট কৰা সত্বেও আমি প্লেনৰ কাম কৰি গৈছো। আমাৰ প্ৰথম বছৰত ৯৬১ কোটি ৭২ লাখ টকাৰ পৰিবৰ্ত্তে আমি পালো মাত্ৰ ২০৩ কোটি ১৬ লাখ টকা। কিন্তু আমি খৰচ কৰিলো ৬৪৯ কোটি ১৫ লাখ টকা। দ্বিতীয় বছৰত অৰ্থাৎ ১৯৯৩-৯৪ চনত আমাক প্লেনিং কমিছনে দিলে ১০২৭ কোটি টকা কিন্তু ফাইনেন্স মিনিষ্ট্ৰিয়ে দিলে মাত্ৰ ৩১৩ কোটি ১৪ লাখ টকা। আমি খৰচ কৰিছো ৮৫৬ কোটি ৬ লাখ টকা। কিন্তু এটা কথা অধ্যক্ষ মহোদয় আমাক প্লেনিং কমিছনে, ফাইনেন্স মিনিষ্ট্ৰিয়ে যেতিয়া টকা দিয়ে তেতিয়া কেইটামান চৰ্ত দিয়ে। সেই চৰ্ত বিলাকৰ ভিতৰত আমাক ৰিছোৰ্চ মোবিলাইজেছন কৰিবলৈ দিয়ে। আমি যোৱা বিত্তীয় বছৰত যিটো কৰিছো সেইটো মইনাচ কৰিহে মবিলাইজ কৰিছো। তেওঁলোকে ইমানবিলাক টকা কাটি ৰখা সত্বেওঁ আমি কাম কৰিছো নিজৰ চোৰ্চৰ পৰাহে। প্লেনিং কমিছনৰ টকা ফাইনেন্স মিনিষ্ট্ৰিয়ে ড্ৰাষ্টিকেলি কাট কৰাৰ পিছতো আমি প্লেন মণি খৰছ কৰিছো। দ্বিতীয়তে আমি স্মল

চেভিংচত ধার্য্য কৰিছিলো ১২৩ কোটি টকা। কিন্তু সেইটো ৩০০ কোটি টকাকৈ উঠিল। আৰু এপ্ৰিল মাহলৈ ৬০০ কোটি হব। স্মল চেভিংচ অৰ্থাৎ ডাক ঘৰত কোনে টকা থয়? গাওঁৰ দুখীয়া মানুহে। আমি বেংকত টকা থওঁ। দুই টকা চাৰি টকা থোৱা মানুহেহে ডাকঘৰত টকা জমা থয়। সেই টকা সমুহ গোট খাই ৬০০ কোটি হব। এইটো কি সাফল্যৰ কথা নহয় নে? আকৌ গ্ৰামাঞ্চলৰ উপাৰ্জন বঢ়াৰ এইটো এটা উদাহৰণ। ডাকঘৰত টকা থোৱাৰ পৰিমাণ বাঢ়ি এই বছৰ ৬০০ কোটি হৈছে ১২৩ কোটি টকাৰ পৰিবৰ্তে। এইটোৱে ইণ্ডিকেট কৰে। এইটোৱে ইণ্ডিকেট কৰে ফাইনেন্সিয়েল ডিচিপ্লিন, খুদ্ৰ মেনেজমেণ্ট আৰু গ্ৰামাঞ্চলৰ উপাৰ্জন বঢ়াৰ এটা ইঙ্গিত। অধ্যক্ষ মহোদয় ডাঃ কলিতা আৰু শ্ৰী মালীয়ে হেড লাইন দিছে কেৱল বাকীৰ আৰু ফাকিৰ চৰকাৰ বুলি। ডাঃ কলিতাই কৈছে যে 'যোৱা চাৰি বছৰত মোৰ সমষ্টিত যদি এটাও উন্নয়নমুলক কাম কৰা হৈছে বুলি চৰকাৰে প্ৰমাণ কৰিব পাৰে তেন্তে মই পদত্যাগ কৰিম।' এইটো কোটেছন দি কৈছো। যোৱা চাৰিটা বছৰত তেখেতৰ সমষ্টিত কি কি কাম হৈছে মই কৈ দিছো। তেখেতৰ সমষ্টিত যোৱা তিনিটা বাৰ্ষিক বছৰত গ্ৰাম্য উন্নয়ন বিভাগত ২ কোটি ৬ লাখ ২ হাজাৰ টকা খৰচ কৰা হৈছে। আমি যিটো দিটেইলচ দিম। তেখেতে হয়তো খবৰ লোৱা নাই তেখেতৰ সমষ্টিত কি কাম হৈছে। তেখেতৰ সমষ্টিত ২ কোটি ৬ লাখ ২ হাজাৰ টকা খৰচ কৰা হৈছে। মই লিষ্ট দি দিম (লিষ্টখনৰ কপি এটা মাননীয় সদস্য ডাঃ কলিতাক দিয়ে) আপুনি আজি চাই আহি মোক কালি কব। তেখেতৰ সমষ্টিত ২৬০ টা ৰাস্তাৰ কাম কৰা হৈছে। তাৰোপৰি আৰু কি কি কৰা হৈছে মই গাই দিব

Total number of village roads taken up for construction	:	260
Completed ...	:	260
Total number of fisheries taken up	:	46
Completed ..	:	40
Total number of agricultural bundh/Dongs etc. taken up	.	56
Completed ...	:	56
Total number of School building taken up for construction/extension repaining etc.	:	19
Completed ...	:	80 Percent,
Total number of IAY houses sanctioned ...	:	145
Completed ...	:	122
Total number of G.P. OFFICE building taken up for construction	:	7
Completed ...	.	3

তাৰোপৰি আৰু কি কৰা হৈছে মই গাই দিম

Extension of Thakurpara Jamuguri Road viz Bankkakata Road	. .	Completed
Chaygaon Bihdia Kaladia Road	. .	Completed
Bamunigaon Sanjipur road	: .	Completed
Extension of Kaimari Kacharipara		

to Daloipara road	. . Completed
Link road from passgumi Aggumi	. . Completed
PWD road to Thakurpara Uttar Bankakata road.	
Construction of Kathalmari Longpur road	. . Completed
Gobardhan Jamuguri road (Regd. T. Br. 3/2)	. . Completed
Improvement of Chaygaon Owguri Road – 5th km.	. . Completed
Improvement of Gobardhan Jamuguri road to Aggumi Bassgumi road via Ganesh Mandir	. . Completed
Improvement of chaygnon Kakaali-para road to Kulsi at 7th k.m.	. . Completed
Chaygaon gumi road rapair to No. 5/2	. . Completed
Rapair to Bridge No. 4/1 Lampara Goroimari road	. . Completed
Repair to bridge No. 8/1	. . Completed

* ডা. কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ে বি খিনি ইয়াত দিছে সেইখিনি মই দিয়াৰ লগত একে নহয়। মই

---

* Speech not Corrected

কৈছিলো গড়কাপ্তানী বিভাগে এটা ৰাষ্টাৰ ১ কিঃ মিঃ পকীকৰণ কৰিব পাৰে নেকি ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয় মই 'ক্লেয়াৰি-ফিকেশান' দিব লাগিব, ৰাতৰি কাকত মিচা, আমাক টেপ লাগিব। আৰু এটা ৰাতৰি ওলাইছে, মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য যতীন মালীৰ—এই চৰকাৰৰ কালচাৰৰ বিষয়ে সমালোচনা কৰিছে। ১৯৯০ চনৰ ১৭ আগষ্টৰ কাগজত যোগান বন্ধ হৈছে, এইটো হৈছে, তেখেতসকলৰ দিনতে। ইয়াত একেবোৰ কথাই আছে। ১৯৯০ চনৰ ৫ আগষ্টত কৰ্ম্মচাৰী সকলক দৰমহা দিব নোৱাৰা এটা অভিভূত ঘটনা. ইয়াৰ কৰণে 'চাৰ্কোলাৰ' দিছিলে। আমাক সমালোচনা কৰিছে আমি দৰমহা দিব পৰা নাইবুলি কিন্তু 'চাৰ্কোলাৰ দিয়া নাই। তেখেতসকলে 'চাৰ্কোলাৰৰ জৰিয়তে জনাইছিলে জুলাই মাহৰ দৰমহা দিব নোৱাৰিম বুলি।

* শ্রী যতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যতীন মালীয়ে এই ভাষণ দিয়া নাছিল। জত স্বাস্থ্য কাৰীকৰী বিভাগৰ আলোচনা কৰোতে কাট মুশ্যানত সেই বিষয়ে কৈছিলো। মাননীয় মুখ্যমন্ত্রী মহোদয়ে এটা 'পইণ্ট'ৰ ওপৰত 'ক্লেয়ৰী ফিকেশান' দিয়ক।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ৰাতৰি কাকতত মই কথাটো লিখা নাই। কাগজত যিটো কথা লিখিছে সেই মতে কৈছো। তেখেতৰ সমষ্টিৰ কাম মই দেখুৱাই দিছো। তেখেতে অভিযোগ উঠাইছে বিৰোধী দলৰ সদস্যসকলৰ কাম নহল। তেখেতৰ সমষ্টিত হৈছে।

---

* Speech not Corrected

* শ্রী যতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ক 'ক্লেয়াৰ' কৰি ৫৩খন দলঙৰ ৫০ খন বেয়া হৈ আছে বুলি মাননীয় গড়-কাপ্তানী বিভাগৰ মন্ত্রীয়ে উত্তৰত কৈছিল। মই কৈছো যে ১০ টা ৰাষ্টাৰ ১০ ঠাইত 'ব্লেক টপিং'ৰ কাৰণে টকা দিয়া হৈছে। তাৰে এতিয়া এটা মাত্র কৰা হৈছে। মোৰ কথাখিনিৰ সত্যতাৰ প্রমান পাব। অৱশ্যে দলঙৰ কাৰণে ৰাস্তা হাততে এতিয়া লৈছে।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মই এইটো কৈছো যে সদনত এটা 'ইম্প্রেশ্যান' দিব খুজিছে, আমি বিৰোধী দলৰ সদস্য সকলৰ কাম কৰা নাই। ডা: কলিতাৰ সমষ্টিৰ কাৰণে মই ভাবো তালৈকে পাইছে, ৰাষ্টা কম হোৱা বুলি কৈছে, হোৱা নাই। Extension of Khaka Para to jamuguri Road link road from P.W.D to Tha Kirpar Improvement of Chaygaon road—all Complete. মই তেখেত সকলৰ সমষ্টি চাম- প্রত্যেকজন বিধায়কৰ সমষ্টিৰ ৰাষ্টা বিলাক চাম যি বিলাক বেয়া হৈ আছে। যি বিলাক দলং বেয়া হৈ আছে জুন মাহৰ ভিতৰতে 'ৰিপিয়াৰ কৰিবৰ কাৰণে টকা দিয়া হৈছে। মই আশা ৰাখিছো 'কমপ্লিত' কৰিব পাৰিব।

* শ্রী যতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, মোক এটা 'পইণ্ট'ৰ ওপৰত মাননীয় মুখ্যমন্ত্রী মহোদয়ে কব নেকি যে ১৯৯১-৯২, ৯২-৯৩, ৯৩-৯৪ আৰু ৯৪-৯৫ এই ৰাৰ্ষিক বছৰ কেইটাত ১০ টা ব্লেক টপিং' হব লগা ৰাষ্টাৰ এটা হল, বাকী কেইটা কিয় নহল।

---

* Speech not Corrected

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, সেই সময়ত টকাৰ অভাব আছিল। কৰবাত হয়তো 'ডাইনার্ট' কৰিব পাৰে। মই সেইটো চাই দিম। মই এইটো কৰখুজিছো এইটো সচা কথা নহয় যে বিধান সভাৰ বিৰোধী পক্ষত থাকিলে কাম নহয় আৰু সেইটোকে একো হোৱা নাই বুলি কাগজৰ 'হেড লাইনত' ওলাইছে। মই প্ৰত্যেক ডিপার্টমেণ্টতে এইটো আনিম।

* শ্রীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, এই ব্লেক টপিঙৰ টকাটো প্লেনৰ টকা আছিল নে নাই 'কনফার্ম' কৰি দিব লাগে।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মই সেইটো পিচত জনাম। মই ইতিমধ্যে গোটেই বিলাক বিভাগক 'ৰিপৰ্ট' দাখিল কৰিবলৈ কৈছো। উন্নয়নমুলক কামৰ কব খুজিছো, যথেষ্ট কাম কৰা হৈছে। এই বাৰ্ষিক বছৰটোত 'ৰোৱাল ডেভেলপমেণ্ট ডিপাৰ্টত' দিয়া হৈছে - ধুবুৰী জিলাত দিছো ৬ কোটি ৩৯ লাখ, কোকৰাঝাৰ জিলাত ১১ কোটি ৩০ লাখ, বঙাইগাওঁ জিলাত ৬ কোটি ৬০ লাখ, গোৱালপাৰা জিলাত ৬ কোটি ৩০ লাখ, কামৰূপ জিলাত ১০ কোটি ১৭ লাখ, নলবাৰীত ১১ কোটি ৮১ লাখ যত ৫ টা বিধানসভা সমষ্টি বিৰোধী পক্ষৰ। নলবাৰীত ৬ টা সমষ্টি ১ টা মাত্র আমাৰ ৫ টা বিৰোধী পক্ষৰ তাত দিয়া হৈছে ১১ কোটি ৮১ লাখ, বৰপেটাত ৫ কোটি ৮২ লাখ, দৰঙত ৮ কোটি ৮১ লাখ, শোণিতপুৰত ৬ কোটি ৩৬ লাখ লক্ষীমপুৰত ১৩ কোটি ৯৪ লাখ, ধেমাজিত ৮ কোটি ৭৩ লাখ - এটা সমষ্টিতে দিয়া হৈছে ৮ কোটি ৭৩ লাখ, তিনচুকীয়াত ৪ কোটি ৫ লাখ, ডিব্রুগড়ত ৮ কোটি

* Speech not Corrected

৮৪ লাখ, শিৱসাগনত ৫ কোটি ২৪ লাখ, যোৱহাটত ৫ কোটি ২৬ লাখ, গোলাঘাটত ৪ কোটি ৪২ লাখ, নগাওঁত ৭ কোটি ৪২ লাখ মৰিগাৱত ৪ কোটি ২০ লাখ, কার্বিআংলঙত ১৪ কোটি, নর্থ কাচাৰ ৪ কোটি ৬ লাখ, কাচাৰত ৬ কোটি ২৯ লাখ, হাইলাকান্দিত ৩ কোটি ৭ লাখ, আৰু কৰিমগঞ্জত ৪ কোটি ৩৯ লাখ, । সৰ্ব্বমুঠ ১৬৮ কোটি দিয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয় এই বিধানসভা চলি থকা সময়তে মই লিষ্ট দিম প্ৰত্যেকটো সমষ্টিতে কিমান কাম হৈছে। মই 'ডিটেইলচ' জনাই আছো লিষ্ট প্ৰিণ্ট কৰি তেতিয়া তেখেত-সকলে চাব কাম হৈছে নে নাই। মাননীয় অধ্যক্ষ মহোদয় কালি মাননীয় সদস্য শ্ৰী হিতেশ ডেকাই কথা এটা উলিয়াইছিল আমি এতিয়া যোৱাবাৰ দিয়াৰ দৰে ৫ লাখৰ ঠাইত এইবাৰ ১০ লাখ কৰা হব। মোৰ এটা নিবেদন এই টকাখিনি যাতে ভালদৰে খৰচ কৰাৰ কাৰণে চাব। মই মাননীয় সদস্য শ্ৰী দিলীপ শইকীয়াক নিবেদন কৰিব খুজিছো ধেমাজিৰ টকাখিনি যাব যাতে ,মিচইউজ' নহয়।

* শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, এম, এল, এ, মহলক অফিচাৰ সকলে বিশ্বাসত লোৱা বিষয়টো চাব লাগে।

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, ই এচ, এচ, ৰ ভিত্তিটো আমি আৰু টকা পাইছো আৰু এই টকাৰ পৰা এক কোটিকৈ প্ৰত্যেকটা বিধান সভা সমষ্টিতে দিয়াৰ ব্যৱস্থা কৰিছো। এই ক্ষেত্ৰত স্থানীয় বিধায়ক সকলৰ পৰামৰ্শ লোৱাৰ কাৰণে মই জিলাৰ উপাযুক্ত সকলক কব।

---

* Speech not Corrected

* শ্রী দিলীপ শইকীয়া : অধ্যক্ষ মহোদয়, মুখ্য মন্ত্রী ডাঙৰীয়াই বানপানী অধ্যুষিত অঞ্চল বোৰত গুৰুত্ব দিলে ভাল হয়।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : অধ্যক্ষ ডাঙৰীয়া, বিৰোধী সদস্য সকলে এটা কথা কৈছে যে ১৯৯১ চনৰ পৰা অসমত কোনো ৰাস্তা ঘাট মেৰামতি কৰা হোৱা নাই। এই ক্ষেত্রত কাম হৈছে নে নাই তাৰ প্রমান মই দিব খুজিছো। আমি দায়িত্ব লোৱা সময়ত অসমৰ ১০,৬০০ কিলোমিটাৰ গ্রেভেল ৰোড ভাগি আছিল। ২,৪০০ কিলোমিটাৰ স্কেল টপিং ৰাস্তা ভাগি আছিল। ৪১২১ খন দলং ভাগি আছিল। আজি আমাক বিভাগে কৈছে যে এইবোৰ ১৯৮৮ চনৰ পৰাই বেয়া হৈ আছিল। কিন্তু তাৰ ভিতৰত আমি দায়িত্ব লোৱাৰ পিচত ৫৪০০ কিলোমিটাৰ গ্রেভেল ৰোড ৰিপেয়াৰ কৰা হৈছে আৰু ১১০০ কিলোমিটাৰ ৰ্লেল টপিং কৰা হৈছে। এই ক্ষেত্রত আমি বিভাগৰ পৰা দাতা কালেক্ট কৰি জানিব পাৰিছো যে ৫,২০০ কিলো মিটাৰ গ্রেভেল ৰোড, ১৩০০ কিলোমিটাৰ ৰ্লেল টপিং ৰোড, ৩,১০০ খন দলং মেৰামতি কৰিবলৈ লোৱা হৈছে আৰু সেই ক্ষেত্রত বিভিন্ন জিলাৰ পৰা এনে ধৰণে টকাৰ ডিমাণ্ড আহিছে। তাৰ ভিতৰত শিৱসাৰৰ পৰা ৪ কোটি ২৫ লাখ টকাৰ ডিমাণ্ড আহিছে আৰু তাৰ ভিতৰত ১ কোটি ৪১ লাখ টকা ইতিমধ্যে উপাযুক্তলৈ পঠোৱা হৈছে। ইয়াৰ বাহিৰেও ধেমাজীত দিয়া হব ৩ কোটি, লক্ষীমপুৰ ৩ কোটি শোণিতপুৰ ৩ কোটি, ১৩ লাখ দৰং ২ কোটি. ৬০ লাখ নগাওঁ ৫ কোটি ৭০ লাখ. মৰিগাওঁ ৩ কোটি ধুবুৰী ১ কোটি, ৯০ লাখ

* Speech not Cerrected

গোৱালপাৰা ৩৮ কোটি, নলবাৰী ৩ কোটি, বৰপেটা ৩ কোটি, যোৰহাট ৪ কোটি ৬০ লাখ, শিৱসাগৰ ৪ কোটি ২৫ লাখ, ডিব্ৰুগড় ৪ কোটি, গোলাঘাট ২'৫০ কোটি তিনিচুকীয়া ৩ কোটি, কাছাৰ ৩ কোটি, হাইলাকান্দি ৩ কোটি, কামৰূপ ৫ কোটি ৫০ লাখ কোকোৰাঝাৰ ২ কোটি, গোৱালপাৰা ২ কোটি, আদি। এই টকাৰ ভিতৰত এক তৃতীয়াংশ টকা ইতিমধ্যে পঠোৱা হৈছে আৰু বাকী টকাখিনি জুন মাহৰ ভিতৰত পঠোৱা হব। এইখিনিতে মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো সেইটো হৈছে বৰ্ডাৰ ৰ'ড সম্পৰ্কে। এই ক্ষেত্ৰত ধুবুৰী জিলাত কাম প্ৰায় সম্পূৰ্ণ হৈছে। কৰিমগঞ্জৰ কাম বাকী আছে। অহা বাৰ্ষিক বছৰত এই কামৰিনি সম্পূৰ্ণ কৰাৰ আশা ৰাখিছো। তাৰ বাহিৰেও নদী সমূহত গাৰ্দ দিয়াৰ কাৰণে নাও অনাৰ ব্যৱস্থা কৰা হৈছে।

অধ্যক্ষ ডাঙৰীয়া, মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো কিন্তু কথাটো আমাৰ কাৰণে দুভাগ্যজনক। সেইটো আমি আলোচনা কৰিব নালাগে। এই বিষয়টো মই আলোচনা কৰিব খোজা নাই কিন্তু এই ক্ষেত্ৰত দুটা মান কথা নকলে অন্যায় কৰা হব। এ, পি, এচ, চি, স্পীকাৰ এষ্টাব্লিচমেণ্ট, গভৰ্ণৰ এষ্টাব্লিচমেণ্ট আদিৰ বিষয়ে আমি আলোচনা কৰা উচিত নহয়। এই বিষয়ে মাননীয় সদস্য শ্ৰী গগৈ ডাঙৰীয়াও সদনত আলোচনা কৰাতো ঠিক নহয় বুলি কৈছে। কিন্তু দুই এজন মাননীয় সদস্যই এ, পি, এচ, চি, য়ে লক্ষন ৰেখা অতিক্ৰম কৰি যোৱা বুলি কৈছে। এই বিষয়ত মহন্ত ডাঙৰীয়াও উল্লেখ কৰিছে। এ. পি, এচ চি, ৰ সংক্ৰান্তত কেইখনমান বাতৰি কাকতে সাংঘাটিক অপ-প্ৰচাৰ চলাইছে। এই বাতৰিৰ পৰিপ্ৰেক্ষিতত মই মাত্ৰ সেই কেইজন প্ৰাৰ্থীৰহে কথা কব খুজিছো যি কেইজনৰ নাম বাতৰি কাগজত ওলাইছে। তেওঁলোকে চিলেকচন পোৱাৰ কাৰণে নানা

অভিযোগ উঠিছে। তেওঁলোকে কিমান নম্বৰ পাইছে আৰু সেই কেইজন নো কোন সেই বিষয়ে মই কব খুজিছো। নাম গুলোৱা ব্যক্তি কেইগৰাকী হ'ল — শ্রীঅতনু শর্ম্মা। এও মাননীয় মন্ত্রী শ্রী মুকুট শর্ম্মাৰ লৰা। এওঁ এ, চি, এচ, (১) পাইছে। শুভলক্ষী ডেকা, এও নৰেন ডেকাৰ ছোৱালী আৰু এ, চি, এচ, (১) পাইছে। মুকুট ফুকন আৰু হৰিচৰণ ভক্ত দুয়ো এ. চি, এচ (১) পাইছে। ৰাজেন সিং এ, পি, এচ কেটেগিৰি (২) পাইছে। শান্তনু শর্ম্মা পাঠক, এ, পি. এচ, (২) পাইছে। কুমাৰ সঞ্জীৰ কৃষ্ণ, এ, পি, এচ (২) পাইছে। দিগন্ত বিশ্ব শর্ম্মা, এ, চি, এচ, (১) পাইছে। দেৱজিৎ কলিতা, এ. চি, এচ, (৩) পাইছে। ব্রজেন বৰুৱা, কলিতা বর্মন আৰু ৰাজীৱ ইছলামে এ, চি, এচ (৩) পাইছে।

অধ্যক্ষ ডাঙৰীয়া, এতিয়া তেওঁলোকৰ কেৰিয়াৰ বোৰচাওক। প্রথম জন অতুল শর্ম্মা, বি. কম (অনার্চ) শুভলক্ষী ডেকা বি, এ, (অনার্চ) ৫৪ পাৰচেণ্ট নম্বৰ পাইছে। মুকুট ফুকন ফার্ষ্ট ক্লাচ, ৭৪ পাৰচেণ্ট। হৰিচৰণ ভক্ত এইচ. এচ, এল, চি- ৭০ পাৰচেণ্ট হায়াৰ চেকেণ্ডাৰী ৫৯ পাৰচেণ্ট বি, এচ, চি ৬৮ পাৰচেণ্ট, এম. এচ, চি, ৬০ পাৰচেণ্ট। ৰাজেন সিং এইচ, এচ, এল, চি ফার্ষ্ট ডিভিচন বি, এ, ফার্ষ্ট ক্লাচ, শান্তনু শর্মা পাঠক - এইচ, এচ, এল, চি- ফার্ষ্ট ডিভিজন, হায়াৰ চেকেণ্ডাৰী- ফার্ষ্ট ডিভিজন, বি, এ, - চেকেণ্ড ক্লাচ (অনার্চ)। কুমাৰ সঞ্জীৰ কৃষ্ণ এইচ, এচ, এল. চি ৫০ পাৰচেণ্ট হায়াৰ চেকেণ্ডাৰী ৫৪ পাৰচেণ্ট. এম, এ. ৫৬ পাৰচেণ্ট, এণ্ড এচ, চি। দিগন্ত বিশ্ব শর্ম্মা- এইচ, এচ, এল, চি ফার্ষ্ট ডিভিচন. হায়াৰ চেকেণ্ডাৰী - ফার্ষ্ট ডিভিচন. বি, কম- ফার্ষ্ট ক্লাচ এম, কম- ফার্ষ্ট ক্লাচ। দেৱজীৎ কলিতা এইচ, এচ, এল, চি- চেকেণ্ড ডিভিজন, হায়াৰ চেকেণ্ডাৰী চেকেণ্ড ডিভিজন বি, এচ, ছি- পাচ কর্চ। ব্রজেন বৰুৱা এইচ,

এচ এল, চি- ৫৯ পাৰচেণ্ট হায়াৰ চেকেণ্ডাৰী ৫৪ পাৰচেণ্ট, বি, এ, ৫০ পাৰচেণ্ট, এম, এ- ৫৯ পাৰচেণ্ট। ৰবিতা বৰ্মন - এইচ, এচ. এল, চি ফাষ্ট ডিভিজন. হায়াৰ চেকেণ্ডাৰী - চেকেণ্ড ডিভিজন, বি, এ ৫৭ পাৰচেণ্ট (অনার্চ) এম. এ, ৪০ পাৰচেণ্ট। ৰাজীৰ ইছলাম এইচ এচ, এল, চি - চেকেণ্ড ডিভিজন, হায়াৰ ছেকেণ্ডাৰী-থাৰ্ড ডিভিজন, বি, এ, চিম্পোল পাচ ৫০ পাৰচেণ্ট। এতিয়া ইয়াৰ ভিতৰত যোগ্যতা কাম নাই? অতনু শর্মা মন্ত্রীৰ লৰা হ'ল বুলি-য়েই চিলেকচন নাপাব নেকি?

অধ্যক্ষ ডাঙৰীয়া, শ্রী অটনু শর্ম্মা চেকেণ্ড ক্লাচ (অনার্চ), মন্ত্রীৰ লৰা হোৱাৰ কাৰণে নাপাব নেকি? শ্রী শুভলক্ষী ডেকা চেকেণ্ড ক্লাচ শত্তকৰা ৫০ ভাগ এডিটৰৰ লৰা নাপাব নেকি? শ্রী মুকুট শর্ম্মা, শ্রী মুকুট ফুকন বি, এচ, চি, ফাষ্ট ক্লাচ, চেভেনটি ফোৰ পাৰচেণ্ট, ও, বি, চি, কেনডিটেট হিছাবে পাইছে, তেওঁ নাপাব নেকি? শ্রী হবিচৰণ ভক্ত চেভেনটি পাৰচেণ্ট, ফিফটি নাইন পাৰচেণ্ট চিক্সটি এইট পাৰচেণ্ট আৰু চিক্সটি থ্রি পাৰচেণ্ট। তেওঁ নাপাব নেকি? শ্রী ৰাজেন সিং এইচ, এল. এল, চি, ফাষ্ট ডিভিজন, এইচ, এচ, এচ. এল, চি, ফাষ্ট ডিভিজন, বি, এ, ফাষ্ট ডিভিজন তেওঁ নাপাব নেকি? শ্রী শান্তনু শর্ম্মা পাঠক ফাষ্ট ক্লাচ ডিভিজন ফাষ্ট ডিভিজন, চেকেণ্ড ক্লাচ অনার্চ তেওঁ নাপাব নেকি? কুমাৰ সঞ্জীব কৃষ্ণ ফিফটি ফোৰ পাৰচেণ্ট ফোৰটি ফোৰ পাৰচেণ্ট, ফিফটি চিক্স পাৰচেণ্ট, এচ, চি, তেওঁ নাপাব নেকি? শ্রী দিগন্ত বিশ্ব শর্ম্মা এইচ, এচ, এল, চি, ফাষ্ট, এইচ, এচ, এল, চি, ফাষ্ট, বি, কম, ফাষ্ট ক্লাচ এম, কম, ফাষ্ট ক্লাচ, তেওঁ পোৱাত কি জগৰ লাগিব? তেওঁৰ অফেন্স হল যে তেওঁ শ্রী হেমন্ত বিশ্ব শর্ম্মাৰ

ভায়েক। এইটো একো অফেন্স নহয়। তেওঁ গোল্ড মেডেলিষ্ট লৰা, তেওঁক কিয় দোষ দিব লাগে, শ্ৰী হেমন্ত বিশ্ব শৰ্ম্মাৰ ভায়েক হোৱাটো। অপৰাধ নেকি? এইটো কি ক্ৰাইম? ফাষ্ট ক্লাচ পোৱা লৰাই নেপাই কোনে পাব, এইটো কাগজত লিখিব লাগে নে? মই আপোনালোকক কোৱা নাই. মই কৈছো যে সংযত ভাবে মাননীয় সদস্য সকলে সংযত ভাবে কৈছে। মহম্ভ ডাঙৰীয়াই কৈছে আমি আলোচনা নকৰো, কাগজ বিলাকত লিখিছে। জন মানসত কি লাগিব, ফাষ্ট ক্লাচ পোৱা লৰাই যোগ্যতাত পাইছে. কিন্তু কাগজত ওলাইছে যে তেওঁ হিমন্ত বিশ্ব শৰ্ম্মাৰ ভায়েক কাৰণে পাইছে। এই লৰাজনৰ মনত কি আহিব। শ্ৰী মুকুট ফুকনে ফাষ্ট ক্লাচ চেভেনটি ফোৰ পাৰচেণ্ট পাইছে, সেইজনে নাপাই কি 'ধতুৰা' এজনে পাব নকি? কাগজৰ মতে ধতুৰা জনে পাব লাগিছিল, তেওঁ পোৱাত অপৰাধ হল নেকি? সেই কাৰণে মই কব খুজিছো যে মন্ত্ৰীৰ পুতেক হোৱা বাবে অপৰাধ হল নেকি? মই জানো মই দুটা জাগাত খবৰ ৰাখিছো চিম্পুল পাচ কৰা বহুতো লৰাই পাইছে। সেই বিলাক কাগজত নিলিখে, মন্ত্ৰীৰ পুতেক হলে লিখিব। হিমন্ত বিশ্ব শৰ্ম্মাৰ হলে লিখিব সেইটো নহয়।

অধ্যক্ষ ডাঙৰীয়া, মেডিকেলত কি হৈছে আমি বিৰোধিতা কৰিছিলো। শতকৰা ৮০ ভাগ নম্বৰ পোৱা লৰাই পোৱা নাই. আনহাতে শতকৰা ৫১ ভাগ পোৱা লৰাইও পাইছে। পৰীক্ষাৰ কাৰণে, প্ৰতিয়া মেডিকেলক দোষ দিছে। পইচা খাইছে বুলি। শতকৰা ৮১ ভাগ নম্বৰ পাই ছিট পোৱা নাই। শতকৰা ৭০ ভাগ লৰাই মোৰ ওচৰত কান্দিছে। মন্ত্ৰী পুতেক হলে লিখিব ফাষ্ট ক্লাচ পোৱা স্বত্তেও এইটো হব পাৰে নেকি? প্ৰতেকচন দিয়া কিয় নাই? মেডিকেলৰ কথা কলে দুখ লাগে। শতকৰা ৮২ ভাগ পোৱাইও পোৱা নাই

আনহাতে শতকৰা ৫১ ভাগ পোৱাইও পাইছে। এইটো মেডিকেল টেষ্ট পতাৰ কাৰণে হৈছে। মই মেডিকেল অথ'ৰিটিক কোৱা নাই। মেৰিট আছে, এচ. টি. আছে, এচ. টি. আছে। এচ, টি/এচ. টি, য়ে কম নম্বৰত পায়। এচ. টি/ এচ, টি, হোৱাটো অপৰাধ নেকি ? সেইটো হব নোৱাৰে। এনট্রেন্স উঠাৰ লাগে বুলি আমিও কওঁ। তেওঁলোকে নামানে, মোৰ সৈতে কাহিয়া হৈছে। এইটোৰ কাৰণে।

অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় সদস্য শ্রী হলি ৰাম টেৰাং ডাঙৰীয়াই এটা গুৰুত্বৰ অভিযোগ আনিছে মন্ত্রীৰ বিৰুদ্ধে। যোৱা কালিৰ ঘটনাৰ খবৰ ৰাখিছো আৰু যি কেইজন ডিমাছা উগ্রপন্থীয়ে চাৰাণ্ডাৰ কৰিছিল তেওঁলোকে প্রত্যেকে কৈছে আমাৰ কোনো সম্পর্ক নাই। আপোনালোকে বিশ্বাস ৰাখক তেওঁলোকৰ চাৰাণ্ডাৰৰ কথা মই লাংথাছাক কোৱা নাছিলো। তেওঁলোকৰ চাৰাণ্ডাৰৰ ৰুচেছ মই পোনপোতীয়াকৈ ডিল কৰিছিলো। যিদিনা চাৰাণ্ডাৰ কৰিছিল তেওঁ-লোকক মই নিজে লৈ গৈছিলো, তাক লাংথাচাই চাপোৰ্ট কৰা নাছিল। লাংথাচাই কৈছিল এই বিলাকক গুলিয়াই মাৰিব লাগে। মই তেওঁ-লোকক কোৱা নাছিলো, মই কৈছিলো, গুলিয়াই মাৰিব লাগে কিয়, সেইটো নহয়, দেশ এনেকৈ নচলে। আমি তালে ফালে চলিব লাগিব। এই লৰা বিলাকক মেইন ষ্ট্রিমলৈ আনিব লাগিব। আমি তেনেকৈ আনিলো অথচ লাংথাচাক লগাইছে তেওঁক উঠাইছে বুলি। আচৰিত কথা, এইটো সত্য নহয়। আমাৰ মাননীয় সদস্য শ্রী জয়নাল আবেদিন ডাঙৰীয়াই যি কথা কৈছে আমি কেতিয়াও সেইটো বিচৰা নাই। প্রকৃত নাগৰিকে ভোট পাব নালাগে আমি সেইটো বিচৰা নাই। আমি তাৰ কাৰণে লাগি আছো, কোৰ্টলৈ গৈছো, আমি এফিডেফিটো দিছো। মই উত্তৰত প্রায়খিনি কথা কৈছোৱেই কাৰোবাৰ প্রশ্ন থাকিলে কৰিব পাৰে, মই উত্তৰ দিম।

* শ্রী দিলীপ শইকীয়া : অধ্যক্ষ মহোদয়, আলফা আৰু ডিমাছা ভলণ্টিয়াৰ যি সকলে চাৰাণ্ডাৰ কৰিছে আৰু যিবিলাকহে হিনিযাচ ক্রাইম আছে সেইবিলাক উইদ্ৰ কৰাৰ কাৰণে ব্যৱস্থা লৈছে নে নাই, কি ব্যৱস্থা কৰা হৈছে ? কিমানক চৰকাৰে বিবেচনা কৰিছে বা কিমানক উইদ্ৰ কৰা হ'ল ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : অধ্যক্ষ ডাঙৰীয়া, সেইটো সিদ্ধান্ত আছে, যিবিলাকে চাৰাণ্ডাৰ কৰিছে সেইবিলাকৰ ক্রাইম উইদ্ৰ কৰা হব।

Mr. Speaker : To dispose of the item No. 13 some more time will be required. Is it the pleasure of the house to extend the time ? (Approved by voice vote.) Yes.

* শ্রী শশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই আইন শৃঙ্খলাৰ প্রশ্নৰ ওপৰত তেখেতে ষ্টেটিচিষ্টিক এটা দিছে। মই কালি কৈছো যে আমি অসমৰ মানুহে অসমক লৈ কনচান, কিন্তু তেখেতে ৰিজনি আনিব বিচাৰিছে এই ক্ষেত্রত। মই এটা কথা কব বিচাৰিছো ১৯৫৭ চনত ওৱেষ্ট বেংঙ্গলৰ ক্রাইম ৰেকর্ড কি আছিল আৰু অসমৰ কি আছিল। ১৯৬২ চনত ৱেষ্টবেংঙ্গলত কি আৰু অনমত কি আছিল ? ১৯৯৫ চনত ওয়েষ্ট বেংগলত ১৯৭২ চনৰ লগত ৰিজনি কবি কওক। তাত কমপাৰেটিভলি মই এইটো কোৱা নাই যে হত্যাকাণ্ড, ধর্ষণ গোটেই ভাৰতবর্ষতে হোৱা নাই। কিন্তু কমপাৰেটিভ ষ্টেটমেণ্ট দিলে ভাল হয়। ওৱেষ্ট বেংগলৰ অসমৰ লগত নিমিলে আমি শান্তিপ্রিয় মানুহ আছিলো, আমাৰ ইয়াত

* Speech not Corrected

হত্যাকাণ্ড হোৱা নাছিল সেই কাৰণে কৈছো ১৯৫২ চনৰ পৰা ওৱেষ্ট বেংগলত ট্রাম জ্বলাইছে, তাত সেইটো এটা কালচাৰ। ১৯৫২ চনত অসমত সেইটো নাছিল। মই সেইটো বিজনিহে দিবলৈ কৈছিলো, এইটো মই কোৱা নাছিলো। দ্বিতীয় কথা হল নিউ ইণ্ডাষ্ট্রিয়েল পল'চিৰ ক্ষেত্রত কৈছে মই মানিছো। তাত প্রাইভেট ইনভেষ্টমেন হৈছে। কিন্তু অসমত যেনেকৈ অশোক পেপাৰ মিল দিয়া হৈছে, কাৰি লাংপি প্রজেক্ট দিয়া হল বি চৰ্ত দিয়া হল ঠিক তেনে ধৰণে দিয়া নাই। ফৰেইন ইনভেষ্টমেন বহুত বেছি ৮ হেজাৰ ইনভেষ্ট হৈছে, অসমত কিমান পাৰচেণ্ট হৈছে এন, ই, বিজনত কিমান, সমগ্র ভাৰতবৰ্ষত নিউ ইকোনমি পল'চি ভিতৰত উত্তৰ অঞ্চলত মাত্র ইনভেষ্টমেন শতকৰা তিনি ভাগ। এই বিষয়-টোৰ ওপৰত কওক, আমি প্রাইভেট ইনভেষ্টমেন বন্ধ কৰা নাই, কিন্তু যিবিলাক পাবলিক চেক্টৰ সেইবিলাকত সস্তা দৰত পানীৰ দৰত দিয়া নাই। মই পাৰাৰৰ কথা কৈছো, মুখ্যমন্ত্রী মহোদয়ে স্বীকাৰ কৰিছে, যি টাৰবাইন চলি আছে ১৯৮০ চনতে তাৰ লাইফ এক্স-পায়াৰ হৈ গৈছে। গভিকে তাৰ ইঞ্জিনিয়াৰ আৰু টেকনিচিয়ান সকলক ধন্যবাদ দিব লাগে।

* শ্রী হিতেশ্বৰ শইকীয়া : (মুখ্যমন্ত্রী) : অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য-গৰাকীৰ কথাত মই কব খোজো যে এ, এচ, ই, বি সম্পর্কে আমাৰ বহুদিনিয়া অভিজ্ঞতা আছে। শ্রী মহন্ত ডাঙৰীয়া মুখ্যমন্ত্রী হৈ থাকোতেও আজি কি ধৰণে লোড ছেডিং হয়, কি ধৰণৰ মিটাৰৰ খেলিমেলি আছে। অসমৰ বাইজে বিচাৰে স্কুলৰ লৰাছোৱালীয়ে গধুলি পঢ়িবলৈ লাইট লাগে। নিউজ শুনিবলৈ, কাগজ পঢ়িবলৈ লাইট লাগে। সেইটো দিব লাগে, মই কৈছিলো যে পাচশ মেগাৱট

* Speech not Cerrected

আমাৰ নিজৰ আছে, চৰকাৰে টকা দি আছে, টকা দিব পাৰে। মই এটা উদাহৰণ দিওঁ, চাৰি মাহ আগতে মই দিল্লীলৈ গৈছিলো, তাতে চালতে ডাঙৰীয়াৰ লগত কথা পাতি মই অনুৰোধ কৰি একশ মেগাৱাট এক্সট্রা আনিছো। মোৰ উদ্দেশ্য হৈছে গুৱাহাটীত এক চেকেণ্ডো লোড ছেডিং হব নেলাগে। সেই কাৰণে একশ মেগাৱাট ডাইৰেক্টলি ভাৰত চৰকাৰৰ পৰা লোৱাৰ বন্দবস্ত হল। কিন্তু চাৰি মাহ হৈ গল নানিলে, চেয়াম্যানক বদলি কৰিছো। তিনি তাৰিখৰ পিচত লোড চেডিং গুৱাহাটীত হোৱা নাই। এইটো এটা উদাহৰণ দিছো, দ্ৰাষ্টিক একচন হব লাগে। সেইখিনি মানুহৰ কিয় ব্যৱস্থা লোৱা নহব। ১৩৩ মেগাৱাটৰ পৰা ১৫০ মেগাৱাটলৈ বহি আছে লাকোৱাৰ কথা আমি জানো। মেচিন বেয়া বুলি কৈছে, ৭৫ টকাও নহয়, কম, বদলি কৰি চলোৱা নাই। চাৰি বছৰ পেলাই থৈছে। এইটো হব পাৰে নেকি, তেনেকৈ দেশ চলিব নেকি ? অসমৰ মানুহ বিলাকে যিটো কৰিছে তেনেকুৱা কথা চাম লাগিব। কৰ্ম্মচাৰী সকলে নামানিলে দিব নোৱাৰি, যেতিয়ালৈকে নামৰূপ থাৰ্মেল প্ৰজেক্টৰ কৰ্ম্মচাৰীৰ পৰা উলিয়াই দিম তেওঁলোকে দৰমহা সদায় পাব। এইটো হব নোৱাৰে। যেতিয়ালৈকে থাৰ্ড গ্ৰেড, ফোৰ্থ গ্ৰেডে নামানে তেতিয়ালৈ কৰিব নোৱাৰি। ৪৭ টা কৰপৰেশ্বন আছে, ছুটাক দিছে। আমি কওঁ কেতিয়াবা আমি দিবলৈ পঠাইছো। দিয়ো নাই ৰৰক বিলায়েঞ্চক কৈছো, সন্ধিকৈ ডাঙৰীয়াহ ভুল কৰিব নেলাগে।

1. Power Supply in Calcutta City has been given to Calcutta Electric Supply Company owned by R.P. Goenka completely.

2. Bakreswar Thermal Power Station of West Bangal State Electricity Board has been given to Develop-

ment Consultant Private Ltd. of Sadhan Dutta.

3. West Bengal Electronics Development Corporations main activities have been given to German Multi National SIEMENS and Associated Cement Company of TATA

4. One Malayasian Multi National Company will construct one Express Highway from Calcutta to Siliguri.

Negotiations are continuing with Foreign as well as Indian Big Companies for construction of Heritage Park at Calcutta Sattelite Town near Calcutta, Bridge Over Hooghly and other rivers.

5. The cultural complex of Rowden square (Calcutta) will be handed over to private party for running Haldia Petro— Chemical Complex will be set up Private Parties both NRI and American.

6. Great Eastern Hoten owned by West Bengal Govt. will be handed over to a French Hotel Company.

7. West Bengal Govt, with CPI (M) M.P. Somnath Chatterjee as the Chairman of West Bengal Industrial Dev. Corporation is negotiating not only with India Industrialists but also with Foreign Parties for setting up Industries, and also infrastructural Development in State.

8. Large Scale privatisation has been introduced in Janataruled States like Orrissa and Bihar.

* শ্রী প্রফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় মুখ্য মন্ত্রী ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা ডিবেটৰ যি উত্তৰ দিছে তাত কেইবাটাও দিশ তেখেতে এৰাই চলিছে। প্ৰথম কথা হল আই, এচ. আই একটিভিটিজ সম্পৰ্কত আৰু এইটো আমি স্পষ্ট ভাৱে শুনিছিলো অসম চৰকাৰে কি ব্যৱস্থা হাতত লৈছে। বিভিন্ন বাতৰি কাকতত ওলাইছে, পুলিছে ষ্টেটমেণ্ট দিছে ৰাজনৈতিক নেতা জৰিত সম্পৰ্কে দিমাচা উগ্রপন্থী সম্প্রৰ্কত। এই কথা আপুনি স্পষ্ট ভাবে কোৱা হোৱা নাই। আৰু দ্বিতীয়তে হৈছে এ জি. পি গভৰ্ণমেণ্টৰ সময়ৰ ছটামান কথা উল্লেখ কৰিছে। যত অয়লৰ অফিচাৰ এইচ, লে এল, দাসক যেতিয়া গ্রেপ্তাৰ কৰিছিল তেতিয়া কৈছিল যে ভাৰতবৰ্ষৰ আন আন ৰাজ্যতো তেনেকুৱা সমস্যা নাছিল। কিন্তু তাৰ আগতে ভাৰতবৰ্ষৰ গৃহ মন্ত্রীৰ ছোৱালীক কিডনেপ কৰা হৈছিল আৰু ইতিমধ্যে এইটো কথা জানে যে অন্ধ্র আৰু অন্যান্য ষ্টেটৰ পি, ও. ডব্লিউ গ্রুপে কিমান অপহৰণৰ কামত লিপ্ত আছিল। কোনে নিৰ্দ্দিষ্ট সময়ত আমাক ভাবুকি দিয়া হৈছিল যে যদি ৭ দিনৰ ভিতৰত উলিয়াই নিৰ্দিষ্ট গভৰ্ণমেণ্ট ভাঙি দিয়া হব। এই পৰ্য্যায়ৰ অৱস্থা আহিছিল। গতিকে এই কথা বিলাক এৰাই চলাটো ঠিক কথা নহয়। ইতিমধ্যে আন আন বিষয়ৰ ক্ষেত্রত মই কৈছো যে মদ নিবাৰণ আৰু অন্যান্য ক্ষেত্রত ৰেক্টিফাইচৰ ক্ষেত্রত স্পষ্টভাবে কোৱা হৈছিল যে আইনৰ বিৰুদ্ধে গৈ দিব নালাগে। কিন্তু এতিয়া দেখা গৈছে যে আইনৰ বিৰুদ্ধে দি থকা হৈছে। আজি মঙ্গলদৈৰ এটা স্পেচিফিক কেচৰ কথা কবলৈ গৈছো — মঙ্গলদৈৰ এটা শিক্ষানুষ্ঠানৰ সম্মুখত মদৰ দোকান

---

* Speech not Corrected

দিছে। গতিকে এই গোটেই কথা বিলাক চাব লাগে। শ্রীশৰৎ সিংহ ডাঙৰীয়াৰ গোটেই ষ্টেটমেণ্ট আপোনালোকে পঢ়িছে। সেই ষ্টেটমেণ্ট মোৰ হাতত আছে। মই এতিয়া পঢ়িবলৈ নাযাওঁ। যোৱা ৩০ এপ্ৰিল ৯৩ ত তেখেতে কৈছিল 'মই এক উশাহ নিশাস লব নোৱাৰা পৰিবেশত জীয়াই আছো। গোপীনাথ বৰদলৈ বা বিমলা প্ৰসাদ চলিহা অসমত গণতান্ত্ৰিক পৰম্পৰাক অপমান কৰা হব বুলি মই কেতিয়াও ভবা নাছিলো। সমগ্ৰ অসম জুৰি আজি এক অৰাজক অৱস্থা।' এইটো অসমৰ আইন শৃংখলা সম্পৰ্কত তেখেতে কৈছিল। আইন শৃংখলা সম্পৰ্কত অসমত আৰু বিভিন্ন কথা আছে মই নকওঁ। শ্ৰীহেমেন বৰগোহাই ডাঙৰীয়াই অসম বাণীত তেখেত আপোনাৰ অন্তৰৰ বন্ধু সেইটো দিশত মই চাবলৈ নাযাওঁ। তেখেত বিভিন্ন ধৰণে লিখিছে সম্পাদকীয়টো লিখিছে, আমাকো সমালোচনা কৰিছে। তাত লিখিছে যে এটা কথা পাহৰি যোৱা উচিত নহয় যে অসংখ্য ত্ৰুটি বিচ্যুতি আৰু ব্যৰ্থতাৰ কাৰণে অ, গ, প, চৰকাৰ কঠোৰ সমালোচনাৰ যোগ্য হলেও আমি এটা কথা পাহৰি যোৱা উচিত নহয় যে ক্ষমতালৈ আহিয়েই অ, গ, প; চৰকাৰে গছ কটা কাম সম্পূৰ্ণ ভাৱে বন্ধ কৰি দিছিল। এই কাম কৰি অ, গ প, চৰকাৰে যি দেশ প্ৰেম আৰু দুৰদৰ্শিতাৰ পৰিচয় দিছিল তাৰ কাৰণে অকণ্ঠ সাধুবাদ তেওঁলোকৰ প্ৰাপ্য। কিন্তু কংগ্ৰেছ ক্ষমতালৈ অহাৰ লগে লগে অ, গ, প. চৰকাৰৰ প্ৰসংসনীয় বননীতি বাতিল কৰি গোটেই ৰাজ্যখনৰ অৰণ্য অঞ্চলক পৰিনত কৰিলে কাধৰ চোৱাং ব্যৱসায়ৰ সোণৰ খনিত। আপোনাৰ চৰকাৰৰ ৰিপোৰ্ট মতে ২৩৯ কোটিৰো অধিক টকাৰ কাঠ নষ্ট কৰা হৈছে। লাওখোৱা অভয়াৰণ্যত এতিয়া-লৈকে এটাও গড় নাই। যিমান গড় আছিল চৰ মাৰি শেষ কৰা

হ'ল। আৰু তাৰ ফৰেষ্ট বে-দখল কৰা হ'ল। কাঠ কাটি ধংস কৰা হৈছে। আৰু ৰাজনৈতিক ভিত্তিত উত্থাপন কৰা হৈছে। আপোনালোকে ভালদৰে চালে গোটেই কথাখিনি গম পাব। এই বিষাক ক্ষেত্রত কি ব্যৱস্থা হাতত লোৱা হৈছে। ইয়াৰ উপৰিও আৰু বহুত কথা আছে মই কবলৈ নাযাওঁ। এই কেইটা দিগ আপুনি স্পষ্ট ভাবে কব লাগে।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী): মাননীয় অধ্যক্ষ ডাঙৰীয়া, আই. এচ, আই সম্পর্কে মই কৈ যাব পাৰো। যোৱা বিধান সভাতে আই, এচ, আইৰ কথা কৈছোৱেই। মই আই, এচ, আই কথা কৈছো সেইকাৰণে অধ্যক্ষ মহোদয়, মই কৈছো যে আগৰ বিধান সভাৰ প্রচিডিংচ আমাক সকলোকে দি দিব। চাই লব কোনে কি কৈছিল আই, এচ, আই সম্পর্কত কৈছো আগৰ ১৬ মার্চৰ মোৰ বিবৃতি আই, এচ, আই সম্পর্কে ইয়াত আছে। গতিকে আই, এচ, আই, সম্পর্কত ইয়াত মই এইখিনি কথা কৈছিলো যে হোম মিনিষ্টাৰ যেতিয়া আহিছিল ———

* শ্রী প্রফুল্ল কুমাৰ মহন্ত: অধ্যক্ষ ডাঙৰীয়া, চেণ্টিনেল বাতৰি কাকতত হোম মিনিষ্টাৰৰ এটা মেছেজৰ কথা আছিল সেইটো কোৱা নাই।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী): অধ্যক্ষ ডাঙৰীয়া, মোক কবলৈ দিয়ক। আই, এচ আই, সম্পর্কত মোৰ বিবৃতি পাব। অসমলৈ যেতিয়া হোম মিনিষ্টাৰ শ্রীচবন ডাঙৰীয়া আহিছিল, তেতিয়া শ্রীপ্রফুল্ল মহন্ত ডাঙৰীয়াই লগ ধৰিছিল। আমি তেতিয়া তেখেতক

---

* Speech not Corrected

সুধিছিলো আপোনাক অসমৰ কথা কি কলে—তেতিয়া তেখেতে কৈছিল অসমত আই. এচ, আইৰ একটিভিটিজ বাঢ়িছে। তেতিয়া মই কৈছো আই, এচ, আইৰ একটিভিটিজ বাঢ়িছে সচাঁ। কিন্তু গছ কাটিব লাগে নে ডাল কাটিব লাগে। কিন্তু প্ৰফুল্ল মহন্ত ভাৰতীয়াৰ পাৰ্টিয়ে ডাল কাটে গছ নাকাতে। প্ৰব্লেম সেইটো। মই সেইটো বৈছিলো আই, এচ, আই অসমলৈ কোনে আনিছিল আজি অসমত ওপৰাট কৰিবলৈ আই. এচ আই আনিব নালাগে। সিহত ইমান মূৰ্খ নহয়। আজি আলফা আছে, বি, এচ এফ আছে। অসমত এতিয়া আলফা, বি, এচ. এফে, আই এচ আই এজেণ্ট হিচাবে কাম কৰিছে। তেওঁলোকে অপাৰেত কৰিছে। বহুতো বিৰোধী দল আছে আলফাক কঞ্চেম নকৰে কৰে পাকিস্তানত। কিন্তু পাকিস্তানৰ আই, এচ, আই কোনে আনিলে। সেইকাৰণে মই কৈছো গছ কাটিব লাগে নে ডাল কাটিব লাগে। আলফাক কাটিব লাগে দহি মৰিব। আই, এচ, আই অসমত অপাৰেট নিজে কৰা নাই তেওঁলোকে কৰিছে উলফা আৰু বি, এচ, এফ হিছাবে। বাংলাদেশলৈ আহিছে। তাত পৰেশ বৰুৱা আছে, তাত আলফাৰ কেম্প আছে। তাতে তেওঁলোকক ব্ৰিফ কৰিছে, টকা দিছে, আৰ্মচ দিছে আৰু তেওঁলোক অসমলৈ আহিছে। আৰু যিটো কথা চেটিনেলত ওলাইছে মই এতিয়া ইয়ালৈ আহোতে সুধি আহিছো। হোম ডিপাৰ্টমেণ্টে কৈছে আমি তেনে কোনো কাগজ পোৱা নাই। আমালৈ কোনো ওৱাৰ্নিং অহা নাই। অধ্যক্ষ মহোদয়, হোম ছেক্ৰেটাৰী মোৰ ক্ষমত বহি আছে মই সুধি আহিছো কওক কি আছে, কৈছে একো অহা নাই। আমালৈ একো অহা নাই আমি কোনো ওৱাৰ্নিং পোৱা নাই। কোনো কাগজ পোৱা নাই। গতিকে আমি এইটো কেনেকৈ কম ইয়াত আছে বুলি।

অধ্যক্ষ ডাঙৰীয়া, তেখেতে কৈছে হয় গছ কটাৰ কথাটো হয়তো ৰৰগোহাই দেৱে কি বুলি কৈছে কব নোৱাৰো। যি মানুহৰ খং উঠে মাটাল বুলি কয়, খং নামে চণ্ডাল। খং উঠিলে মানুহে ভ্ৰম বকে। মোৰ ধাৰণা হয় তেখেতে বোধ হয় ভ্ৰম বকিছে। কাৰণ তেখেতে পাইৰি গৈছে যে মহন্ত ডাঙৰীয়াৰ চৰকাৰ চলি থাকোতে স্লীপাৰ স্কেণ্ডেল সম্পৰ্কত এটা হাউচ কমিটি হৈছিল। স্লীপাৰ গছৰ পৰাহে কাটে। লোহাৰ পৰা বনাই নেকি? অধ্যক্ষ মহোদয়, তদন্ত হৈছে। স্লীপাৰ কৰ পৰা কেনেকৈ গৈছে কিমান কেনেকৈ কাটিছ আৰু বগাইখাচ পাহাৰৰ গছ নেকি। বগাইখাচ কোনে লিজত দিছিল। আমাৰ চৰকাৰ নাছিল। কোনোবাই এডৰা লিখিলে হবনে। আমি জানিব লাগিব কিয় লিখিছে। তেখেতৰ চৰকাৰৰ দিনত বগাইখাচ লিজত দিছিল, প্ৰাইভেট পাৰ্টিক গছ কত্তাৰ কাৰণে। গছ ৰুবলৈ দিছিল নেকি? এই কথা কিয় কবলৈ আহে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি যিখিনি কথা কৈছো ফেকটচৰ ওপৰত কৈছো।

* শ্ৰীযতীন মালি : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা কথা কওক। অগপই যিখিনি কথা কলে সেইখিনি কথা আদি জানিলো, শুনিলো। কিন্তু আপুনি এটা কৰা কওক যে আপোনাৰ চৰকাৰ চলি থকা সময়তে লোহৰি ঘাতৰ অন্তৰত কুলচী অঞ্চলত আৰু মিৰ্জা পাহাৰত যিমান শাল গছ আৰু চেগুণ গছ আছিল কিছুমান ডেকা ল'ৰাই বিশেষকৈ কংগ্ৰেছ আই— (স্পীকাৰৰভইচ্) —যি বিলাক গছ কাটি নিলে দিনদুপৰতে, সেই গছ বিলাক কাটি লৈ যোৱা অৱস্থাত

* Speech not Corrected

পুলিচে যে সহায় কৰি গ'ল, আপোনাৰ প্ৰশাসনে তেতিয়া কি কৰি আছিল ? আপোনাৰ প্ৰশাসতে জনা নাছিল নেকি যে পুলিচ পহৰাৰ আগতে গছ কাটি লৈ গৈ আছে ?

